Content includes AI-generated material

## বৰপেটা-বটদ্ৰৱাত হোলীৰ পাৰভঙা উছাহ



বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, MARCH 16, 2025 ■ দেওবাৰ, ২ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৭৮ Guwahati, Assam ।। মূল্যঃ এটকা

মহাৰাষ্ট্ৰত পুৰস্কাৰপ্ৰাপ্ত কৃষকৰ দেহত্যাগ

## চৰকাৰে পথাৰত পানী নিদিয়ালৈ সৎকাৰ নকৰিব মৃতদেহ!



বুলধনা, ১৫ মাৰ্চঃ ধাৰাবাহিক আন্দোলনেও গা লৰাব নোৱাৰিলে চৰকাৰৰ! ইখনৰ পিছত সিখন আবেদন, অনশন, প্ৰতিবাদ- ৩ পৃষ্ঠাত চাওক



লখিমপুৰৰ পৰা আহি এনেদৰে টানি-আজুৰি কংগ্ৰেছ নেতাক গ্ৰেপ্তাৰ আৰক্ষীৰ

## ইণ্টাৰনেট আৰু ভৱিষ্যত

■ ডঃ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

আজিকালি পদূলিমুখত ডাকোৱালৰ টিলিঙা নবজা হ'ল। ডাকঘৰৰ মোহৰ মৰা খামৰ ভিতৰত আজিকালি চৰকাৰী শেষাংশ ২ পৃষ্ঠাত

## ডিফুত উত্তেজনা কাৰ্বি ছাত্ৰ সন্থাৰ সদস্যক ঘপিয়ালে মাছ বেপাৰীয়ে



ই-সংবাদ, ডিফু, ১৫ মাৰ্চঃ সমগ্ৰ ৰাজ্য ফল্গুৎসৱৰ আনন্দত মতলিয়া বিতং ৫ পৃষ্ঠাত

এটা টুইটৰ বাবে লখিমপুৰৰ পৰা সদলবলে ৰূপনগৰ পালে আৰক্ষী

# কংগ্ৰেছ নেতা ৰিতম সিঙক টানি-আজুৰি গ্ৰেপ্তাৰ

### ন্যায়ালয়ৰ নিৰ্দেশ উলংঘা অসম আৰক্ষীৰ

● মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছেঃ সাংসদ গৌৰৱ গগৈৰ দাবী

ই-সংবাদ, ১৫ মাৰ্চঃ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমী উদ্বোধন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী, ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা অন্যান্য উপস্থিতসকলে অসম আৰক্ষীৰ গুণানুকীৰ্তন কৰি থকাৰ সময়তে গুৱাহাটীত দেখিবলৈ পোৱা গ'ল শেষাংশ ৪ পৃষ্ঠাত



## ৪৩ দেশৰ বিৰুদ্ধে কঠোৰ ড'নাল্ড ট্ৰাম্প

ৱাশ্বিংটন, ১৫ মাৰ্চঃ পুনৰ এবাৰ বিতৰ্কৰ সন্মুখীন হৈছে ড'নাল্ড ট্ৰাম্প প্ৰশাসন। আমেৰিকাত ৩ পৃষ্ঠাত

## ডিৰেক্টৰ অব প্ৰচিকিউটৰ হ'ল মাখন ফুকন

গুৱাহাটী, ১৫ মাৰ্চঃ ন্যায় ব্যৱস্থা আৰু অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে এক গুৰুত্বপূৰ্ণ ৩ পৃষ্ঠাত চাওক



## সুনীতা-উইলমৰ'ক আনিবলৈ উৰিল ফেলকন

ফ্ল'ৰিডা, ১৫ মাৰ্চঃ মহাকাশত আবদ্ধ হৈ থকা দুগৰাকী মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুচ উইলম'ৰক ঘূৰাই অনাৰ বহু প্ৰত্যাশিত অভিযান সফলতাৰে আৰম্ভ কৰিছে নাছা আৰু স্পেচএক্সে। যান্ত্ৰিক বিজুতি আৰু প্ৰতিকূল শেষাংশ ৪ পৃষ্ঠাত

## 'কংগ্ৰেছৰ দিনত মই জেল খাইছিলো'

### দেৰগাঁৱত ক'লে অমিত শ্বাহে



ই-সংবাদ, ১৫ মাৰ্চঃ অসমলৈ আহি পুৰণি দিনৰ কথা মনত পৰিল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ। শেষাংশ ৫ পৃষ্ঠাত

## বেলতলাত হোলীত যুৱতীৰ মহা তাণ্ডৱ

ই-সংবাদ, ১৫ মাৰ্চঃ দেশৰ প্ৰান্তে প্ৰান্তে দুদিনীয়াকৈ পালন কৰা হ'ল ৰঙৰ উৎসৱ ফাকুৱা। ইজনে ১৯ পৃষ্ঠাত


## নল'লে ডিঙিত! বাওঁহাতেৰে শ্বাহে ল'লে গামোচা



ই-সংবাদ, ১৫ মাৰ্চঃ অসমীয়াৰ পৰিচয় গামোচাই লাভ কৰিলে জি আই টেগ। প্ৰতিগৰাকী অসমীয়া শেষাংশ ১৪ পৃষ্ঠাত




## সংগীত জগত উকা কৰি গ'লগৈ দৰদী লক্ষহীৰা



গুৱাহাটী, ১৫ মাৰ্চঃ উকা হৈ পৰিল অসমৰ শিক্ষা, সাহিত্য আৰু সংগীতৰ জগত। প্ৰখ্যাত শিক্ষাবিদ, কবি, গীতিকাৰ আৰু কণ্ঠশিল্পী ডঃ লক্ষহীৰা শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইণ্টাৰনেট আৰু ভৱিষ্যত

নথি-পত্ৰহে আছে! অথচ এদিন সেই ডাকঘৰৰে ডাকোৱালজনে গাঁওবোৰৰ মাজে মাজে ঘূৰি তৰণি নোপোৱা হৈছিল। ইঘৰ-সিঘৰকৈ চিঠিবোৰ বিলাই যাওতে কাৰোবাৰ ঘৰত সোমাই চাহ একাপ খাইছিল, কোনো গাভৰুৱে নেমু চেপি গিলাচ ভৰাই আনি দিয়া চৰবটখিনি ধকধককৈ পি গৰম পিয়াহ গুচাইছিল। আজিকালি ডাকোৱালক চিনে কোনে?

জপনা মুখত পুৰণি চাইকেলৰ শব্দ, পেডেল মাৰি মাৰি উঁৰলি পৰা জোতাৰ চলপ চলপ শব্দই তাহানিৰ দিনবোৰত কিমানৰ বুকুত যে তুলিছিল অজানা লহৰ..। আজিকালি পদূলি মুখত ডাকোৱালৰ ভগা চাইকেলৰ টিলিঙা নাবাজে, বাজে মাথো মোবাইলৰ নটিফিকেশ্যন। টুং কৈ বাজি উঠা এটা শব্দৰ মাজতে আজি সীমাবদ্ধ জীৱনৰ হা-হুতাশ, সুখ-দুখ। কোনো প্ৰতীক্ষা নাই, কোনো নতুনত্ব নাই।

পুৰণি দিনৰ চিঠি এখনৰ বাবে অপেক্ষা কৰাটো আছিল এক বুজাব নোৱাৰা অনুভূতি। নীলা খামৰ ভিতৰত ভাঁজ কৰি ভৰাই দিয়া চেনেহৰ চিঠিখন গাঁৱৰ ডেকেৰীজনীৰ হাতত তুলি দি ডাকোৱালজনে সুধিছিল—'পিছে চিঠিত আজি কিমান মৰম পঠিয়াইছে তোৰ মানুহজনে?' 'দুষ্ট' ডাকোৱালৰ এই প্ৰশ্ন শুনি লাজত মুচকচ যাও যাওকৈ দুগাল ৰঙা কৰি লোৱা গাভৰুজনীৰ মুখখন চাবলৈ আজি কাৰো পদূলিত ডাকোৱাল নৰয়। আপোনজনে অজস্ৰ মৰম সানি দি পঠিওৱা চিঠিখন নোখোলাকৈ লিৰিকি বিদাৰি ঘণ্টাৰ পিছত ঘণ্টাধৰি এক অবুজ শিঁহৰণেৰে বিচনাত পৰি ৰোৱা ডেকা-গাভৰুবোৰো আজি নাই। আজিৰ যুগত চিঠিৰ ঠাইত হোৱাট্ছএপৰ মেছেজ, ইমেইল, আৰু ছ'চিয়েল মিডিয়াৰ নটিফিকেশ্যনেৰে ভৰি পৰিছে। আগতে মানুহে হৃদয়ৰ কথাবোৰ কাগজৰ পাতত কলমৰ চিঞাঁহিৰে লিখি পঠাইছিল, ইম'জি, জিআইফ, আৰু ষ্টিকাৰৰ মাজতে সীমাবদ্ধ কেতিয়াবা সুখ, কেতিয়াবা দুখ, কেতিয়াবা মৰম অথবা কেতিয়াবা বিচ্ছেদ।

চিঠিবোৰৰ এটা গোন্ধ আছিল। বুকুৰ অযুত মৰম চিঞাঁহিৰে মিহলি হৈ উকা কাগজত বিয়পাইছিল এটা গোন্ধ। আপোনজনে লিখি পঠিয়াইছিল- 'বৰষুণ দিলে মোলৈ মনত পেলাবা...।' সাত সাগৰৰ সিপাৰে এটা আতুৰ মন লৈ এৰি থৈ অহা প্ৰেয়সীৰ হাঁহিটো বাৰাম্বাৰ সপোনৰ তুলিকাত আঁকি প্ৰিয়তমে লিখিছিল- 'এইবাৰ চিঠিৰ লগতে তোমাৰ ফটো এখনো পঠিয়াবা। মনত পৰিলেই তোমাক চাম।' আজিকালি ফেচবুক, ইনষ্টাগ্ৰামত এখন নহয়, এহাজাৰ ফটো। কোনোবাখন সুখত তোলা, কোনোবাখন দুখত। ক'ৰবাত খাই থকা, ক'ৰবাত নাচি থকা, কেপশ্যনত লিখা থাকে 'কেণ্ডিড'।

চিঠিৰ মাজত আগতে মেৰিয়াই থোৱা ফুলৰ পাহি আছিল, আছিল মৰমতে আঁকি দিয়া সৰু সৰু চুমা। আজিকালি মেছেজৰ শেষত থাকে ছেড ইম'জি, লাভ ইম'জি, এংগ্ৰি ইম'জি। মানুহৰ মনৰ কথাবোৰ আজি ডাটা পেকৰ মাজতে আৱদ্ধ। আগতে চিঠি পঢ়ি মানুহে কান্দিছিল, হাঁহিছিল, সপোন দেখিছিল। আজি চেটিংত 'হাই' লিখি সময় কটাইছে।

সময়ৰ এই সলনিৰ লগে লগে সলনি হৈছে গাঁৱে গাঁৱে ঘূৰি ফুৰা ডাকোৱাল ককাইৰো জীৱন। খগেন মহন্তই ডাকোৱালক লৈ লিখিছিল- 'চিঠিৰ বোজা মই পিঠিত বান্ধি লৈ পৰৰ চেনেহ কঢ়িয়াও...'। চিঠিবোৰ লৈ আহোতে তেওঁ ঘৰবোৰৰ সৈতে এটা সম্পৰ্ক গঢ়ি তুলিছিল। আজিকালি তেওঁৰ জোলোঙাত কেৱল বিলৰ কাগজ অথবা টেক্সৰ ন'টিছ। আগতে ডাকোৱালজন গাঁৱৰ প্ৰতিটো পৰিয়ালৰে সুখ-দুখৰ সাক্ষী হৈ পৰিছিল। কাৰ ল'ৰা কিমান দিনলৈ চহৰত আছে, কাৰ ছোৱালীৰ বিয়া কেতিয়া, গাঁৱৰ কোন ডেকাই হৃদয়খন সপি দিছে কাৰ হাতত- সকলোবোৰ খবৰেই আছিল ডাকোৱালৰ হাতত। কিন্তু এতিয়া ডাকোৱালৰ সেই চিনাকি মুখখন আৰু নেদেখা হ'ল। আজিকালি ডিজিটেল ইণ্ডিয়াই ডাক সেৱাক সোণালী যুগলৈ লৈ গৈছে বুলি ফিতাহি মৰা হয়, কিন্তু সোণালী যুগত যে হেৰাই গৈছে ডাকোৱালে দি যোৱা মৰমবোৰো!

ইণ্টাৰনেটে সলনি কৰা সময়ৰ সোঁতত জীৱনৰ গতি বাঢ়িছে, কিন্তু অনুভৱৰ গভীৰতা কমিছে। এটা সময়ত চিঠি এখনলৈ বাট চাই থকাৰ যি অধীৰ হেঁপাহ আছিল, সেয়া আজিৰ যুগৰ বাবে কল্পনাতো অসম্ভৱ। এতিয়া সকলো চকুৰ পচাৰতে উপলব্ধ। কিন্তু এই সহজলভ্যতাই মানুহক অধিক একাকী কৰিছে। আগতে চিঠি এখনৰ বাবে অপেক্ষাই সম্পৰ্কবোৰক প্ৰদান কৰিছিল এক পুৰাতন শক্তি। এতিয়া মেছেজৰ 'লাষ্ট ছীন'ৰ চিন্তাই সম্পৰ্কৰ ভেটি থৰক বৰক কৰিছে।

ইণ্টাৰনেটে আমাক যি দিছে, তাৰ মূল্য অপৰিসীম। আজিৰ যুগত গাঁৱৰ পৰা চহৰলৈ, চহৰৰ পৰা বিদেশলৈ সংযোগ স্থাপন কৰাটো কেৱল ক্লিক এটাৰ ব্যৱধান। তথ্যৰ সাগৰত সাঁতুৰিব পৰা এই সুবিধাই আমাক আগবঢ়াই নিছে। কিন্তু এই সুবিধাৰ বিনিময়ত আমি হেৰুৱাইছোঁ কিছুমান মূল্যবান অনুভৱ। আগতে মানুহে চিঠি এখনৰ বাবে অপেক্ষা কৰিছিল, আজি সেই অপেক্ষাৰ স্থানত আহিছে তাৎক্ষণিকতা। আগতে চিঠি এখন মানেই আছিল মানুহৰ হৃদয়ৰ কথা, আজিকালি কেৱল এটা ইম'জি বা ৰিয়েক্টতে আৱদ্ধ অনুভূতিবোৰ।

ইণ্টাৰনেটৰ এই যুগত আমি বহু পাইছো, বহু হেৰুৱাইছোঁ। পুৰণি দিনৰ চিঠিৰ স্মৃতিবোৰ আজিৰ ডিজিটেল যুগৰ সৈতে একেলগে জীৱনৰ পাতত জিলিকি আছে। হয়তো এই দুয়োটা যুগৰ মাজত থকা পাৰ্থক্যই আমাক শিকাইছে- জীৱনৰ গতি বাঢ়িলেও, হৃদয়ৰ গভীৰতাৰ প্ৰয়োজনীয়তা কেতিয়াও কমি যোৱা নাই। ডাকোৱালৰ টিলিঙা নবজা পদূলিবোৰত আজি নীৰৱতাৰ ছবি, কিন্তু সেই নীৰৱতাৰ মাজতো এতিয়াও ক'ৰবাত এক কোৰ্হাল উঠে, জীৱনৰ কোৰ্হাল, আধুনিকতাৰ সৈতে সংপৃক্ত অতীতৰ সজীৱ স্মৃতিৰ কোৰ্হাল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংগীত জগত উকা কৰি গ'লগৈ দৰদী

দাস আৰু নাই। শনিবাৰে পুৱতি নিশা প্ৰায় ২:৪৫ বজাত গুৱাহাটীৰ ৰাজগড়স্থিত নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে পুৰোধা নাৰীগৰাকীয়ে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৪ বছৰ। অসমৰ সাংস্কৃতিক জগতখনত সমৃদ্ধ কৰি থৈ যোৱা লক্ষহীৰা দাসৰ বিয়োগত শোকস্তব্ধ হৈ পৰিছে সমগ্ৰ অসম। উল্লেখ্য যে, লক্ষহীৰা দাসৰ জন্ম হৈছিল ১৯৩১ চনৰ ১৩ ফেব্ৰুৱাৰীত শুৱালকুছিত। পিতৃ চন্দ্ৰ বৈশ্য সাউদ আৰু মাতৃ ধৈৰ্য্যবালা দাসৰ কন্যা লক্ষহীৰা দাস সৰুৰে পৰাই আছিল বিদ্যোৎসাহী। যোৰহাট চৰকাৰী বালিকা বিদ্যালয়ৰ পৰা মেট্ৰিক পাছ কৰাৰ পিছত তেওঁ কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। এগৰাকী বিশিষ্ট লেখক হিচাপে তেওঁ ৫০খনতকৈও অধিক গ্ৰন্থৰ ৰচনা কৰিছে।

১৯৪৩ চনত তেওঁৰ প্ৰথম কবিতা প্ৰকাশ পাইছিল। সংগীতৰ প্ৰতিও তেওঁৰ ভালপোৱা আছিল শ্বাস্বতঃ। ১৯৬৮ চনত তেওঁ 'লাচিত বৰফুকন' ছবিৰ বাবে শ্ৰেষ্ঠ নেপথ্য গায়িকাৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ভূপেন হাজৰিকাৰ বঁটা লাভ কৰা এইগৰাকী যশস্বী শিল্পীয়ে কণ্ঠ নিগৰাইছিল 'সৰাপাত' ছবিতো। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল 'প্ৰথা', 'গীতাৰ্ঘ্য', আৰু 'প্ৰাণৰ মুক্তিধাৰা'। সাহিত্য আৰু শিক্ষাৰ দিশতো তেওঁৰ অৱদান আছিল অসাধাৰণ। ১৯৫৯ চনত কটন কলেজৰ শিক্ষা বিভাগৰ প্ৰথম অধ্যক্ষ হয়। ১৯৭৯ চনত অসম সাহিত্য সভাৰ কবি সন্মিলনৰ সভানেত্ৰী আছিল লক্ষ্যহীৰা দাস। ১৯৯৫ চনত অসম সাহিত্য সভাৰ পৰা 'বাসন্তী বৰদলৈ বঁটা' লাভ কৰে। ২০০৩ চনত অসম চৰকাৰে তেওঁক 'শিল্পী বঁটা' প্ৰদান কৰাৰ লগতে ২০২২ চনত সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত হয়। লক্ষহীৰা দাসে ১৯৭৭ চনত গৌহাটী বিশ্ববিদ্যালয়ত অধ্যাপিকা হিচাপে যোগদান কৰি ১৯৯৩ চনত জ্যেষ্ঠ অধ্যাপিকা হিচাপে অৱসৰ গ্ৰহণ কৰে। তেওঁৰ অসাধাৰণ অৱদানৰ বাবে তেওঁক 'সংগীতাচাৰ্য' উপাধিৰে সন্মানিত কৰা হয়। অসমৰ শৈক্ষিক আৰু সাংস্কৃতিক জগতখনত এক শূন্যতা সিঁচি পৰলোকলৈ গমন কৰা ড০ লক্ষ্যহীৰা দাসে বিয়োগৰ সময়ত এৰি থৈ গৈছে তিনি পুত্ৰ, এগৰাকী বোৱাৰী আৰু নাতি-নাতিনীক। শনিবাৰে সন্ধিয়া এক শোকবিহ্বল পৰিৱেশত নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন হয় সাহিত্যিক, শিক্ষাবিদগৰাকীৰ। ড০ লক্ষহীৰা দাসৰ বিয়োগে সমগ্ৰ ৰাজ্যত শোকাৰ জোৱাৰ তুলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰকাৰে পথাৰত পানী নিদিয়ালৈ

সকলো প্ৰচেষ্টা কৰিও নিজৰ দাবীৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাত ব্যৰ্থ হৈছিল চৰকাৰৰ দ্বাৰাই পুৰস্কৃত এগৰাকী কৃষক। দাবী তেওঁৰ তেনেই সাধাৰণ আছিল। তেওঁ বিচাৰিছিল পানীৰ সংকটত ভুগি থকা ১৪খন গাঁওত জলসিঞ্চনৰ ব্যৱস্থা কৰক চৰকাৰে, যাতে সেই গাঁৱৰ খেতিয়কসকলে হেঁপাহেৰে খেতি কৰিব পাৰে। কিন্তু এই সামান্য দাবীও চৰকাৰৰ দ্বাৰা পূৰণ নোহোৱাত অৱশেষত নিজৰ বলিদানেৰে চৰকাৰৰ দৃষ্টি আকৰ্ষণৰ প্ৰয়াস চলালে মহাৰাষ্ট্ৰৰ ‘যুৱ কৃষক বঁটা’ৰে সন্মানিত জনপ্ৰিয় কৃষক কৈলাশ অৰ্জুন নাগাড়েয়ে। হোলীৰ দিনটোতে বিষ সেৱন কৰি আত্মহননৰ পথ বাছি লয় কৃষক নেতাজনে। চৰকাৰে কৃষকৰ দাবীক আওকাণ কৰাৰ অভিযোগ তুলি নিজৰ জীৱনৰ অন্ত পেলায় কৈলাশে। বৃহস্পতিবাৰে পুৱা বুলধনা জিলাৰ শিৱনী আৰ্মাল গাঁৱৰ এখন পথাৰত উদ্ধাৰ হয় তেওঁৰ মৃতদেহ। চাৰ্টৰ পকেটত তিনি পৃষ্ঠাৰ এখন চুইচাইড নোট উদ্ধাৰ কৰা হৈছে, য'ত স্পষ্টকৈ লিখা আছে, "চৰকাৰে কৃষকৰ সমস্যাক গুৰুত্ব দিয়া নাই। আমাৰ দাবী পূৰণ নোহোৱালৈকে মোৰ মৃতদেহৰ সৎকাৰ নকৰিব।" উল্লেখ্য যে, বিগত কেইবছৰমানৰ পৰা কৈলাশে খড়কপুৰ জলাশয়ৰ পৰা ১৪খন গাঁৱত জলসিঞ্চনৰ পানী যোগান ধৰাৰ দাবী জনাই আহিছে। নিজৰ দাবী পূৰণৰ বাবে দহ দিনৰ অনশনো কৰিছে। কিন্তু এই প্ৰতিবাদৰ পিছতো চৰকাৰে দাবী পূৰণ কৰা দূৰৰে কথা, ইতিবাচক সঁহাৰিও লাভ কৰা নাছিল নাগাড়েয়ে। প্ৰশাসনৰ উদাসীনতাত ক্ষুব্ধ হৈ তেওঁ অৱশেষত এক চৰম পথ বাছি লয়। কৈলাশ কেৱল এজন কৃষক নাছিল, সমগ্ৰ অঞ্চলটোৰ কৃষকৰ অধিকাৰৰ যুঁজৰ তেওঁ হৈ পৰিছিল প্ৰধান চেহেৰা। তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত তীব্ৰ উত্তেজনা বিয়পি পৰিছে। কৈলাশৰ পত্নী সুশীলা নাগাড়েই সংবাদ মাধ্যমৰ আগত কয় যে চৰকাৰৰ গাফিলতিৰ বাবে মোৰ স্বামীৰ মৃত্যু হৈছে। তেওঁ আজীৱন কৃষকৰ বাবে যুঁজ দিলে, কিন্তু প্ৰশাসনে কোনো গুৰুত্ব নিদিলে। পত্নীয়ে কয়, "চৰকাৰে যদি কৃষকৰ সমস্যাৰ কথা ভাবিলেহেঁতেন তেন্তে আজি তেওঁক আমি হেৰুৱাবলগীয়া নহ'লহেঁতেন।" উল্লেখ্য যে, পৰিয়ালৰ বৃদ্ধি পিতৃৰ পত্নী আৰু তিনি সন্তানৰ একমাত্ৰ উপাৰ্জনকাৰী আছিল কৈলাশ অৰ্জুন নাগাড়ে। ইফালে, এই ঘটনাই ৰাজনৈতিক মহলতো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মহাৰাষ্ট্ৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতি হৰ্ষবৰ্ধন সাপকলে কয়, "কৃষকৰ দুৰ্দশাৰ প্ৰতি চৰকাৰ একেবাৰেই চিন্তিত নহয়। কৃষকসকলে যুঁজ দিছে যদিও চৰকাৰে গুৰুত্ব দিয়া নাই। আৰু তাৰ পৰিণাম এই মৃত্যু।" কৃষক সংগঠন 'বুলধনা ক্ৰান্তি কিষাণ'ৰ নেতা ৰবিকান্ত টুপকাৰে কয়, "এয়া আত্মহত্যা নহয়, চৰকাৰৰ নীতিয়ে শীতল মস্তিস্কৰে কৰা এক হত্যাকাণ্ড।" কৈলাশৰ মৃত্যুৰ পিছত বুলধনা জিলাৰ কৃষকৰ ক্ষোভে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। স্থানীয় কৃষক নেতাসকলে আন্দোলনৰ আহ্বান জনাইছে। এই মৃত্যুক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত বিতৰ্ক আৰম্ভ হৈছে। অৱশ্যে কৃষকৰ এই ক্ষোভৰ বিস্ফোৰণৰ পিছত প্ৰশাসনে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে নাই সেয়া হ'ব লক্ষ্যণীয়। চৰকাৰৰ গুৰুত্বহীনতাৰ বাবেই এগৰাকী পুৰস্কাৰজয়ী কৃষকৰ আত্মহত্যাৰ ঘটনাই দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪৩ দেশৰ বিৰুদ্ধে কঠোৰ ড'নাল্ড ট্ৰাম্প

প্ৰৱেশৰ নিয়ম কঠোৰ কৰাৰ পৰিকল্পনা কৰিছে হোৱাইট হাউছে। নতুন সিদ্ধান্ত অনুসৰি ৪৩খন দেশৰ নাগৰিকৰ ওপৰত যাতায়ত নিষেধাজ্ঞা আৰোপ কৰা হ'ব পাৰে। ট্ৰাম্পৰ প্ৰথম পৰ্যায়ৰ নিষেধাজ্ঞাতকৈ এইবাৰ কঠোৰ হ'ব এই নিয়ম। দ্য নিউয়ৰ্ক টাইমছত প্ৰকাশিত এক প্ৰতিবেদন অনুসৰি আমেৰিকাৰ বিদেশ মন্ত্ৰালয় আৰু গৃহ নিৰাপত্তাৰ বিষয়াসকলে সন্দেহৰ আৱৰ্তত কেইবাখনো দেশক অন্তৰ্ভুক্ত কৰি এখন খচৰা তালিকা প্ৰস্তুত কৰিছে। উল্লেখ্য যে, এই তালিকাখন তিনিটা ভাগত বিভক্ত- সম্পূৰ্ণ নিষেধাজ্ঞাৰ তালিকা, কঠোৰ ভিছা নিয়ন্ত্ৰণৰ তালিকা, আৰু ৬০ দিনৰ ভিতৰত নিৰাপত্তা সম্পৰ্কীয় চৰ্ত পূৰণ কৰিবলৈ কোৱা দেশৰ তালিকা। লক্ষ্যণীয়ভাৱে এই প্ৰথম তালিকাত আছে আফগানিস্তান, ভূটান, কিউবা, ইৰাণ, লিবিয়া, উত্তৰ কোৰিয়া, ছোমালিয়া, চুডান, ছিৰিয়া, ভেনিজুৱেলা আৰু য়েমেনৰ নাম। এই দেশসমূহৰ নাগৰিকৰ বাবে আমেৰিকাৰ দুৱাৰ সম্পূৰ্ণৰূপে বন্ধ কৰাৰ প্ৰস্তুতি চলাইছে ড'নাল্ড ট্ৰাম্প প্ৰশাসনে। আনহাতে দ্বিতীয় তালিকাত ১০খন দেশৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে, যাৰ নাগৰিকক কঠোৰভাৱে ভিছা নিয়ন্ত্ৰণৰ আওতালৈ অনা হ'ব। এই তালিকাত পাকিস্তান, বেলাৰুছ, ইৰিত্ৰিয়া, হাইটি, লাওছ, ম্যানমাৰ, ৰাছিয়া, ছিয়েৰা লিয়ন, দক্ষিণ চুডান আৰু তুৰ্কমেনিস্তান অন্তৰ্ভুক্ত কৰা হৈছে। এই দেশসমূহৰ ক্ষেত্ৰত কেৱল ধনী ব্যৱসায়ীসকলকহে ভ্ৰমণৰ অনুমতি দিয়া হ'ব পাৰে, কিন্তু পৰ্যটক আৰু অনুপ্ৰৱেশকাৰীৰ বাবে নিষেধাজ্ঞা আৰোপ কৰা হ'ব। ভিছা লাভ কৰিবলৈ বাধ্যতামূলক ব্যক্তিগত সাক্ষাৎকাৰৰ প্ৰয়োজনো হ'ব পাৰে। তৃতীয় তালিকাত ২২খন দেশ অন্তৰ্ভুক্ত কৰা হৈছে, যিবোৰক ৬০ দিনৰ ভিতৰত নিৰাপত্তা সম্পৰ্কীয় চৰ্তসমূহ পালন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই তালিকাত বুৰ্কিনা ফাচো, কেমেৰুণ, লাইবেৰিয়া, মালি, মৰিটানিয়া, ভানুআটু, জিম্বাব'ৱে, কংগো গণতান্ত্ৰিক ৰিপাব্লিক, চেণ্ট লুচিয়া, চাও টম এণ্ড প্ৰিন্সিপকে ধৰি কেইবাখনো দেশৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। মন কৰিবলগীয়া যে, ট্ৰাম্প প্ৰশাসনৰ এই তালিকা ৰাজহুৱা হোৱাৰ পিছতে আৰম্ভ হৈছে তীব্ৰ বিতৰ্কৰ। বিশেষকৈ শান্তিৰ দেশৰূপে পৰিচিত ভুটানৰ অন্তৰ্ভুক্তিত স্তম্ভিত হৈ পৰিছে বহু লোক। অৱশ্যে ট্ৰাম্প প্ৰশাসনৰ এই তালিকাত নাই ভাৰত কিম্বা চীনৰ নাম। একেদৰে নিষেধাজ্ঞাৰ তালিকাত ৰাছিয়াৰ নাম অন্তৰ্ভুক্ত হোৱাটোৱেও আশ্চৰ্যৰ সৃষ্টি কৰিছে। লক্ষ্যণীয় যে ট্ৰাম্প প্ৰশাসনে সদায় মস্কোৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰিবলৈ চেষ্টা কৰি আহিছে। মন কৰিবলগীয়া যে ট্ৰাম্প প্ৰথমবাৰৰ বাবে ক্ষমতালৈ অহাৰ পিছত তেওঁৰ প্ৰশাসনৰ ভ্ৰমণ নিষেধাজ্ঞা আদালতত আবদ্ধ হৈ আছিল। পিছলৈ ২০২১ চনত জো বাইডেন ৰাষ্ট্ৰপতি হয় আৰু নিষেধাজ্ঞা বাতিল কৰি ইয়াক “ৰাষ্ট্ৰীয় লজ্জাজনক” বুলি অভিহিত কৰে। অৱশ্যে এইবাৰ ট্ৰাম্পে স্পষ্ট কৰি দিছে যে আমেৰিকাৰ নিৰাপত্তাৰ স্বাৰ্থত পুনৰ এই নিষেধাজ্ঞা আৰোপ কৰা হ'ব। তেওঁ কয় যে যিসকলে সন্ত্ৰাসবাদী কাৰ্যকলাপত লিপ্ত হয়, ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনে, বা অনুপ্ৰৱেশ আইন ভংগ কৰি দেশৰ ক্ষতি কৰিব বিচাৰে তেওঁলোকক প্ৰৱেশৰ পৰা বঞ্চিত কৰা হ'ব। ট্ৰাম্প প্ৰশাসনৰ এই খচৰা তালিকাখন বৰ্তমান পৰ্যালোচনাধীন হৈ আছে আৰু খবৰ অনুসৰি অহা সপ্তাহত চূড়ান্ত সিদ্ধান্ত ঘোষণা কৰা হ'ব পাৰে। অৱশ্যে ইতিমধ্যে ভিছা লাভ কৰা সকলৰ এই নিষেধাজ্ঞা আৰোপ কৰা হ'ব নে নহয় সেয়া এতিয়াও স্পষ্ট হোৱা নাই। একেদৰে গ্ৰীণ কাৰ্ডধাৰীৰ ক্ষেত্ৰতো এই নতুন নিয়ম প্ৰযোজ্য হ'ব নে নহয় সেই সম্পৰ্কেও অনিশ্চয়তা অব্যাহত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিৰেক্টৰ অব প্ৰছিকিউটৰ হ'ল মাখন

পদক্ষেপ গ্ৰহণ কৰিছে অসম চৰকাৰে। ন্যায়িক ব্যৱস্থাৰ ফলপ্ৰসূতা আৰু কাৰ্যক্ষমতা বৃদ্ধিৰ বাবে নৱপ্ৰতিষ্ঠিত ডিৰেক্টৰেট অৱ প্ৰছিকিউশ্যনত প্ৰথমবাৰৰ বাবে নিযুক্ত প্ৰদান কৰা হৈছে ডিৰেক্টৰেট অৱ প্ৰছিকিউটৰ। শুকুৰবাৰে নিশা ৰাজ্য চৰকাৰে চাৰি মাহৰ বাবে অস্থায়ীভাৱে এই পদত নিযুক্তি প্ৰদান কৰে মাখন ফুকনক। উল্লেখ্য যে, তেওঁৰ দৰমহাৰ পৰিসৰ অন্যান্য ভাট্টাৰ লগতে ১,৯৯,১০০ টকাৰ পৰা ২,২৪,১০০ টকাৰ ভিতৰত নিৰ্ধাৰণ কৰিছে চৰকাৰে। একে সময়তে ডিৰেক্টৰেট অৱ প্ৰছিকিউটৰৰ উপৰিও নিযুক্তি প্ৰদান কৰা হৈছে তিনিগৰাকী ডেপুটি ডিৰেক্টৰেট অৱ প্ৰছিকিউটৰকো। এই দায়িত্বত নিযুক্তি দিয়া হৈছে ধনেশ দাস, শান্তনু ভট্টাচাৰ্য আৰু মানস হালৈক। মন কৰিবলগীয়া যে, চাৰি মাহৰ বাবে অস্থায়ীভাৱে নিযুক্তি প্ৰদান কৰা হোৱা ডেপুটি ডিঅ'পি সকলে অন্যান্য ভাট্টাৰ লগতে ১,৬৩,০৩০ টকাৰ পৰা ২,১৯,০৯০ টকাৰ ভিতৰত দৰমহা লাভ কৰিব। এই সিদ্ধান্তৰ তাৎপৰ্য ব্যাখ্যা কৰি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ছ'চিয়েল মিডিয়া এক্সত লিখিছে, "অসম চৰকাৰে নৱগঠিত ডিৰেক্টৰেট অৱ প্ৰছিকিউশ্যনৰ প্ৰথমগৰাকী সঞ্চালক নিযুক্তি দিছে। আমি দেশৰ অন্যতম অগ্ৰণী ৰাজ্য, য'ত আইন প্ৰয়োগকাৰী সংস্থা আৰু ন্যায়পালিকাৰ সহায়ত স্বতন্ত্ৰ বিচাৰ কেডাৰ গঠন কৰা হৈছে।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছ নেতা ৰিতম সিঙক টানি-

অসম আৰক্ষীৰ জঘন্য ৰূপ। লাচিত বৰফুকন একাডেমীৰ উদ্বোধনী অনুষ্ঠান আয়োজন হৈ থকাৰ সময়তে আৰক্ষীয়ে মানৱ অধিকাৰ উলংঘন কৰি বিৰোধী ৰাজনৈতিক নেতাক গ্ৰেপ্তাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। যাৰ বাবে অসম আৰক্ষীয়ে বিজেপিৰ শাখাৰ দৰে আচৰণ কৰিছে বুলি সৰ্বত্তে চৰ্চা হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ ৰীতম সিঙে সামাজিক মাধ্যমযোগে সময়ে সময়ে শাসনাধিস্থিত বিজেপি দলক চোকা সমালোচনা কৰি অহাৰ লগতে চৰকাৰৰ নীতিকলৈও সৰৱ হৈ আহিছে। টুইটাৰযোগে ৰীতম সিঙে উত্থাপন কৰি অহা বিষয়বোৰ সততে সামাজিক মাধ্যমৰ চৰ্চাৰ বিষয় হৈ পৰাও পৰিলক্ষিত হৈছে। কেৱল মাত্ৰ অসমতেই নহয়, ৰাজ্যৰ বাহিৰতো ৰীতম সিঙৰ টুইট বিশেষভাৱে চৰ্চিত হয়। যাৰ বাবে শাসনাধিস্থিত বিজেপিৰ বাবে চকুৰ কূটা, দাঁতৰ শাল হৈ পৰিছিল প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ গৰাকী। শেহতীয়াকৈ ৰীতম সিঙে নাৰী নিৰ্যাতন সন্দৰ্ভত টুইটাৰযোগে ন্যায়ালয়ে প্ৰদান কৰা ৰায়ৰ এটা বাতৰি শ্বেয়াৰ কৰি প্ৰশ্ন কৰিছিল যে আইন সকলোৰে বাবে সমান হয়নে? একেটা পোষ্টতে তেওঁ বিজেপি নেতা মানৱ ডেকা, ৰাজেন গোহাঁই আৰু ভৱেশ কলিতাৰ নাম উল্লেখ কৰি তেওঁলোকৰ বিৰুদ্ধে একালত উত্থাপিত হোৱা অভিযোগৰ প্ৰসংগও উল্লেখ কৰিছিল। ইয়াৰ পাছতেই ৰূপনগৰস্থিত ৰীতম সিঙৰ বাসগৃহত উপস্থিত হয় লখিমপুৰ আৰক্ষী। জানিব পৰা মতে মানৱ ডেকাৰ পত্নীৰ এখন এজাহাৰৰ ভিত্তিত ৰীতম সিঙক গ্ৰেপ্তাৰৰ বাবে গুৱাহাটীত হাজিৰ হয় লখিমপুৰ আৰক্ষী। প্ৰথম অৱস্থাত ৰীতম সিঙৰ বাসগৃহ ঘেৰাও কৰি গৃহবন্দী কৰি ৰাখে কংগ্ৰেছ নেতাগৰাকীক। তেনে সময়তেই ৰীতম সিঙে খিৰিকিৰ ফাঁকেৰে সংবাদ মাধ্যমৰ সন্মুখত বক্তব্য ৰাখি কয়, অসম আৰক্ষীয়ে ন্যায়ালয়ৰ নিৰ্দেশ উলংঘা কৰিছে। উচ্চ ন্যায়ালয়ৰ এটা ৰায়দান হাতত লৈ ৰীতম সিঙে অসম আৰক্ষীৰ স্বেচ্ছাচাৰিতা উদঙাই কয়, মোক গ্ৰেপ্তাৰ কৰিলে ন্যায়ালয়ৰ নিৰ্দেশ উলংঘন হ'ব। ইয়াৰ অলপ সময়ৰ পাছতেই ৰীতম সিঙৰ বাসগৃহত উপস্থিত হয় কংগ্ৰেছ সাংসদ তথা লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈ। কিন্তু গৌৰৱ গগৈৰ উপস্থিতিৰ পাছতো অসম আৰক্ষীয়ে এগৰাকী জনপ্ৰতিনিধিৰ প্ৰতি প্ৰদৰ্শন কৰিবলগীয়া নূন্যতম সৌজন্যতাখিনিও প্ৰদৰ্শন নকৰাৰ অভিযোগ উত্থাপন কৰে খোদ সাংসদগৰাকীয়ে। গৌৰৱ গগৈৰ উপস্থিতিতেই জঘন্য অপৰাধীৰ দৰে টনা-আজোৰা কৰি ৰীতম সিঙক গ্ৰেপ্তাৰ কৰে অসম আৰক্ষীয়ে। ইয়াৰ পাছতে সংবাদ মাধ্যমৰ সন্মুখত গৌৰৱ গগৈৰ ভাষ্য, মানৱ ডেকা ভগৱান নহয়। মানৱ ডেকাৰ বিৰুদ্ধে কিয় টুইট কৰিব নোৱাৰি? অসম আৰক্ষীক মুখ্যমন্ত্ৰীয়ে অবৈধ কাম কৰাইছে বুলি অভিযোগ উত্থাপন কৰি গৌৰৱ গগৈয়ে কয়, অসম আৰক্ষীক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছে। গৌৰৱ গগৈৰ মন্তব্য, আৰক্ষীৰ হাতত ৰীতমক গ্ৰেপ্তাৰ কৰাৰ কোনো ৱাৰেণ্ট নাই, আনকি তেওঁক কোনো জাননীও দিয়া হোৱা নাছিল। তেওঁৰ ঘৰলৈ পুলিচ অহা বুলি জানি মই নিজেই তেওঁৰ ঘৰলৈ গ'লোঁ। মোৰ সন্মুখতেই ৰীতমক আৰক্ষীয়ে টানি লৈ যায়। আৰক্ষীয়ে মোক ৰীতমৰ লগত কথা পতাৰো সুযোগ নিদিলে। যিহেতু এই সমগ্ৰ ঘটনা ঘটি থকাৰ সময়ত দেৰগাঁৱৰ পুলিচ একাডেমীত উপস্থিত আছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। যাৰ বাবে কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে ছ'চিয়েল মিডিয়াত অমিত শ্বাহক উদ্দেশ্যি লিখে, 'অমিত শ্বাহে জানেনে যে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ আৰক্ষী প্ৰশাসনৰ অপব্যৱহাৰ চলি আছে? অমিত শ্বাহে জানেনে কিছুদিন পূৰ্বে বিজেপিৰ একাংশ গুণ্ডাই দিন-দুপৰতে এজন কনিষ্ঠবলক নিৰ্মমভাৱে প্ৰহাৰ কৰিছিল। কিন্তু সেই ঘটনাৰ বাবে হিমন্ত বিশ্ব শৰ্মাৰ অসম আৰক্ষীয়ে এতিয়াও কাকো গ্ৰেপ্তাৰ কৰা নাই। কিন্তু অসম আৰক্ষী বিৰোধী নেতাৰ বিৰুদ্ধে বৰ্বৰ।' আনফালে ঘটনাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই। ৰীতম সিঙক বৰ্বৰোচিতভাৱে গ্ৰেপ্তাৰ কৰা ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই। বৰাই এক বিবৃতিত কয় যে সামাজিক মাধ্যমত দিয়া এটা মানহানি গোচৰৰ ওপৰত ভিত্তি কৰি আৰক্ষীয়ে সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰাৰ দৰে বিশাল বাহিনীক লৈ গুৱাহাটীৰ ৰূপনগৰৰ ৰাইজক সন্ত্ৰস্ত কৰি প্ৰায় ৪ ঘণ্টা সমগ্ৰ এপাৰ্টমেণ্টটো ঘেৰাও কৰি এজন অধিবক্তাক গ্ৰেপ্তাৰ কৰা ঘটনা নজিৰবিহীন। কংগ্ৰেছ নেতা-কৰ্মীসকলে চৰকাৰৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ উদঙাই দি ৰাইজক সজাগ কৰাৰ চেষ্টা অব্যাহত ৰখাৰ বাবে ৰীতম সিঙৰ বিৰুদ্ধে এইধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা বুলি বৰাই উল্লেখ কৰে আৰু আৰক্ষীক বিজেপি দলৰ এজেণ্ট হিচাপে কাম নকৰিবলৈ আহ্বান জনায়। বৰাই কয় যে বিএনএছৰ ৩৫৬ বি-২ ধাৰাত আৰক্ষীয়ে দুৰ্ধৰ্ষ অপৰাধীৰ দৰে গ্ৰেপ্তাৰ কৰা কাৰ্যক এক ভয়ংকৰ ভৱিষ্যতৰ ইংগিত বুলি বৰাই উল্লেখ কৰে আৰু বিনাচৰ্তে কংগ্ৰেছ কৰ্মীজনক মুক্তি দিবলৈ দাবী জনায়। উল্লেখ্য যে, ৰীতম সিঙক গুৱাহাটীস্থ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰাৰ পাছতেই লৈ যোৱা হয় লখিমপুৰলৈ। সেয়ে ৰীতম সিঙক গ্ৰেপ্তাৰৰ বিৰোধিতাৰে লখিমপুৰৰ যুৱ কংগ্ৰেছে লখিমপুৰ সদৰ থানাৰ সন্মুখত সন্ধিয়া উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। অসম পুলিচ হায় হায়, হিমন্ত বিশ্ব শৰ্মা চৰকাৰ হায় হায়, হিটলাৰী শাসন নচলিব আদি শ্লোগানেৰে উত্তাল কৰি তোলে সদৰ থানাৰ প্ৰাংগন। ৰীতম সিঙৰ গ্ৰেপ্তাৰৰ পাছতেই সামাজিক মাধ্যমত প্ৰশাসনৰ এই পদক্ষেপৰ বিৰোধিতাৰে ব্যাপক চৰ্চা আৰম্ভ হয়। বিভিন্নগৰাকী সচেতন ব্যক্তিয়ে প্ৰশাসনৰ এই পদক্ষেপক একমুখে গৰিহনা দিয়াৰ লগতে ৰীতম সিঙৰ মুক্তিৰ দাবী তোলে। অৱশ্যে অসম আৰক্ষীৰ সংস্কাৰৰ কথা কোৱা নেতা আৰু বিষয়াই এই সমগ্ৰ বিষয় কিদৰে গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়। অসম আৰক্ষী বিজেপিৰ এটা শাখাত পৰিণত হোৱাৰ অভিযোগক কিদৰে বিভাগীয়ভাৱে নস্যাৎ কৰে, তাৰ প্ৰতিও দৃষ্টি ৰাখিব সচেতন মহলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সুনীতা-উইলম'ৰক আনিবলৈ উৰিল

বতৰৰ বাবে একাধিকবাৰ উৎক্ষেপণ বাতিল হোৱাৰ পিছত অৱশেষত আজি ফ্ল'ৰিডাৰ কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা মহাকাশলৈ উৎক্ষেপণ কৰা হয় ইলন মাস্কৰ ফেলকন নাইন মহাকাশযান। এই অভিযান আৰম্ভ হোৱাৰ পিছত এতিয়া দীৰ্ঘদিনে মহাকাশত আৱদ্ধ সুনীতা-বুচৰ পৃথিৱী আগমণ সম্ভৱ হৈ পৰিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে, যোৱা বছৰৰ পৰাই আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আৱদ্ধ হৈ আছে ভাৰতীয় বংশোদ্ভূত মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুচ উইলম'ৰ। শেহতীয়াকৈ আমেৰিকা প্ৰশাসনে তেওঁলোকক নিৰাপদে ঘূৰাই অনাৰ বাবে স্পেচএক্সৰ সহায় বিচাৰিছিল। সেই অনুসৰি 'ক্ৰু-১০ মিছন'ৰ বাবে নাছাৰ সৈতে যৌথ পদক্ষেপৰ পৰিকল্পনা কৰা হৈছিল, য'ত দুয়োখন দেশৰ মহাকাশচাৰীসকলে প্ৰথমবাৰৰ বাবে একেলগে ঘূৰি আহিব।প্ৰথমে ১২ মাৰ্চত এই উৎক্ষেপণৰ পৰিকল্পনা আছিল যদিও কাৰিকৰী বিজুতিৰ বাবে বাতিল কৰা হয়। উৎক্ষেপণৰ মাত্ৰ চাৰি ঘণ্টাৰ পূৰ্বে ৰকেটৰ হাইড্ৰলিক ব্যৱস্থাত সমস্যা ধৰা পৰিছিল, যাৰ ফলত এই অভিযান স্থগিত ৰখা হৈছিল। ইয়াৰ পিছত ১৪ মাৰ্চত পুনৰ উৎক্ষেপণৰ চেষ্টা কৰা হয় যদিও প্ৰচণ্ড বতাহ আৰু প্ৰচণ্ড বৰষুণৰ বাবে সেইবাৰো সেয়া সম্ভৱ নহ'ল।অৱশেষত সকলো বাধা অতিক্ৰম কৰি আজি পুৱা ৪:৩০ বজাত কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা স্পেচএক্সে সফলতাৰে উৎক্ষেপণ কৰে। নাছাৰ এক বিবৃতি অনুসৰি এই অভিযানত আন চাৰিজন মহাকাশচাৰী আছে- নাছাৰ এন্নে মেকলেইন আৰু নিকোল আয়াৰ্ছ, জাপানৰ টাকুয়া অনিছি আৰু ৰাছিয়াৰ কিৰিল পেস্কোভ। পৰিকল্পনা অনুসৰি আইএছএছত উপস্থিত হোৱাৰ লগে লগে চাৰিজন মহাকাশচাৰীক এই কামৰ বিষয়ে বুজাই দি সুনীতা আৰু বুচে পৃথিৱীলৈ উভতি আহিব। কিন্তু দুই মহাকাশচাৰীৰ পৃথিৱীলৈ ঘূৰি অহাৰ সঠিক সময় এতিয়াও ঘোষণা কৰা হোৱা নাই। নাছাই কয় যে ফেলকন নাইন ৰকেট আইএছএছত উপস্থিত হোৱাৰ পিছত চূড়ান্ত সময় নিৰ্ধাৰণ কৰা হ'ব। সফল উৎক্ষেপণৰ পিছত নাছাই কয়, "ক্ৰু-১০ অভিযানৰ সফল উৎক্ষেপণৰ সৈতে মহাকাশত এক নতুন অধ্যায় আৰম্ভ হৈছে।" এতিয়া সুনীতা আৰু বুচে কেতিয়াকৈ পৃথিৱীলৈ ঘূৰি আহিব তাক লৈ সকলোৱে দৃষ্টি ৰাখিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰ্বি ছাত্ৰ সন্থাৰ সদস্যক ঘপিয়ালে মাছ

হৈ থকাৰ সময়তে কালি সন্ধিয়া প্ৰায় ৭.৪০ বজাত ডিফু বজাৰত এক ভয়ংকৰ কাণ্ড সংঘটিত হয়। মাছ কিনিবলৈ যোৱা কাৰ্বি ছাত্ৰ সন্থাৰ এগৰাকী সদস্য শুকুৰছিং ইংহিক সামান্য বাক্তবিণ্ডাৰ বাবে মাছ বেপাৰী নাজিৰুল ইছলামে হাতত থকা দাৰে ঘপিওৱাৰ ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় শুকুৰছিং ইংহি। ঘটনা সংঘটিত হোৱাৰ লগে লগে ডিফু বজাৰত হোৱাদুৱাৰ সৃষ্টি হয় আৰু সমগ্ৰ বজাৰতে অপ্ৰিতিকৰ পৰিস্থিতিৰ উদ্ভৱ হয়। ঘটনাৰ আকস্মিকতাত কোনো উৰাদিহ নোপোৱা বজাৰখনত থকা সাধাৰণ গ্ৰাহকসকল যেনিতেনি দৌৰিবলৈ ধৰাৰ বিপৰীতে একাংশ যুৱকে এফালৰপৰা ডিফু বজাৰ তচনচ কৰি পেলায়। সেই সময়ত কৰ্তব্যত থকা নগণ্যসংখ্যক আৰক্ষীয়ে পৰিস্থিতি শান্ত কৰাৰ চেষ্টা চলায় যদিও পৰিস্থিতি ক্ৰমাৎ বেয়াৰ দিশে গতি কৰে। খিলঞ্জীয়াযুৱকক এগৰাকী মাছ বেপাৰীয়ে দাৰে ঘপিয়াই আহত কৰাৰ খবৰ বিয়পি পৰাৰ লগে লগে বজাৰত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হয়। একাংশ উত্তেজিত যুৱকে মাছ-মাংসৰ বজাৰখন লণ্ডভণ্ড কৰে। ঘটনাস্থলীত ডিফু বজাৰ কমিটিৰ অধ্যক্ষ বিদ্যা তিচ', কাৰ্বি ছাত্ৰ সন্থাৰ সভাপতি মিৰ্জেং ক্ৰ', সাধাৰণ সম্পাদক জৰ্জ তিমুঙকে আদি কৰি অনেক ছাত্ৰনেতা উপস্থিত হৈ পৰিস্থিতি কিছু ক্ষান্ত কৰিবলৈ সক্ষম হয়। একেদৰে, এ পি এইচ এল চি দলৰ নেতা জে আই কাথাৰকে ধৰি আন বহু নেতাও ডিফু বজাৰত উপস্থিত হৈ মাছ বেপাৰী নাজিৰুলক গ্ৰেপ্তাৰৰ দাবীত পৰিস্থিতি উত্তপ্ত কৰি তোলে। কাৰ্বি ছাত্ৰ সন্থাৰ নেতৃবৰ্গ আৰু ডিফু বজাৰ সমিতিৰ সদস্যসকলে ঘটনাৰ কঠোৰ ভাষাৰে নিন্দা কৰাৰ লগতে আজি সমগ্ৰ ডিফু বজাৰ বন্ধৰ ঘোষণা কৰাৰ লগতে অখিলঞ্জীয়া মাছ বেপাৰীসকলক অনিৰ্দিষ্টকালৰ বাবে ডিফু মাছ বজাৰত মাছ বিক্ৰীত নিষেধাজ্ঞা জাৰি কৰে। জিলা আয়ুক্ত নিৰলা ফাংচ'পী আৰু আৰক্ষী অধীক্ষক সুপ্ৰতীভলাল বৰুৱা ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ঘটনাস্থলীত উপস্থিত থকা দল-সংগঠনৰ নেতাৰ সৈতে আলোচনাত মিলিত হয় আৰু দোষীক অতিশীঘ্ৰে কৰায়ত্ত কৰাৰ আশ্বাস প্ৰদান কৰাৰ লগতে আইন-শৃংখলা পৰিস্থিতি বিঘ্নিত নকৰাৰ লগতে শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাৰ আহ্বান জনায়। অৱশ্যে বহু নিশালৈ পৰিস্থিতি অশান্তময় হৈ থকাৰ উপৰি ছাত্ৰ সংগঠনৰ বহু সদস্য ডিফু বজাৰত উপস্থিত থাকে। কাৰ্বি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জৰ্জ তিমুঙে এয়া খিলঞ্জীয়া লোকৰ ওপৰত আক্ৰমণ আখ্যা দি এনে আক্ৰমণ কোনো কৰণতে সহ্য কৰা নহ'ব বুলি হুংকাৰ দি ইয়াৰ পূৰ্বে ২০১২ চনত পি ডি চি কে নামৰ বিদ্ৰোহী সংগঠনটোৰ প্ৰাক্তন শীৰ্ষ নেতা কংকাট তেৰণক প্ৰহাৰ কৰি মুমুৰ্যু অৱস্থাত পেলাই থৈ যোৱাৰ কথা উল্লেখ কৰি ডিফু মাছ বজাৰত মিঞা ছিণ্ডিকেট চলা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰি ২০১২ চনত প্ৰশাসনে উচিত পদক্ষেপ গ্ৰহণ কৰা হ'লে আজিৰ এই পৰিস্থিতি উদ্ভৱ নহ'লহেঁতেন বুলিও প্ৰশাসনক দোষাৰোপ কৰে। ঘটনাত অভিযুক্তৰ কঠোৰ শাস্তি দাবী কৰে ছাত্ৰনেতাগৰাকীয়ে। মাছৰ ছিণ্ডিকেট বন্ধ কৰাৰো দাবী কৰে তিমুঙে। আনহাতে, ডিফু বজাৰ সমিতিৰ অধ্যক্ষ বিদ্যা তিছ'ৱে এয়া এক ভাবিব নোৱাৰা ঘটনা বুলি অভিহিত কৰি অনা খিলঞ্জীয়াৰ হাতত খিলঞ্জীয়া লোক প্ৰহৃত হোৱাৰ ঘটনাক কঠোৰ ভাষাৰে নিন্দা কৰে। এই ঘটনাৰ পাছতেই উত্তপ্ত হৈ পৰা ডিফু চহৰত আজি বন্ধৰ ব্যাপক প্ৰভাৱ পৰা পৰিলক্ষিত হয়। ডিফু বজাৰ সম্পূৰ্ণৰূপে বন্ধ থকাৰ বিপৰীতে বিভিন্ন দল-সংগঠন আৰু ছাত্ৰ সংগঠনৰ নেতা-সদস্যই ডিফু বজাৰৰ বিভিন্ন স্থানত ধৰ্ণা প্ৰদৰ্শন কৰাৰ লগতে ডিফু শনি মন্দিৰৰ সন্মুখত অৱস্থান কৰি ধৰ্ণা প্ৰদৰ্শন অব্যাহত ৰাখিছে। ইপিনে, কালি নিশাই ডিফু চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে আহত ইংহিৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি আজি পুৱা পুনৰ ডিফু চিকিৎসা মহাবিদ্যালয়লৈ গৈ চিকিৎসাৰ বাবে এক লাখ টকা প্ৰদান কৰে। ডিফু মছজিদ সমিতিয়ে এখন সংবাদমেল সম্বোধন কৰি এই ঘটনাৰ গৰিহণা দিয়াৰ লগতে দোষীৰ কঠোৰ শাস্তিৰ দাবী কৰে। ৰমজান মাহটো ত্যাগ আৰু সংযমৰ মাহ আখ্যা দি এই সময়ত সংযমহীনতা গৰিহণাৰ যোগ্য আখ্যা দিয়ে। একেদৰে দুজন ব্যক্তিৰ মাজত হোৱা এই ঘটনাক আন দিশলৈ নেঠেলিবলৈ চিন্তাশীল সমাজক আহ্বান জনায়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কৰ বিভাগে এক নিৰ্দেশ যোগে ডিফু মাছ বজাৰৰ সকলো অখিলঞ্জীয়া মাছ বেপাৰীৰ অনুজ্ঞা-পত্ৰ সাময়িকভাৱে বাতিল কৰা বুলি এক নিৰ্দেশ জাৰি কৰিছে। ডিফু বজাৰত ধৰ্ণা প্ৰদৰ্শন কৰি থকা সংগঠনসমূহে সংবাদ মাধ্যমৰ আগত কয় যে ডিফু বজাৰত মাছ-মাংসৰ ব্যৱসায় কেৱল জনজাতীয় লোকককহে কৰাৰ ব্যৱস্থা কৰিব লাগে। একেদৰে পৰিষদে ২৫ বছৰলৈ খিলঞ্জীয়াক মাটিৰ পট্টা দিয়াৰ বিপৰীতে সাধাৰণ মানুহে মাটি লীজত দিয়ে ৫০-১০০ বছৰলৈ, ই কেনেধৰণৰ কথা বুলিও প্ৰশ্ন উত্থাপন কৰে। পৰিস্থিতি ভিতৰি উত্তেজনাময় হৈ আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'কংগ্ৰেছৰ দিনত মই জেল খাইছিলো'

শুকুৰবাৰে গোলাঘাট জিলাৰ দেৰগাঁৱত নৱনিৰ্মিত লাচিত বৰফুকন পুলিচ একাডেমীৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি তেওঁ কয় যে এসময়ত অসমত কংগ্ৰেছ চৰকাৰৰ দিনত তেওঁ জেললৈ যাবলগীয়া হৈছিল। উদ্বোধনী মঞ্চৰ পৰাই কংগ্ৰেছক আক্ৰমণ কৰি অমিত শ্বাহে কয়, "কংগ্ৰেছে অসমলৈ শান্তি আহিবলৈ দিয়া নাছিল। মই নিজেও কংগ্ৰেছ চৰকাৰৰ লাঠিচাৰ্জ খাইছো। হিতেশ্বৰ শইকীয়া সেই সময়ত অসমৰ মুখ্যমন্ত্ৰী আছিল। আমি দিল্লীত তেতিয়াৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ বিৰুদ্ধে শ্লোগান দিছিলোঁ- 'অছাম কি গোলীয়া ছুনি হ্যে, ইন্দিৰা গান্ধী খুনি হ্যেয়।' তাৰ পিছত গুৱাহাটীত মোৰ ওপৰত লাঠিচাৰ্জ হৈছিল, সাত দিন অসমৰ জে'লৰ মই ৰুটি খাইছিলো।" অমিত শ্বাহে লগতে কয় যে সেই সময়ত অসমক বচাবলৈ দেশৰ বিভিন্ন প্ৰান্তৰ পৰা মানুহ আহিছিল। এক দীঘলীয়া আন্দোলনৰ পিছত আজি অসম প্ৰগতিৰ পথত আগবাঢ়িছে। মন কৰিবলগীয়া যে হিতেশ্বৰ শইকীয়া ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ আৰু ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ দুটা কাৰ্যকাল অসমৰ মুখ্যমন্ত্ৰী আছিল। ছাত্ৰাৱস্থাতে অসমলৈ আহি হিতেশ্বৰ শইকীয়া চৰকাৰৰ দিনত অসমৰ জে'ললৈ যাবলগীয়া হোৱা বুলি দাবী কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। উল্লেখ্য যে, তিনিদিনীয়া অসম আৰু মিজোৰাম ভ্ৰমণৰ বাবে শুকুৰবাৰে সন্ধিয়া দেৰগাঁওত উপস্থিত হয় অমিত শ্বাহ। ৩৪০ একৰ ভূমিত নিৰ্মিত এই আৰক্ষী একাডেমীখনৰ আধুনিকীকৰণৰ প্ৰথম পৰ্যায়ত ১৬৭.৪ কোটি টকা খৰচ হৈছে। একাডেমীৰ নতুন পাঁচ মহলীয়া ভৱনটোত আধুনিক শ্ৰেণীকোঠা, অস্ত্ৰ প্ৰশিক্ষণ চিমুলেটৰ, পৰীক্ষাগাৰ, প্ৰশাসনিক কাৰ্যালয়, সংগ্ৰহালয়, আৰু অত্যাধুনিক পেৰেড খেলপথাৰ আছে। বিষয়াসকলৰ মতে, নতুন আন্তঃগাঁথনিয়ে একাডেমীৰ প্ৰশিক্ষাৰ্থীসকলক তাত্ত্বিক আৰু ব্যৱহাৰিক শিক্ষণৰ মাজত ভাৰসাম্য গঢ়ি তোলাত সহায় কৰিব। অসমৰ এই পুলিচ একাডেমীখন দেশৰ ভিতৰতে শ্ৰেষ্ঠ প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দি অমিত শ্বাহে কয়, "অহা পাঁচ বছৰত লাচিত বৰফুকন পুলিচ একাডেমী দেশৰ ভিতৰতে শ্ৰেষ্ঠ আৰক্ষী একাডেমী হিচাপে পৰিগণিত হ'ব। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনাইছো লাচিত বৰফুকনৰ নামেৰে নামাকৰণ কৰাৰ বাবে। লাচিত বৰফুকনে মোগলৰ বিৰুদ্ধে অসমলৈ জয় কঢ়িয়াই আনিছিল।" অমিত শ্বাহে লগতে দাবী কৰে যে তেওঁৰ সাত বছৰ বয়সতে তেওঁ লাচিত বৰফুকনৰ বিষয়ে পঢ়িছিল। কিন্তু স্নাতক পৰ্যায়ত লাচিত বৰফুকনৰ কথা কোনো পাঠ্যপুথিতে অন্তৰ্ভুক্ত কৰা হোৱা নাছিল। শ্বাহ কয়, "এসময়ত লাচিত বৰফুকনৰ খ্যাতি অসমতে সীমাবদ্ধ আছিল, কিন্তু আজি তেওঁৰ জীৱন কাহিনী ২৩টা ভাষাত অনুবাদিত হৈছে আৰু আঠখন ৰাজ্যৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰা হৈছে।" উল্লেখ্য যে, অসমৰ পৰা শ্বাহে মিজোৰামলৈও যাব, কিন্তু মণিপুৰ নাযায়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# আন্ধাৰৰ সুযোগ লৈ কণকণ ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়া পাঠ্যপুথি বিক্ৰী প্ৰধান শিক্ষকৰ

**ই-সংবাদ, কলগাছিয়া, ১৫ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়াত অৱস্থিত ৰূপসী প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত পুব ৰামপুৰ ছোৱালী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আকাব্বৰ আলীয়ে বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীক চৰকাৰে শেষাংশ ৮ পৃষ্ঠাত

# সাহিত্যকৰ্মী নজিবুৰ ৰহমানৰ দুৰ্ঘটনাত মৃত্যু

**ই-সংবাদ, কামপুৰ ১৫ মাৰ্চঃ** আজি বিয়লি প্ৰায় ২.৪৫ মিনিটত কঠীয়াতলীৰ পৰা ৰাঙলুৰ নিজ গৃহলৈ নিজা এ এছ ০২ এম ৩০৪৪ নম্বৰৰ চাৰি চকীয়া বাহন খনেৰে গৈ থকা অৱস্থাত ফইজুল হক (৪০) নামৰ ৰাঙলু গাঁৱৰ লোকজনক শেষাংশ ৮ পৃষ্ঠাত

# আলু ভাজা খাই হোলী উপভোগ মন্ত্ৰী ৰণজিৎ দাসৰ

**ই-সংবাদ, বৰপেটাৰোড, ১৫ মাৰ্চঃ** বৰপেটাৰোড শাখা সত্ৰত ৪ দিনীয়াকৈ শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি যোৱা পৰহি আতচ বাজি, মেজি জ্বলাই গোন্ধযাত্ৰা অনুষ্ঠিত কৰে। ১৪ আৰু ১৫ শেষাংশ ৮ পৃষ্ঠাত

# বিদ্যুতেৰে মাছ ধৰি কোকৰাঝাৰত যুৱকৰ মৃত্যু

**ই-সংবাদ, কোকৰাঝাৰ, ১৫ মাৰ্চঃ** বৈদ্যুতিক পৰিবাহী তাঁৰেৰে নদীত বিদ্যুত সৰবৰাহ কৰি গৌৰাং নৈত মাছ ধৰিবলৈ গৈ বিদ্যুৎপৃষ্ট হৈ কৰুণ মৃত্যুক সাৱটি ললে ছলিম সেখ(৩৫) নামৰ এজন যুৱকে। মৃত শেষাংশ ৭ পৃষ্ঠাত



ৰাজ্যিক বাজেট সন্দৰ্ভত কলিয়াবৰ বিজেপিয়ে সংবাদমেল সম্বোধন কৰাৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, পুৰণিগুদাম

## অইলৰ বিৰুদ্ধে অভিযোগ আনি সৰৱ ছাত্ৰ মুক্তি

# বিতৰ্কিত প্ৰতিষ্ঠানক নিযুক্তি পৰীক্ষাৰ ঠিকা

**ই-সংবাদ, দুলীয়াজান, ১৫ মাৰ্চঃ** শেহতীয়াভাৱে কেইবাবাৰো বিসংগতিপূৰ্ণভাৱে নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ অভিযোগে বিতৰ্কৰ আৱৰ্তত ৰখা মহাৰত্ন উদ্যোগ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডৰ ওপৰত পুনৰ সৰৱ হৈ পৰিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি । বিগত ২০২৩ চনত এডুটেষ্ট নামৰ বিতৰ্কিত প্ৰতিষ্ঠানটোৰে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাত হোৱা ব্যাপক অনিয়ম ধৰা শেষাংশ ১০ পৃষ্ঠাত

# বেলি আৰু বতাহৰ যুঁজ! প্ৰাৰ্থিত্ব সন্দৰ্ভত মিত্ৰজোঁটত টনা-আঁজোৰা

## ছিপাঝাৰৰ ৰাজনীতিত নাটকীয় মোৰ

**ই-সংবাদ, পশ্চিম দৰং, ১৫ মাৰ্চঃ** ছিপাঝাৰত বিজেপি মিত্ৰজোঁটৰ মাজত পঞ্চায়ত নিৰ্বাচনৰ সমান্তৰালভাৱে ২০২৬ ৰ বিধানসভা নিৰ্বাচনক লৈ আগতীয়াকৈ আৰম্ভ হৈছে প্ৰাৰ্থিত্বৰ কুচ-কাৱাজ। সমষ্টিটো এতিয়া বিজেপিৰ বাবে যেন অভেদ্য দুৰ্গ স্বৰূপ। যাৰ বাবে মিত্ৰজোঁটৰ পৰা যিয়ে প্ৰাৰ্থিত্ব পায়, তেওঁৱেঁই জয়ী হোৱাটো আজিৰ দিনটোত এক প্ৰকাৰ নিশ্চিত বুলিয়েই ক'ব লাগিব। এনে সময়ত বিজেপি মিত্ৰজোঁটত প্ৰায় এবছৰ আগতেই প্ৰাৰ্থিত্বক লৈ খদমদম লগাই তোলা পৰিলক্ষিত শেষাংশ ৭ পৃষ্ঠাত

# ১১ বছৰে সম্পূৰ্ণ নহ'ল ৯৬ কোটিৰ কেন্দ্ৰীয় প্ৰকল্পৰ কাম

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৫ মাৰ্চঃ** তিনিচুকীয়া পৌৰসভাৰ কাৰ্যালয়ত পৌৰপতি পুলক চেতিয়াই আজি এক সংবাদ মেল অনুষ্ঠিত কৰে। সংবাদ মেলত পৌৰপতি গৰাকীয়ে কয় যে, ২০১৪ চনৰ পৰা তিনিচুকীয়া চহৰত আৰম্ভ কৰা পানী যোগান আঁচনিৰ শেষৰ পৰ্যায়ত শেষাংশ ৮ পৃষ্ঠাত

## হোলীৰ আনন্দৰ মাজতে অঘটন

# বৰপেটাৰোডত দুই যুৱকৰ সলিল সমাধি

**ই-সংবাদ, বৰপেটাৰোড, ১৫ মাৰ্চঃ** হোলীৰ আনন্দৰ মাজতে বৰপেটাৰোডত সংঘটিত হয় এক অঘটন। বৰপেটাৰোডৰ সমীপৰ কেটেল ফাৰ্মাৰ বেঁকী নদীৰ ঘাটত বেঁকী নৈত সলিল সমাধি ঘটে দুই যুৱকৰ। হোলী খেলি দুপৰীয়া তিনি যুৱকে কাষৰ বেঁকী নদীত গা ধুৱলৈ গৈছিল। হোলী খেলি বেঁকী নদীত গা ধুৱলৈ গৈ নদীৰ সোঁতত উটি যায় দুই যুৱক। যুৱক দুজনৰ এজন মৃদুল ৰাজবংশী (২২) আৰু আনজন কৌশিক দাস (১৬) বুলি চিনাক্ত। আনহাতে, দেৱ শৰ্মা নামৰ আন এজন যুৱক পাৰত আছিল। যুৱকজনে দুই যুৱকৰ গা শেষাংশ ৮ পৃষ্ঠাত

# লক্ষ্য এবছুৰ অধিৱেশন, আজি কোকৰাঝাৰলৈ অমিত শ্বাহ

**ই-সংবাদ, কোকৰাঝাৰ, ১৫ মাৰ্চঃ** কোকৰাঝাৰ জিলাৰ দোতমাৰ বডোফা পথাৰত অনুষ্ঠিত হোৱা এবছুৰ কেন্দ্ৰীয় অধিৱেশনৰ আজি তৃতীয় দিনা লোকে লোকাৰণ্য হৈ পৰে অধিৱেশনথলী। বিৰ দি বাট নোপোৰা অধিৱেশনথলীত আজি কাৰ্যসূচী অনুসৰি প্ৰায় এক হাজাৰ প্ৰাক্তন এবছুৰ নেতা-কৰ্মীক উষ্ম সম্বৰ্ধনা জনোৱা হয়। ইয়াৰোপৰি এবছুৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে "এবছুৰ ইতিহাস আৰু বড়োলেণ্ড



আন্দোলন ,১৯৬৭ চনৰ পৰা ১৯৯৩ চনলৈ(প্ৰথম খণ্ড) নামৰ প্ৰায় এহাজাৰ পৃষ্ঠাৰ এখন বৃহৎ কলেৱৰৰ গ্ৰন্থ উন্মোচন কৰে বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰীয়ে। উক্ত একহাজাৰ পৃষ্ঠাৰ গ্ৰন্থখনৰ পাতে শেষাংশ ৭ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# লক্ষ্য এবছুৰ অধিৱেশন, আজি

পাতে এবছুৰ গঠন, অতীতৰ পৰা বৰ্তমানলৈ এবছুৰ ইতিহাস আৰু সংগ্ৰাম খোদিত হৈছে। এবছুৰ সভাপতি দ্বীপেন বড়োৱে সদৰি কৰা মতে প্ৰায় এক হাজাৰ পৃষ্ঠাজোৰা এবছুৰ ইতিহাস আৰু বড়োলেণ্ড আন্দোলন , ১৯৬৭ চনৰ পৰা ১৯৯৩ চনলৈ গ্ৰন্থখন এখন ঐতিহাসিক গ্ৰন্থৰূপে বিবেচিত হ'ব উক্ত গ্ৰন্থখনত এবছুৰ দীঘলীয়া ইতিহাস, কি পৰিস্থিতিত এবছুৰ জন্ম হৈছিল , এবছুৰ প্ৰথম সভাপতি বানেশ্বৰ বসুমতাৰীৰ পৰা ১৯৯৩ চনলৈ এবছুৰ ইতিহাস লিপিবদ্ধ হৈ আছে। ইয়াৰোপৰি অধিবেশনতে "বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম আৰু ভাইব্ৰেন্ট বড়ো জনগোষ্ঠীৰ সপোন" সন্দৰ্ভত এক আলোচনা চক্ৰ অনুষ্ঠিত হয় আৰু উক্ত আলোচনাচক্ৰ উন্মোচন কৰে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। উক্ত আলোচনাচক্ৰত বিশেষ অতিথি হিচাপে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সাংসদ ৰৌণগৌৰা নাৰ্জাৰীকে ধৰি আন বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই সন্দৰ্ভত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে এবছুৰ উদ্যোগক প্ৰশংসা কৰি ১৯৬৭ চনৰ পৰা বৰ্তমানলৈকে এবছুৱে বড়ো জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে কাম কৰি আহিছে । এবছুৱে অকল বড়ো জনগোষ্ঠীৰ কথা নাভাৱি একেলগে বসৱাস কৰা আন সকলো জনগোষ্ঠীৰ কথা সমানে চিন্তা কৰে বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে শান্তি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এবছুৰ প্ৰভূত অৰিহণা আছে বুলি মন্তব্য কৰিছে।

ইপিনে বিয়লিৰ ভাগত "বিটিআৰত বসবাস কৰা সম্প্ৰদায়ৰ উন্নয়নৰ বাবে শান্তি, সম্প্ৰীতি, সমৃদ্ধিৰ বুজাবুজি আৰু আগবঢ়াৰ পথ" সন্দৰ্ভত এক আলোচনাচক্ৰ অনুষ্ঠিত হয় য'ত ট্ৰাইবেল সংঘৰ সচিব প্ৰধান আদিত্য খাখলাৰী , আছুৰ সভাপতি উৎপল শৰ্মা আদিকে ধৰি প্ৰায়ভাগ ছাত্ৰ সংগঠনৰ নেতৃবৰ্গ উপস্থিত থাকে। ইপিনে আজি নিশা অনুষ্ঠিত হ'ব এবছুৰ প্ৰতিনিধি সভা। উক্ত প্ৰতিনিধি সভাতে আগন্তুক দুটা বৰ্ষৰ বাবে কেন্দ্ৰীয় কমিটি নতুনকৈ গঠন কৰা হ'ব। এবছুৰ সভাপতি দ্বীপেন বড়োৱে সদৰি কৰা মতে আজি নিশাৰ ভাগত অনুষ্ঠিত হ'বলগীয়া এবছুৰ নতুন কেন্দ্ৰীয় সমিতি গঠন কৰাৰ হ'ব আৰু এইক্ষেত্ৰত নতুন প্ৰজন্মক প্ৰাধান্য দিয়া হ'ব। আনহাতে কাইলৈ অৰ্থাৎ ১৬ মাৰ্চত এবছুৰ কেন্দ্ৰীয় অধিবেশন উপলক্ষে মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাৰ পূৰ্বে এক বাৰেৰহণীয়া সাংস্কৃতিক সমদল বাহিৰ হ'ব । ইয়াৰ পিছতে দুপৰীয়া ১২ বজাত অনুষ্ঠিত হ'ব বহুচৰ্চিত মুকলি সভা য'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিশেষ অতিথি হিচাপে উপস্থিত থাকিবমুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। ইয়াৰোপৰি মুকলি সভাত কেবাগৰাকী মন্ত্ৰী, সাংসদ উপস্থিত থাকিব। গৃহমন্ত্ৰীৰ কোকৰাঝাৰৰ আগমনক লৈ ইতিমধ্যে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্নিফাৰ ডগেৰেও তালাচী অভিযান অব্যাহত আছে। অধিবেশনথলীত দুখনকৈ হেলিপেড নিৰ্মান কৰা হৈছে। হেলিপেডৰ পৰা চিধাই মঞ্চত উঠিবলৈ নতুনকৈ নিৰ্মান কৰা হৈছে চি চি ব্লকৰ পথ। প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে আৰু মুকলি সভাত প্ৰায় দুইলাখ লোক উপস্থিত থাকিব বুলি সদৰি কৰিছে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। তেওঁ এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত সদৰি কৰা মতে গৃহমন্ত্ৰী অমিত শ্বাহ একবজাত অধিবেশনথলীত উপস্থিত হ'ব। এয়া গৃহমন্ত্ৰীৰ পঞ্চবাৰৰ বাবে বড়োলেণ্ড ভ্ৰমণ বুলি সদৰি কৰি প্ৰমোদ বড়োৱে পূৰ্বতে কোনো কেন্দ্ৰীয় মন্ত্ৰীয়ে বড়োলেণ্ডত অহা নাছিল। প্ৰধানমন্ত্ৰী , গৃহমন্ত্ৰীৰ বড়োলেণ্ড অঞ্চললৈ মৰম -ভালপোৱা আছে বাবেই তথা শান্তি-উন্নয়ন পৰ্যালোচনা কৰি মাগদৰ্শন কৰিবলৈ কাইলৈ গৃহমন্ত্ৰী কোকৰাঝাৰত উপস্থিত হ'ব আৰু বড়োলেণ্ডবাসীয়ে আন্তৰিকাৰে আদৰিবলৈ ৰৈ আছে বুলি মন্তব্য কৰিছে প্ৰমোদ বড়োৱে। আনহাতে এবছুৰ সভাপতি দ্বীপেন বড়োৱে কয় যে বিটিআৰ চুক্তিৰ অৱশিষ্ট কেইটামান দফা ৰূপায়ন কৰিবলৈ বাকী থকাৰ সময়তে গৃহমন্ত্ৰীৰ এই ভ্ৰমন ঐতিহাসিক হ'ব বুলি মন্তব্য কৰিছে। কাইলৈৰ দিনটো বড়োলেণ্ডবাসীৰ বাবে সন্মানৰ দিন বুলিও মন্তব্য কৰিছে দ্বীপেন বড়োৱে। কাইলৈ গৃহমন্ত্ৰীয়ে সংবিধানৰ ১২২ তম সংশোধনীৰ কথা ঘোষণা কৰি বিটিআৰ চুক্তিৰ অৱশিষ্ট দফা ৰূপায়ণ সন্দৰ্ভত মত ব্যক্ত কৰাৰ সম্ভাৱনা থকাৰ লগতে নতুন দিল্লীৰ এটা পথ "বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম"ৰ নামেৰে নামাংকিত কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিদ্যুতেৰে মাছ ধৰি কোকৰাঝাৰত

যুৱকজনক গৌৰাং নৈৰ দাঁতিকাষৰীয়া বাগিছা গাঁৱৰ বুলি জানিব পৰা গৈছে। উল্লেখ্য যে কালি নিশা আলিম হুছেইন ভূঞা, মালেক ভূঞা, মফিজুল আলি সেখ আৰু ছলিম সেখে গৌৰাং নদীত বিদ্যুত সৰবৰাহ কৰি মাছ ধৰিবলৈ মনস্থ কৰিছিল। সেইমতে বিদ্যুত পৰিবাহী তাঁৰৰে বহু দূৰৰ পৰা বিদ্যুত সংযোগেৰে নিশা প্ৰায় ১০ মান বজাত মাছ মাৰি থাকোতেই বিদ্যুৎপৃষ্ঠ হৈ ইয়াৰে ছলিম সেখ নামৰ যুৱকজনে অকাল মৃত্যুক সাৱটি লয়।ইপিনে উক্ত ঘটনাত গৌৰাং নৈত বিদ্যুৎপৰিবাহী তাঁৰৰে মাছ ধৰিবলৈ যোৱা আন তিনি যুৱকৰ কথমপি প্ৰাণৰক্ষা হয়। ইতিমধ্যে মৃতদেহটো আৰক্ষীয়ে উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। মাছ ধৰিবলৈ গৈ অকাল মৃত্যুক সাৱটি লোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু মৃত যুৱকজনে ইহজগতত পত্নীসহ এটি কনমানি পুত্ৰ সন্তান এৰি থৈ যায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বেলি আৰু বতাহৰ যুঁজ! প্ৰাৰ্থিত্ব

হৈছে। প্ৰথমতে সমষ্টিটোৰ বৰ্তমানৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী আগন্তুক বিধানসভা নিৰ্বাচনৰ এগৰাকী শক্তিশালী প্ৰাৰ্থী বুলি সাত শতৰুৱেও ক'ব লাগিব। কাৰণ সমষ্টিটোত বিজেপিৰ সাংগঠনিক ভেটি শক্তিশালী কৰাত বিধায়কগৰাকীৰ যথেষ্ট অৰিহণা আছে আৰু যাৰ বাবে যোৱা লোকসভা নিৰ্বাচনত দলীয় প্ৰাৰ্থী দিলীপ শইকীয়াক এক লাখ এঘাৰ হাজাৰ ভোট দি নিজৰ স্থিতি প্ৰতিপন্ন কৰি থৈছে। ইয়াৰ বিপৰীতে বিজেপিৰ বেনাৰত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি ৰাইজৰ সেৱক হোৱাৰ দুৰ্বাৰ হেঁপাহ পুহি ৰাখিছে ছিপাঝাৰৰ নাৰিকলিৰ বনমালী শৰ্মাই। বিগত দুটা নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থিত্ব বিচাৰি মূৰকত আঁতৰি অহা বনমালী শৰ্মাই যেন আগন্তুক বিধানসভা নিৰ্বাচনত যেনে-তেনে নিৰ্বাচন খেলিবই। সেই লক্ষ্যৰে শৰ্মাই একাংশ ডেকাক লগত লৈ সমষ্টিটোৰ গাঁৱে গাঁৱে সোমাই নিজৰ তৎপৰতা আৰম্ভ কৰিছে। আনহাতে, এইবাৰ ছিপাঝাৰ সমষ্টিত বিজেপি মিত্ৰজোঁটৰ অংশীদাৰ দল অগপক এৰি দিয়াৰ বাবে দলটোৱে দাবী জনাব বুলি প্ৰকাশ। এসময়ত অগপৰ বাবে অভেদ্য দুৰ্গ ছিপাঝাৰত মিত্ৰজোঁটৰ অগপৰ বেনাৰত প্ৰতিদ্বন্দ্বিতা কৰাৰ মানসেৰে সমষ্টিটোৰ চাৰিবাৰৰ প্ৰতিনিধি ড০ জয়নাথ শৰ্মাই ছিপাঝাৰ পুনৰুদ্ধাৰ কৰিবলৈ দেহেকেহে লাগি পৰিছে। সমষ্টিটোৰ গাঁৱে গাঁৱে সোমাই বুথ কমিটী গঠন কৰি দলীয় ভেটি পুনৰ নিৰ্মাণ কৰাত নিয়োজিত হৈ পৰিছে। ৰাইজেও নেতাগৰাকীৰ ফালে মুখ ঘূৰাই ওচৰ চাপি অহাত ভবানুসৰি সমৰ্থন লাভ কৰিবলৈ সক্ষম হোৱা বুলি প্ৰকাশ পাইছে। ইতিমধ্যে আগন্তুক বিধানসভা নিৰ্বাচনত দৰঙত থকা সমষ্টিসমূহৰ পৰা জয়ী হ'ব পৰা আসন এখন বিজেপিয়ে অগপলৈ আগবঢ়াব বুলি হোৱা চৰ্চাই আঞ্চলিক দলটোৰ কৰ্মী-সমৰ্থক-শুভাকাংক্ষীসকলক উৎসাহিত কৰি তুলিছে। কিয়নো অগপৰ বাবে জয়ী হ'ব পৰা সমষ্টি যদি আছে তেন্তে ছিপাঝাৰেই হ'ব বুলি ক'ব লাগিব আৰু প্ৰাৰ্থিত্ব জয়নাথ শৰ্মাই যে পাব এই কথাও খাটাং। কথা হ'ল বৰ্তমান সময়ত ছিপাঝাৰ সমষ্টিত যিহেতু বিজেপিৰ বিধায়ক আছে আৰু বিজেপিৰ সাংগঠনিক ভেটিও যথেষ্ট শক্তিশালী অৱস্থাত। এনে সন্ধিক্ষণত বিজেপিয়ে মিত্ৰতা সূত্ৰে অগপক ছিপাঝাৰ এৰি দিবনে নে শেষ মুহূৰ্তত সমষ্টিটো নিজৰ হাতত ৰখাৰ স্বাৰ্থত কৌশলী ৰাজনৈতিক পন্থা অৱলম্বন কৰিব তাক লৈয়ো ৰাজনৈতিক তথ্য বিজ্ঞ মহলৰ মাজত চৰ্চা হৈছে। কাৰণ ৰাজনীতিত ভূমিকম্পৰ বাহিৰে আন সকলো সম্ভৱ বুলি কথা এষাৰ আছে। যি কথা ছিপাঝাৰতে ইতিপূৰ্বে ৰাইজে প্ৰত্যক্ষ কৰিছে। নিৰ্বাচনলৈ যিহেতু এটা বছৰ বাকী আছে, এনে সময়ত ছিপাঝাৰৰ ৰাজনীতিৰ নিৰ্বাচনী বতাহ কোনদিশে গতি লয়, তাক অৱশ্যে এতিয়াই সঠিককৈ ক'ব পৰা নাযাব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আলু ভাজা খাই হোলী উপভোগ মন্ত্ৰী

মাৰ্চত ভৰদৌল পালন কৰাৰ পিছত কাইলৈ সুৱেৰী (ফাকুৱা)উৎসৱ পালন কৰা হ'ব। কালি ভৰদৌল উপলক্ষে বৰপেটাৰোডৰ শাখা সত্ৰত সহধৰ্মিনীৰ সৈতে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত হৈ সেৱা জনায় আৰু বৰপেটাৰ পৰম্পৰাগত আলু ভাজা খাই হোলী উপভোগ কৰে। তদুপৰি বৰপেটাৰোড ৰবীন্দ্ৰ স্মৃতি মঞ্চৰ উদ্যোগত প্ৰগতি সংঘৰ দ্বাৰা আয়োজন কৰা 'বসন্ত উৎসৱ'ত অংশগ্ৰহণ কৰে মন্ত্ৰীগৰাকীয়ে। তেওঁ সাংবাদিকৰ আগত হোলী সম্পৰ্কে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰথম বটদ্ৰৱাত হোলী উৎসৱ আয়োজন কৰিছিল। পৰৱৰ্তী সময়ত বৰপেটাৰ সকলো শাখা সত্ৰত সনাতন ধৰ্মৰ কৃষ্ণ মন্দিৰত দৌল উৎসৱ পালন কৰা হয়। এই হোলী গীত বৰপেটাত প্ৰথম সৃষ্টি হৈছিল অসমীয়া ভাষাত আৰু এয়া প্ৰথম প্ৰৱৰ্তন কৰিছিল অম্বিকাগিৰি ৰায় চৌধুৰীয়ে। তাৰ পিছতেই কিন্তু বৰপেটা সত্ৰ শাখা সত্ৰসমূহত আলু ভাজা প্ৰৱৰ্তন হৈছিল, বৰপেটাৰ আলু ভাজা বুলি ক'লে সকলোৰে প্ৰিয়। আজি মুখ্যমন্ত্ৰীয়ে বৰপেটাত আহি আলু ভাজাৰ খবৰ লৈছিল। আজি বৰপেটাৰোড শাখা সত্ৰতো আলু ভাজা তৃপ্তিৰে খাই বহুত ভাল লাগিল বুলি কয় মন্ত্ৰীগৰাকীয়ে। ফাকুৱা উপলক্ষে বৰপেটাৰোডত আয়োজন কৰা বসন্ত উৎসৱৰ বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সাহিত্যকৰ্মী নজিবুৰ ৰহমানৰ দুৰ্ঘটনাত

বচাবলৈ গৈ চিংৰা পট্টিৰ ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ এজোপা গছত খুন্দা মৰাৰ ফলত চালকৰ আসনত থকা নজিবুৰ ৰহমান গুৰুত্বৰ ভাৱে আহত হয় অন্যহাতে চাইকেল আৰোহী জনো আহত হোৱাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ৰাঙলু শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, নগাঁও জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, ৰাঙলু হাইস্কুলৰ অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক, কঠীয়াতলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক, সাহিত্য সভাৰ একনিষ্ঠ সেৱক নজিবুৰ ৰহমান ৰাঙলু অঞ্চলৰ এজন জনপ্ৰিয় সমাজ সেৱক। দুৰ্ঘটনাত গুৰুত্ব ভাৱে আহত ৰহমানক চিকিৎসকেততালিকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰিছিল যদিও চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ আগতেই মৃত্যু হয়। মৃত্যুৰ সময়ত ৰহমানৰ বয়স ৬৩ বছৰ হৈছিল। অঞ্চলটোৰ এজন জনপ্ৰিয় সমাজ সেৱকৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত পত্নী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী আনোৱাৰা বেগম, এজন পুত্ৰ তিনি গৰাকী কন্যা জোৱাই নাতি নাতিনী আৰু বহু আত্মীয়ক এৰি থৈ যায়। নজিবুৰ ৰহমানৰ আকস্মিক মৃত্যুত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি শৰৎ বৰকটকী, সম্পাদক ৰাজীৱ হাজৰিকা, উপ-সভাপতি মৃনালকুমাৰ হাজৰিকা, নগাঁও জিলা আঞ্চলিক কাৰ্যালয় সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, ৰাঙলু উচ্চ মাধ্যমিক বিদ্যালয়, ৰাঙলু শাখা সাহিত্য সভা, নিজকঠীতলী শাখা সাহিত্য সভা, কঠীয়াতলী আঞ্চলিক শাখা সাহিত্য সভা, কঠীয়াতলী প্ৰেছ ক্লাব, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, ৰাঙলু গ্ৰাম বিকাশ পৰিষদ, ডঃ এ পি জে আব্দুল কালাম একাডেমীৰ লগতে বহু দল সংগঠনে শোক প্ৰকাশ কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আন্ধাৰৰ সুযোগ লৈ কণকণ ছাত্ৰ-ছাত্ৰীৰ

বিনামূলীয়াকৈ বিতৰণৰ বাবে দিয়া কেইবা বস্তা চৰকাৰী কিতাপ বৃহস্পতিবাৰে নিশাৰ ভাগত এন্ধাৰৰ সুযোগ লৈ গাঁওখনৰ আজাহাৰ আলী নামৰ এজন ব্যক্তিৰ ওচৰত বিক্ৰী কৰে বুলি অভিযোগ উত্থাপন হৈছে। আজাহাৰ আলীয়ে ৰাতি এখন ই-ৰিক্সাৰে কিতাপসমূহ লৈ যোৱা অৱস্থাত স্থানীয় ৰাইজে ৰামপুৰ বজাৰত হাতে-লোটে ধৰা পেলায়। আন্ধাৰৰ সুযোগ লৈ আজাহাৰ আলীয়ে পলায়ন কৰে যদিও ই-ৰিক্সা চালকজন আটক হয়। পিছে ই-ৰিক্সা চালকে চৰকাৰী কিতাপসমূহ প্ৰধান শিক্ষক আকাব্বৰ আলীৰ ঘৰৰ পৰা আজাহাৰ আলীয়ে ক্ৰয় কৰি ই-ৰিক্সাত তুলি দিছে বুলি প্ৰকাশ কৰে। ঘটনাক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে, পুব ৰামপুৰ ছোৱালী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আকাব্বৰ আলীয়ে কিছুদিন পূৰ্বে নিজ বিদ্যালয়ৰ এগৰাকী ছাত্ৰীক ধৰ্ষণ কৰাৰ অভিযোগত পলাতক হৈ আছে। ধৰ্ষণৰ গোচৰ নিষ্পত্তি নৌহওঁতেই আকৌ চৰকাৰে দিয়া বিনামূলীয়া পাঠ্যপুথি বিক্ৰীৰ দৰে এক নিকৃষ্ট কামত লিপ্ত হোৱাত স্থানীয় ৰাইজে শিক্ষকগৰাকীৰ কঠোৰ শাস্তি দাবী কৰিছে। প্ৰধান শিক্ষক আকাব্বৰ আলী পলাতক হৈ আছে যদিও তেওঁৰ নিৰ্দেশত পৰিয়ালৰ লোকে আজাহাৰ আলীৰ ওচৰত কিতাপসমূহ বিক্ৰী কৰা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। ইফালে ই-ৰিক্সা চালকক ৰাইজে আটক কৰাৰ পিছত বৰভিঠা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ই-ৰিক্সাৰ পৰা চাৰি বস্তা কিতাপ, দুটা দমকল, বিদ্যালয়ৰ পুৰণা খিৰিকী, ৰ'ড আদি উদ্ধাৰ কৰি ই-ৰিক্সাসহ থানালৈ লৈ যায়। শিক্ষক আকাব্বৰ আলীয়ে নতুন পাঠ্যপুথিসমূহ ছাত্ৰ-ছাত্ৰীক বিতৰণ নকৰি গোপনে বিক্ৰীৰ বাবে নিজৰ ঘৰত ৰাখিছিল বুলি বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলে জানিবলৈ দিছে। নিশা আকাব্বৰ আলীয়ে তেওঁৰ ঘনিষ্ঠ আজাহাৰ আলীৰ ওচৰত পাঠ্যপুথিসমূহ বিক্ৰী কৰে যদিও ৰাইজৰ হাতত ধৰা পৰে। সম্প্ৰতি ৰাইজে আজাহাৰ আলী আৰু পলাতক অৱস্থাত থকা আকাব্বৰ আলীক গ্ৰেপ্তাৰ কৰি উপযুক্ত শাস্তি বিহিবলৈ দাবী জনাইছে। এইগৰাকী প্ৰধান শিক্ষকৰ বিৰুদ্ধে প্ৰশাসনে কি ব্যৱস্থা লয়, সেয়াহে লক্ষণীয় হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ১১ বছৰে সম্পূৰ্ণ নহ'ল ৯৬ কোটিৰ

আঁচনিখন কাৰ্যকৰী কৰোঁতে বাট-পথৰ বিস্তৰ ক্ষতি হোৱাত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে। পানীৰ পাইপ পুতিবলৈ বিভিন্ন ঠাইত জনসাধাৰণ অহা-যোৱা কৰা পথ খান্দি দিয়াত তিনিচুকীয়াত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বৰ্তমান পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে ক্ষতিগ্ৰস্ত বাট-পথসমূহ পৌৰসভাই পুনৰ নিৰ্মাণ কৰিব। কেন্দ্ৰীয় চৰকাৰৰ ডনাৰ মন্ত্ৰণালয়ৰ ৯৬.১৯ কোটি টকাৰে ২০১৪ চনতে আৰম্ভ কৰা আঁচনিখন ১১ বছৰে সম্পূৰ্ণ হৈ নুঠিল। বৰ্তমান আঁচনিখন সফল কৰি তুলিবলৈ পৌৰসভাই চিন্তা কৰিবলগীয়া হোৱাটো মন কৰিবলগীয়া। পৌৰপতি গৰাকীয়ে জনোৱা মতে, চহৰখনৰ যান-জটৰ সমস্যা সমাধানৰ বাবে ভেণ্ডৰ জ'ন, পাৰ্কিং, ন'-পাৰ্কিঙৰ জ'ন অচিৰেই নিশ্চিত কৰিব। তাৎপৰ্যপূৰ্ণ যে, পৌৰসভাই সাহসী আৰু দৃঢ় পদক্ষেপ গ্ৰহণ কৰিলেহে উচ্ছৃংখল চহৰখনে গতি লাভ কৰিব। অৱশ্যে নতুন পৌৰপতি গৰাকীয়ে পথৰ কাষত থকা ড্ৰেইন বিলাক নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বৰপেটাৰোডত দুই যুৱকৰ সলিল

ধোৱা ভিডিঅ' কৰি আছিল, সেই সময়তেই নদীৰ সোঁতত উটি যায় দুই যুৱক। কিছুসময় পিছত স্থানীয় লোকে খবৰ পাই বৰপেটাৰোড আৰক্ষীক খবৰ দিয়ে। তাৰ পিছত স্থানীয় ৰাইজৰ সহযোগত কেবা ঘণ্টা ধৰি অভিযান চলোৱাৰ পিছত কৌশিক দাস আৰু মৃদুল ৰাজবংশী সন্ধান পোৱা যায়। বৰপেটাৰোড আৰক্ষী উপস্থিত হৈ দুই যুৱকক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে দুয়োকে মৃত বুলি ঘোষণা কৰে। মৃত কৌশিক দাস নৱম শ্ৰেণীৰ ছাত্ৰ আছিল। আনহাতে, মৃদুল ৰাজবংশী পেছাত ব্যৱসায়ী আছিল। যুৱক দুজনৰ মৃত্যুৰ বাতৰিয়ে অঞ্চলটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে।

# ঠিকাদাৰৰ গাফিলতি, কলগাচিয়াত বিদ্যুৎকৰ্মীৰ অপমৃত্যু

**ই-সংবাদ, কলগাছিয়া, ১৫ মাৰ্চঃ** বিদ্যুতৰ খুঁটা মূৰত পৰি কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত গুনিয়ালগুৰিৰ এজন যুৱকৰ মৃত্যু হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত গুনিয়ালগুৰি গাঁৱৰ আহাম্মদ আলীৰ পুত্ৰ ইমদাদুল হকে গোলাঘাটত এইচ বি কনচট্ৰাকচন নামৰ এটা কোম্পানীত বিদ্যুত বিভাগৰ শ্ৰমিক কৰ্মচাৰী হিচাপে কাম কৰি আছিল। বুধবাৰে গোলাঘাটত এখন গাড়ীৰ পৰা বিদ্যুতৰ খুঁটাসমূহ নমাই থকা অৱস্থাত হঠাতে এটা খুঁটা বাগৰি মূৰৰ ওপৰত পৰাত যুৱকজনে মৃত্যুক সাবটি ল'ব লগা হয়। উল্লেখ্য যে, কোম্পানীটোৰ ঠিকাদাৰ হৰ্ষ জ্যোতি বৈশ্যই বিদ্যুতৰ খুঁটা পোতা কাম কৰা শ্ৰমিকসকলক হেলমেট, ছেপ্টিজেকেট আদি প্ৰদান নকৰাৰ ফলত এই ঘটনা সংঘটিত হৈছে বুলি পৰিয়ালৰ লগতে ৰাইজে অভিযোগ উত্থাপন কৰিছে। সেয়ে কোম্পানী আৰু বিদ্যুৎ বিভাগৰ ঠিকাদাৰৰ গাফিলতিৰ বাবে যুৱকজনৰ মৃত্যু হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। মৰণোত্তৰ পৰীক্ষা কৰি যুৱকজনৰ মৃতদেহ গুনিয়ালগুৰিৰ নিজ গৃহলৈ লৈ অহাত অঞ্চলটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। ইপিনে, ৰহস্যজনকভাৱে মৰণোত্তৰ পৰীক্ষাৰ নথিসমূহ কোম্পানীটোৱে লৈ যোৱা বুলি পৰিয়ালৰ লোকে আন এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ইফালে, যুৱকজনৰ মৃত্যুত পৰিয়ালৰ লোক শোকত ভাগি পৰিছে। স্থানীয় ৰাইজে উক্ত কোম্পানীটোৰ বিৰুদ্ধে অচিৰেই বিহিত ব্যৱস্থা লোৱাৰ লগতে দুৰ্ভগীয়া পৰিয়ালটোক শীঘ্ৰে এককালীন সাহায্য প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনাইছে।

# মৃত্যু বাৰ্ষিকীত চামতাত বিশিষ্ট নাট্যশিল্পী ৰমনী বৰ্মনক স্মৰণ

**ই- সংবাদ চামতা, ১৫ মাৰ্চঃ** লোক-পৰিৱেশ্য কলাক উপযুক্ত কৌশলী শৈলীৰে নাটকত উপস্থাপন কৰি অগতানুগতিক নাট্য ধাৰাৰে অসমীয়া নাট্য ক্ষেত্ৰখনলৈ অনবদ্য অৱদান আগবঢ়াই অনন্য কৃতিত্ব অৰ্জন কৰা ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ ছাত্ৰ, চামতাৰ প্ৰয়াত নাট্যশিল্পী ৰমনী বৰ্মনৰ একাদশ বাৰ্ষিক মৃত্যু দিৱসটো আজি সন্ধিয়া চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাৱ প্ৰাংগনত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰুস্মৃতিচাৰণ অনুষ্ঠানৰে অনুষ্ঠিত কৰা হয়। আশী-নব্বৈৰ দশকতে চং, শুনা শুনা সভাসদ, যদুকুল, কৃষ্ণগুৰু, বেয়া মানুহ আদি ভালেসংখ্যক মঞ্চসফল নাটক পৰিচালনাৰে ৰাজ্য তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ খ্যাতি অৰ্জন কৰা অসম নাট্য সন্মিলনৰ 'মোহন ভাইৰা বঁটা' প্ৰাপক বিৰল নাট্য প্ৰতিভাৰ অধিকাৰী চামতাৰ প্ৰয়াত নাট্যশিল্পী ৰমনী বৰ্মন আছিল এগৰাকী নিষ্ঠাৱান নাট্য সংগঠক, নাট্যকাৰ আৰু অভিনেতা। আজি সন্ধিয়া পশ্চিম নলবাৰী প্ৰেছ ক্লাৱত অনুষ্ঠিত বৰ্মনৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ১১ গচি বন্তি প্ৰজ্বলন কৰে ৰমনী বৰ্মনৰ সহধৰ্মিনী মিনাক্ষী বৰ্মন, পশ্চিম নলবাৰী প্ৰেছ ক্লাৱৰ সভাপতি ৰমনী বৰ্মন, কৈহাটীৰ বিশিষ্ট কামৰূপীয়া ঢুলীয়া শিল্পী ৰমনী দাস, ওজাপালি শিল্পী বিশ্বেশ্বৰৰ প্ৰভাত হালৈ, ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ সভাপতি দীপক কুমাৰ শৰ্মা, শ্ৰীমন্ত কলানিকেতনৰ কাৰ্যকৰী সভাপতি উমেশ দত্ত, চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সহকাৰী সম্পাদক কুলেশ তালুকদাৰ, অসম নাট্য সন্মিলন চামতা শাখাৰ সম্পাদক মুকুল বৰ্মন, কুলবিলঘাট ৰাজহুৱা শিৱালয়ৰ মুখ্য উপদেষ্টা বলেন কুমাৰ গোস্বামী, প্ৰয়াত ৰমনী বৰ্মনৰ জ্যেষ্ঠ ভগ্নি ৰেনু বৰ্মন, শ্ৰীমন্ত কলা নিকেতনৰ প্ৰবীন শিল্পী ঘন বৈশ্যই। পুস্পাঞ্জলি পৰদান কৰে শ্ৰীমন্ত কলা নিকেতনৰ সম্পাদক আৰু সদস্য ক্ৰমে জয়ন্ত তালুকদাৰ, শৰৎ শৰ্মা,নৰকান্ত বৰ্মন, ৰাজেন বৈশ্য, গৌতম বৰ্মন, ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ প্ৰতিনিধি অমৰেন্দ্ৰ চক্ৰবৰ্ত্তী, খগেন ভাগৱতী, ৰূপকোঁৱৰ কলা পৰিষদৰ প্ৰাক্তন সম্পাদক অনন্ত বৰ্মন, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমেদ, পশ্চিম নলবাৰী যুৱ সমাজৰ প্ৰতিনিধি নুৰুল ইছলাম, ৰমনী বৰ্মনৰ সহপাঠী, লোক গীতৰ শিল্পী বীৰেন তালুকদাৰ, নাট্যকাৰ, চিত্ৰ শিল্পী বিনয় শৰ্মা, চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সম্পাদক আৰু যুটীয়া সম্পাদক ক্ৰমে বিকাশ ভট্টাচাৰ্য, বিনয় ভুষণ দত্ত, নাট্য শিল্পী সোন আহমে, দীপু বৰা, চামতা আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি এম হাচান আলী, আকাশ এক কলাত্মক অনুষ্ঠানৰ অধ্যক্ষ চন্দন প্ৰয়াস, পশ্চিম নলবাৰী প্ৰেছ ক্লাৱৰ সম্পাদক, অনিমেষ বৰ্মন, উপদেষ্টা গনেশ বৰ্মন, দীপেন মেনা, প্ৰদীপ বৰ্মন, জোন কুমাৰ হালৈ, ৰাজীৱ দত্ত, তপন কুমাৰ শৰ্মা, দিগন্ত বৰ্মন, মনোজ চক্ৰৱৰ্তী, দ্বীপজ্যোতি বৰ্মন, হিৰেন বৰ্মন, নেতাজী দত্ত, ৰূপক বৈশ্য, সৃষ্টি ডেন্স এণ্ড ড্ৰামা ফাউণ্ডেচনৰ অধ্যক্ষ হিৰণ্য ৰাজ বৰ্মন, নিবেদিতা দিম্পল, জোনালী বৰ্মন আদিয়ে। ইয়াৰ পিছতে পশ্চিম নলবাৰী প্ৰেছ ক্লাৱৰ উপদেষ্টা গনেশ বৰ্মনৰ পৌৰহিত্যত অনুষ্ঠিত হয় স্মৃতিচাৰণ সভা । সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰু সভাখনৰ আত ধৰে ৰাজেন বৈশ্যই। সভাৰ আৰম্ভনিতে লোক শিল্পী ঘন বৈশ্যাই এটি ঘোষা পৰিৱেশন কৰি সভা খনক এক অনন্য মাত্ৰা প্ৰদান কৰে। সভাত ২০১৪ চনৰ ১৪ মাৰ্চত স্বৰ্গগামী হোৱা বিশিষ্টনাট্য শিল্পী ৰমনী বৰ্মনৰ সহধৰ্মিনী মিনাক্ষী বৰ্মনে স্মৃতিচাৰণ কৰি ৰমনী বৰ্মনে চামতাত সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু কৃষি বিশ্ববিদ্যালয় গঢ়াৰ সোপন দেখিছিল আৰু তেনেদৰে এখোজ দুখজকৈ আগবাঢ়িছিল, কিন্তু নিয়তিয়ে তেওঁ অকালতে সিপুৰিলৈ নিলেবুলি কৈ আবেগিক হৈ পৰে। স্মৃতিচাৰণ বক্তব্য প্ৰদান কৰে দীপক কুমাৰ শৰ্মা, উমেশ দত্ত, অনন্ত বৰ্মন, ৰমনী বৰ্মন, ৰমনী দাস, প্ৰভাত হালৈ, নাট্য শিল্পী কুমুদ শইকীয়াই। সভাৰ মাজতে শিল্পী পেঞ্চনাৰ উমেশ দত্তই প্ৰয়াত ৰমনী বৰ্মনৰ জীৱনকলৈ নিজে ৰচনা কৰা এটি গীত আৰু বীৰেন তালুকদাৰে এটি কিমৰূপী লোক গীত পৰিৱেশন কৰে। স্মৃতি চাৰন অনুষ্ঠানৰ পিছতে বলেন কুমাৰ গোস্বামীক সভাপতি, ৰাজেন বৈশ্যক সম্পাদক, দুলাল ৰয়, নাট্যকাৰ কৰুনা ডেকা, ড° প্ৰমোদ হালৈ,ড° অৰনী কুমাৰ ভাগৱতী, অবিনাশ শৰ্মা, উমেশ দত্ত, পবিত্ৰ কুমাৰ ডেকা আদি কৰি কেবাগৰিকী বিজ্ঞ লোকক উপদেষ্টা হিচাবেলৈ ৪৫ জনীয়া সদস্যৰে প্ৰয়াত বিশিষ্ট নাট্য শিল্পী ৰমনী বৰ্মন স্মৃতিৰক্ষা সমিতি এখন গঠন কৰি হয়। এই সভাতে গনেশ বৰ্মনক সভাপতি, ৰাজেন বৈশ্যক কাৰযকৰী সভাপতি,বিনয় শৰ্মাক মুখ্য সম্পাদক, দ্বীপেন মেনাক সম্পাদক হিচাবেলৈ বিশিষ্ট নাট্য শিল্পী ৰমনী বৰ্মন সোঁৱৰনী গ্ৰন্থ সম্পাদনা সমিতি এখনো গঠন কৰা হয়।

# নগাঁও জিলাত ৰঙৰ উৎসৱত বিলীন সৰ্বস্তৰৰ জনতা

**ই-সংবাদ, বেবেজীয়া, ১৫ মাৰ্চঃ** ৰঙৰ উৎসৱ ফাকুৱা বা হোলী। ঐক্য, প্ৰেম আৰু ভাতৃত্ববোধৰ বিশেষ তাৎপৰ্য বহনেৰে প্ৰতিবছৰে অহা সম্প্ৰীতিৰ বাহক এই আনন্দৰ উৎসৱটি সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাতো বেছ হৰ্ষ-উল্লাসৰ মাজেৰে পালন কৰা হয়। জিলাখনৰ সকলো নগৰ-চহৰ কিম্বা গ্ৰামাঞ্চলত সৰ্বস্তৰৰ জনতাই হোলীক লৈ আনন্দত আত্মহাৰা হৈ পৰাৰ লগতে আবিৰৰ ৰং-বিৰঙৰ ৰঙত মতলীয়া হোৱা দেখা যায়। পুৱাৰেপৰা কণ কণ ল'ৰা-ছোৱালী, ডেকা-গাভৰুৱে ইজনে সিজনৰ গাত নানাৰঙী ফাকুগুড়ি সানি আনন্দ-স্ফূৰ্তিৰে ৰঙৰ উৎসৱটি জীপাল কৰি তোলে। আবিৰৰ ৰঙে দেহ-মন ৰঙীণ কৰি তোলা সৰ্বস্তৰৰ ৰাইজে ফাকুৱাৰ পাৰভগা উছাহত নিজকে বিলীন কৰি পৰম্পৰে পৰস্পৰক ৰঙৰ উৎসৱৰ বিভিন্ন প্ৰকাৰৰ আবিৰ সানি নাচি-বাগি সমন্বয়ৰ অন্যতম নিদৰ্শন দাঙি ধৰে। সমাজৰপৰা অসূয়া-অপ্ৰীতি ওফৰাই সম্প্ৰীতিৰ ধাৰাৰে সমাজখন ৰঙেৰে উদ্ভাসিত কৰাৰ কামনাৰে নগএগ্ৰা জনগণে ৰং-ৰহইচত উটি-ভাঁহি অন্য এক পৰিৱেশৰ সূচনা কৰা পৰিলক্ষিত হয়। বহু ঠাইত একাংশই বোকা-পানীৰে হোলীৰ নামত উদ্ভণ্ডালি কৰাক লৈ বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিতৰ্কিত প্ৰতিষ্ঠানক নিযুক্তি পৰীক্ষাৰ

পেলাই ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী লৈছিল ছাত্ৰ সংগঠনটোৱে । এইবাৰ পুনৰ ৪২১ টা কাৰিকৰী পদৰ নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰিবলৈ যো-জা চলাওতেই পুনৰ এটা বিতৰ্কিত প্ৰতিষ্ঠানক পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব প্ৰদান কৰাৰ অভিযোগ উত্থাপন কৰি সংগঠনটোৱে এক সংবাদ মেলযোগে ইয়াৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল । এই সন্দৰ্ভত যোৱা ১৩ মাৰ্চত সংগঠনটোৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি মাধুৰ্য বৰুৱা আৰু জগজিৎ গোহাঁয়ে অইল ইণ্ডিয়াৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ৰঞ্জিত ৰথলৈ এখন কঠোৰ পত্ৰ প্ৰেৰণ কৰিছে । পত্ৰত নেতা দ্বয়ে উল্লেখ কৰিছে--- ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচীৰ জৰিয়তে এডুটেষ্ট নামৰ প্ৰতিষ্ঠানটোৱে ২০২৩ বৰ্ষত অনুষ্ঠিত কৰা অইল ইণ্ডিয়া লিমিটেডৰ ADVERTISEMENT NO, HRAQ/REC-WP-B/2023-66 জৰিয়তে 187 টা পদৰ কাৰিকৰী পৰীক্ষাত হোৱা দুৰ্নীতি বিষয় উত্থাপন কৰি আহিছিলো, কিন্তু দুৰ্ভাগ্যজনকভাৱে আমাৰ দাবী সমূহ নস্যাৎ কৰি অইল ইণ্ডিয়াই পৰীক্ষাৰ ফলাফল ঘোষণা কৰি নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰিলে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ দাবীসমূহ সন্দৰ্ভত অইল ইণ্ডিয়া লিমিটেডৰ লগত হোৱা দ্বি-পাক্ষিক আলোচনাত অইল ইণ্ডিয়া লিমিটেডে বিষয়টো গুৰুত্ব সহকাৰে লৈ তিনিচুকীয়া আৰক্ষী থানাত এক গোচৰ ৰুজু কৰাৰ কথা প্ৰকাশ কৰে। কিন্তু আজিপৰ্যন্ত তদন্তৰ সন্দৰ্ভত কোনোধৰণৰ সিদ্ধান্ত ৰাজহুৱা কৰা পৰিলক্ষিত নহ'ল। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে অইল ইণ্ডিয়া লিমিটেডক স্পষ্টভাৱে অৱগত কৰিছিলোঁ যে অনাগত দিনৰ পৰীক্ষাসমূহ যাতে এটা উচ্চপৰ্য্যায়ৰ নিকা আৰু স্বচ্ছ প্ৰতিষ্ঠানৰ দ্বাৰা অনুষ্ঠিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব আৰু অইল ইণ্ডিয়া লিমিটেডে বিষয়টোত সন্মতি প্ৰকাশ কৰে। দুৰ্ভাগ্যজনকভাৱে দেখা গ'ল যে ২০২৪ চনত পুনৰ ৪২১ টা পদৰ বিজ্ঞাপন প্ৰকাশ কৰি এডুটেষ্ট নামৰ প্ৰতিষ্ঠানটোকে পুনৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে অনুমতি দিয়ে। উক্ত পৰীক্ষা অনুষ্ঠিত কৰিব বাবে প্ৰস্তুতি চলোৱা সময়তে উত্তৰ প্ৰদেশৰ এটা পৰীক্ষাত এডুটেষ্ট নামৰ প্ৰতিষ্ঠানটোৰ কেলেংকাৰীৰ তথ্য পোহৰলৈ অহাত অইল ইণ্ডিয়া লিমিটেডে কাৰিকৰী পদৰ পৰীক্ষা বাতিল কৰিলে, কিন্তু কি কাৰণত আজিপৰ্যন্ত পৰীক্ষা অনুষ্ঠিত নকৰিলে সেই সন্দৰ্ভত কোনোধৰণৰ স্পষ্টীকৰণ নিদিয়াটো গুৰুত্বপূৰ্ণ বিষয়। তাৰ পৰিৱৰ্তে আকৌ এডচিল নামৰ পূৰ্বে বিতৰ্কত নাম সাঙুৰ খোৱা প্ৰতিষ্ঠানক পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব দিয়ে। তাৎপৰ্যপূৰ্ণ যে এডছিলে পৰীক্ষা অনুষ্ঠিত কৰাৰ উপ-ঠিকা পুনৰাই এডুকুইটি নামৰ এটা বহু বিতৰ্কিত কনচালটেন্সিক প্ৰদান কৰিছে। দেশৰ মিনি ৰত্ন প্ৰতিষ্ঠান হ'লেও এডচিল পূৰ্বে বিতৰ্কিত আৰু বেমেজালিৰে ভৰা কেইবাটাও পৰীক্ষাৰ ত্ৰুটিপূৰ্ণ সম্পাদনৰ বাবে কুখ্যাতি লাভ কৰা এটা প্ৰতিষ্ঠান। পূৰ্বৰ বহু পৰীক্ষাত তাৰ উদাহৰণ আছে। আনহাতে, এই এডচিলেই আকৌ উপ-ঠিকা প্ৰদান কৰা এডুকুইটি নামৰ কনচালটেন্সিটোৰো নাম বহুকেইটা পৰীক্ষাৰ বিসংগতিপূৰ্ণ সম্পাদনৰ সৈতে জড়িত আছে। এই পত্ৰৰ দ্বাৰা অইল ইণ্ডিয়াক উক্ত কাৰিকৰী পদৰ পৰীক্ষাটো বিসংগতি থকা ঠিকা আৰু উপ-ঠিকা লাভকৰা প্ৰতিষ্ঠানক আঁতৰাই এক স্বচ্ছ প্ৰতিষ্ঠানক প্ৰদান কৰিবলৈ দাবী জনালোঁ। এই দাবীসমূহ দূৰ নকৰাপৰ্যন্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনালোঁ।

আনহাতে, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে উক্ত পত্ৰখনত কেইটামান মৌলিক প্ৰশ্ন উত্থাপন কৰে অইল ইণ্ডিয়াক। সেই অনুসৰি ২০২৩ বৰ্ষত অনুষ্ঠিত হোৱা পৰীক্ষাত এডুটেষ্ট নামৰ প্ৰতিষ্ঠানটোৱে দুৰ্নীতি সংঘটিত কৰা কথাটো সত্য আছিল নে, যাৰ পৰিপ্ৰেক্ষিতত ২০২৪ বৰ্ষত অনুষ্ঠিত হ'বলগা পৰীক্ষা বাতিল কৰা হ'ল বুলি প্ৰশ্ন কৰিছে পত্ৰখনত । তদুপৰি ২০২৩ বৰ্ষত অনুষ্ঠিত হোৱা পৰীক্ষা আৰু তাৰ পৰৱৰ্তী সময়ত প্ৰকাশ কৰা ফলাফলৰ ওপৰত অইল ইণ্ডিয়াই কি ব্যৱস্থা ল'ব? কিয়নো বৰ্তমান সময়ত অইল ইণ্ডিয়াই দুৰ্নীতিৰ অভিযোগতে সেই প্ৰতিষ্ঠানক আঁতৰাই অন্য প্ৰতিষ্ঠানক পৰীক্ষা পতাৰ দায়িত্ব প্ৰদান কৰিবলৈ বাধ্য হ'ল। আনহাতে, তিনিচুকীয়া জিলাত থকা পৰীক্ষা কেন্দ্ৰৰপৰা পৰীক্ষাৰ প্ৰশ্ন কাকত ফাদিল হোৱাক লৈ ২০২৩ চনত প্ৰতিবাদৰ সৃষ্টি হৈছিল। সেই কেন্দ্ৰৰ পৰাই WhatsApp যোগে প্ৰশ্ন কাকত বাহিৰ হৈছিল। আকৌ অনুষ্ঠিত হ'বলগা পৰীক্ষাত সেই কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব নেকি বুলিও প্ৰশ্ন উত্থাপন কৰিছে সংগঠনটোৱে । সংগঠনটোৱে উত্থাপন কৰা বিষয়সমূহৰ উত্তৰ অইলত ভৱিষ্যতে কৰ্মৰত হোৱাৰ সপোন দেখা প্ৰতিযোগী প্ৰাৰ্থীৰ বাবে গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰিছে পত্ৰখনত। এই প্ৰশ্নসমূহৰ উত্তৰ অইল ইণ্ডিয়াৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ৰঞ্জিত ৰথৰ পৰা পোনপটীয়াকৈ বিচাৰিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে । পত্ৰখনৰ প্ৰতিলিপি ডিব্ৰুগড়ৰ জিলা আয়ুক্ত, অইল ইণ্ডিয়া লিমিটেডৰ আৱাসিক মুখ্য বিষয়া,মানৱ সম্পদ উন্নয়ন আৰু মানৱ সম্পদ নিয়োগ বিভাগলৈয়ো প্ৰেৰণ কৰিছে।

# খুলীয়া ভাউৰীয়া সমাৰোহৰ সোণালী জয়ন্তীৰ বৃহৎ আয়োজন

**ই-সংবাদ, দুনী, ১৫ মাৰ্চঃ** দৰঙী কলা-কৃষ্টিৰে সমৃদ্ধ ছিপাঝাৰৰ দক্ষিণ চুবুৰী ভাস্কৰ খুলীয়া ভাউৰীয়া দলৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী সমাৰোহ উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। আহা ২১, ২২ আৰু ২৩ মাৰ্চত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণালী জয়ন্তী সমাৰোহ অনুষ্ঠিত হ'ব। ১৯৬০ চনতে প্ৰতিষ্ঠা লাভ কৰা ভাস্কৰ খুলীয়া ভাউৰীয়া দলটিয়ে নিৰবচ্ছিন্নভাৱে ভিন্ন স্থানত ভাউৰীয়া প্ৰদৰ্শন কৰি আহিছে। জিলাখনৰ পৌৰাণিক দল হিচাপে ভাস্কৰ খুলীয়া ভাউৰীয়া দলৰ এই সমাৰোহখনিয়ে ইতিহাসৰ স্বাক্ষৰ বহন কৰিব বুলি সংস্কৃতিপ্ৰেমীয়ে আশা প্ৰকাশ কৰিছে। জয়ন্তীৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পৰিৱেশ নিকাকৰণ, বন্তি প্ৰজ্বলন, মংগলাচৰণ, পতাকা উত্তোলন, ভোজনালয়ৰ দ্বাৰ উন্মোচন, গজেন্দ্ৰ নাথ চহৰীয়াৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, স্মৃতি তোৰণ উন্মোচন, ৰভা-মঞ্চ উন্মোচন, আদৰণি তোৰণ উন্মোচন, গছপুলি ৰোপণ, নাগাৰা নাম পৰিৱেশন, ন-পুৰণি শিল্পীৰ অন্তৰংগ আলাপ, শ্ৰদ্ধাঞ্জলি আৰু প্ৰথম নিশা অনুষ্ঠিত হ'ব- দৰঙী কলা-কৃষ্টি প্ৰদৰ্শন। দ্বিতীয় দিনা প্ৰতিযোগিতামূলক খুলীয়া ভাউৰীয়া সমাৰোহ আৰু সম্বৰ্ধনা অনুষ্ঠান। সাংবাদিক নৱ কুমাৰ শইকীয়াৰ সম্পাদনাত প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ ভাস্কৰ উন্মোচন কৰিব সংগীত নাটক অকাডেমীৰ উত্তৰ পূব কেন্দ্ৰৰ প্ৰকল্প সঞ্চালক অৰূপ বৰদলৈয়ে। সমাৰোহত উত্তৰ-পূব সাংস্কৃতিক কেন্দ্ৰ সঞ্চালক তথা সংগীত নাটক অকাডেমী ড০ প্ৰসন্ন গগৈ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ, ভাৰতীয় সাংস্কৃতিক পৰিষদৰ আঞ্চলিক সঞ্চালক এন মুনিষ সিং, গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী বিশ্ব কুমাৰ দাস, অনুষ্ঠান সমন্বয়ক দেবাশীষ হালদাৰ সহঃ কেইবাজনো বিশিষ্ট ব্যক্তি অতিথি হিচাপে উপস্থিত থাকিব। সন্ধিয়া অনুষ্ঠিত হ'ব দ্বিতীয় সাংস্কৃতিক অনুষ্ঠান। অন্তিম দিনা পুৱা ৮ বজাত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা পদ্মশ্ৰী গুৰু দ্ৰোণ ভুঞাই উদ্বোধন কৰিব। দিনৰ ১ বজাত উদযাপন সমিতিৰ সভাপতি চন্দ্ৰ কান্ত নাথৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। বিধায়ক ড০ পৰমানন্দ ৰাজবংশীয়ে উদ্বোধন কৰিবলগীয়া এই মুকলি সভাত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী, সাংসদ দিলীপ শইকীয়া, প্ৰাক্তন মন্ত্ৰী ড০ জয়নাথ শৰ্মা, প্ৰাক্তন বিধায়কদ্বয় বিনন্দ শইকীয়া আৰু গুৰুজ্যোতি দাস, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাস, নিৰ্দিষ্ট বক্তা ড০ বিজয় কুমাৰ শৰ্মা সহঃ কেইবাজনো ব্যক্তি অতিথি ৰূপে উপস্থিত থাকিব। সন্ধিয়া ৭ বজাত জনপ্ৰিয় কণ্ঠশিল্পী বিপিন চাউদাঙৰ গীতেৰে অনুষ্ঠিত হ'ব সাংস্কৃতিক সন্ধিয়া। উক্ত অনুষ্ঠান সফল কৰিবৰ বাবে ৰাইজৰ দিহা-পৰামৰ্শ আশা কৰিছে উদযাপন সমিতিৰ বিষয়ববীয়াই।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## অক্টোবৰত সম্পূৰ্ণ হ'ব বটদ্ৰৱা প্ৰকল্পৰ কাম, বৰদোৱাত মুখ্যমন্ত্ৰীৰ ঘোষণা

# দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত বৰদোৱা

**বটদ্ৰৱা থান প্ৰাংগণৰপৰা জয়ন্ত মুদৈ, বেবেজীয়া, ১৫ মাৰ্চঃ** "বৰপেটা আমাৰে, পাটবাউসী আমাৰে/মধুপুৰ আমাৰে থান/বৰদোৱা থানতে শ্ৰীশংকৰ গুৰুৱে/নামৰে বান্ধিলা সেতু...।" বৰদোৱা আৰু বৰপেটা। এফালে জন্মভূমি, আনফালে কৰ্মভূমি। নগাঁও জিলাৰ বৰদোৱাৰ শ্ৰীশ্ৰী বটদ্ৰৱা থানত অসমীয়া কলা-কৃষ্টি-সাহিত্য-সংস্কৃতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আৰম্ভ কৰা অতীতৰ ৰীতি-নীতি আৰু পৰম্পৰা অনুসৰি এইবেলিও পাঁচদিনীয়াকৈ আয়োজিত শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা মহোৎসৱৰ আজি তৃতীয় দিনা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰপৰা অহা ভক্তৰ সমাগমেৰে থান প্ৰাংগণ জনসমুদ্ৰত পৰিণত হৈ পৰে। প্ৰথমদিনাৰেপৰা আজিপৰ্যন্ত সমৱেত হোৱা শিশু-আৱাল-বৃদ্ধ-বণিতাৰ উপস্থিতিত সমগ্ৰ বৰদোৱা অঞ্চলত উখল-মাখল পৰিৱেশৰ সৃষ্টিৰে একপ্ৰকাৰে সমন্বয় ক্ষেত্ৰলৈ পৰ্যবেক্ষিত হৈছে। দবা, শংখ, আয়তীৰ উৰুলি, গায়ন-বায়নৰ খোল-তালৰ মাংগলিক ধ্বনি আৰু জাউৰিয়ে জাউৰিয়ে গোৱা হোলী গীতৰ লগতে হৰিনামৰ মন-প্ৰাণ হৰি নিয়া সুৰে বৰদোৱাৰ আকাশ-বতাহ মুখৰিত কৰি তুলি দ্বিতীয় বৈকুণ্ঠপুৰীলৈ পৰিণত কৰিছে বৰদোৱাক। তদুপৰি দূৰ-দূৰণিৰপৰা আহি সমৱেত হোৱা অগণন ভক্তই নিজৰ মনোবাঞ্ছা পূৰণাৰ্থে আগবঢ়োৱা ধূপ-ধূনা, ফলমূলৰ আমোল-মোলোৱা সুৱাস আৰু চাকি-বন্তি, নৈবেদ্য আদিৰে থান প্ৰাংগণ ভৰি পৰি অনন্য পৰিৱেশৰ সূচনা কৰিছে। ইফালে, আজি পুৱা নিত্য-নৈমিত্তিক প্ৰসংগৰ অন্তত বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰ অংশ হিচাপে বিয়লি ভাগত সু-সজ্জিত ৰথত গোঁসাইক উঠাই ৰভাতলৰ পৰা ফুৰাবলৈ নিয়া হয়। গায়ন-বায়ন, ভকত-বৈষ্ণৱ, আইমাতৃ আৰু ধৰ্ম-বৰ্ণ-জাতি নিৰ্বিশেষে উপস্থিত থকা শত-সহস্ৰ তীৰ্থযাত্ৰীৰ অংশগ্ৰহণেৰে এটি মনোমোহা সাংস্কৃতিক সমদল উলিয়াই গোঁসাইক দৌল মন্দিৰলৈ নি আনুসংগিক ধৰ্মীয় আচাৰ-নীতিৰ পালনেৰে দৌলমন্দিৰ প্ৰদক্ষিণ কৰোৱা হয়। এই আকৰ্ষণীয় দৃষ্টিনন্দন কাৰ্যসূচীত বটদ্ৰৱাৰ শ্ৰীশ্ৰী নৰোৱা সত্ৰ আৰু শ্ৰীশ্ৰী শ'লগুৰি সত্ৰৰ গায়ন-বায়ন আৰু আইসকলে বিভিন্ন অসমীয়া কলা-কৃষ্টি প্ৰদৰ্শনেৰে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। ইয়াৰ পিছতে গোঁসাইক বটদ্ৰৱা থানৰ এলেকাভুক্ত বৰহিচা, সৰুহিচা আৰু বৰভেটী গাঁৱত ফুৰোৱাৰ উপৰি ডেকা গোঁসাইসকলৰ ঘৰত প্ৰৱেশ কৰাই সন্ধ্যা ঘোষা আৰু হৰিনাম-কীৰ্তনৰ ধ্বনিৰে চৌপাশ ৰজন-জনাই গোঁসাইক কীৰ্তন ঘৰত প্ৰৱেশ কৰোৱাৰ পিছতে পৰম্পৰাগত দুৱাৰ ধৰা অনুষ্ঠানৰ জৰিয়তে গোঁসাই ফুৰোৱা উৎসৱৰ সামৰণি পেলোৱা হয়। ইফালে, দৌলযাত্ৰা মহোৎসৱৰ লগত সংগতি ৰাখি বিস্তৃত এলেকাজুৰি বহোৱা ৰঙৰ হাটত বিভিন্ন প্ৰকাৰৰ সামগ্ৰীৰ সৰু-বৰ বিপনীয়ে অংশগ্ৰহণ কৰিছে। এইবোৰত কণ কণ শিশুৰপৰা বয়োজ্যেষ্ঠজনলৈকে উৎসুক জনতাই পচন্দৰ সামগ্ৰী ক্ৰয় কৰাৰ বাবে ভিৰৰ সৃষ্টি কৰা দেখা যায়। তদুপৰি পলাশৰ ৰং বোলোৱাফাকুগুৰিৰে ৰঙীণ কৰি তোলে গুৰুজনাৰ পবিত্ৰ ওপজা ভূমি। অঞ্চলৰ তিনিআলি-চাৰিআলিৰ বজাৰ আৰু ৰঙৰ হাটত বহোৱা বিভিন্নধৰণৰ সামগ্ৰীৰ দোকানে একপ্ৰকাৰে সূচনা কৰিছে মনোমোহা পৰিৱেশৰ। এনে এক উদুলি-মুদুলি আনন্দময় পৰিৱেশৰ মাজতে চৌদিশে বাজি উঠা কৃষ্ণভক্তিৰ গীত-মাতৰ মূৰ্চনাই ভক্ত-বৈষ্ণৱৰ মাজত বিশেষ উৎসাহ-উদ্দীপনা জগাই তুলিছে। উল্লেখ্য, আজি পৰম্পৰাগত দুৱাৰ ধৰা শীৰ্ষক অনুষ্ঠানৰ দ্বাৰা দৌলযাত্ৰা মহোৎসৱৰ ধৰ্মীয় কাৰ্যসূচীৰ অন্ত পৰিছে যদিও দৌলযাত্ৰা মহোৎসৱৰ চতুৰ্থ আৰু পঞ্চম দিনা থান পৰিচালনা সমিতিয়ে বিস্তৃত এলেকা সামৰি দৰ্শনাৰ্থীৰ মনোৰঞ্জনৰ নিমিত্তে ব্যৱস্থা কৰা আকৰ্ষণীয় ৰঙৰ হাট অবিৰতভাৱে চলি থকাৰ লগতে তীৰ্থযাত্ৰীসকলৰ থান সেৱা কাৰ্যও অব্যাহত থাকিব বুলি জানিব পৰা গৈছে।

অক্টোবৰত সম্পূৰ্ণ হ'ব বটদ্ৰৱা প্ৰকল্পৰ কাম পূৰ্ব পৰম্পৰা অনুসৰি পাঁচদিনীয়াকৈ গুৰুজনাৰ জন্মভূমিৰ শ্ৰীশ্ৰী বটদ্ৰৱা থানত আয়োজিত বিখ্যাত দৌলযাত্ৰা মহোৎসৱৰ শুকুৰবাৰে পবিত্ৰ দৌল পূৰ্ণিমা উপলক্ষে উদযাপিত গোঁসাই শিৰত ফাকু দিয়া উৎসৱৰ পবিত্ৰ দিনটোত বটদ্ৰৱা থানত সেৱা ল'বলৈ উপস্থিত হয় ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীগৰাকীয়ে জাতীয় সাজ পৰিধান কৰি পোনে পোনে বটদ্ৰৱা থানৰ কীৰ্তনঘৰত সেৱা লৈ গোবিন্দ গোঁসাই ওচৰত আশীৰ্বাদ গ্ৰহণ কৰে। থান চৌহদৰ অস্থায়ী মণ্ডপত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ তৰফৰপৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক গামোচা, চেলেং, ভাগৱত পুথি, প্ৰশস্তি-পত্ৰ, শৰাইৰে সম্বৰ্ধনা জনায়। পিছত ভকত-বৈষ্ণৱৰ লগত মত-বিনিময় কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে পবিত্ৰ দৌল উৎসৱ, ফাকুৱাৰ শুভেচ্ছা জ্ঞাপন কৰে। ইফালে, দৌল পূৰ্ণিমাৰ দৰে পবিত্ৰ দিনটোতে মুখ্যমন্ত্ৰীক কাষত পাই ভকত-বৈষ্ণৱ, আইমাতৃ, ডেকা-গাভৰু সকলোৱে উৎফুল্লিত হৈ পৰি মুখ্যমন্ত্ৰীগৰাকীৰ লগত চেল্ফি উঠিবলৈ হেতা-ওপৰা কৰাত উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। ভকত-বৈষ্ণৱসকলৰ লগত হাঁহি-স্ফূৰ্তিৰে সময় কটোৱাৰ পিছত সাংবাদিকক সম্বোধন কৰি ড° হিমন্ত বিশ্ব শৰ্মাই এই পবিত্ৰ দিনটোত গুৰুজনাৰ চৰণত সেৱা জনাই অসমবাসীৰ মংগল কামনা কৰিলোঁ বুলি উল্লেখ কৰি কয়-- ফাকুৱা উৎসৱ কেৱল দুটা দিনেই নহয়। গোটেই বছৰটো অসমৰ মানুহ এনেদৰে আনন্দত থাকক, তাৰেই কামনা কৰিলোঁ। বটদ্ৰৱালৈ আহি, ভগৱন্ত প্ৰভুৰ চৰণত সেৱা জনালোঁ। ভক্তিভৰা সেৱা আগবঢ়ালোঁ। যাতে অসমবাসী সদায় কুশলে থাকে। তেওঁ অহা অক্টোবৰত বটদ্ৰৱা প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰা হ'ব বুলি ঘোষণা কৰি লগতে নগাঁৱত শীঘ্ৰে এখন কেবিনেট বৈঠক অনুষ্ঠিত কৰি জিলাখনৰ উন্নয়নৰ বাবে কেতবোৰ প্ৰকল্প হাতত লোৱা হ'ব বুলি মত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক বটদ্ৰৱা থান দৰ্শনত সংগ প্ৰদান কৰে কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক ৰূপক শৰ্মাই।

# ভাৰত-বাংলাদেশ সীমান্তৰ ৰামৰাইকুঠী সত্ৰত দৌলোৎসৱ

**ই-সংবাদ, আগমনি, ১৫ মাৰ্চঃ** ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ সত্ৰশালত শ্ৰীমন্ত শংকৰদেৱে স্থাপন কৰা ঐতিহ্যপূৰ্ণ ৰামৰাইকুঠী সত্ৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱ পালন কৰা হয়। শংকৰ গুৰুজনাৰ উপস্থিতিত এই স্থানতে ৰামৰায় আতাৰ জীয়াৰী আই ভুৱনেশ্বৰী আৰু মহাবীৰ চিলাৰায়ৰ বিয়া হৈছিল। সেই সময়তে গুৰুজনাই বন্তি জ্বলাই সত্ৰ স্থাপন কৰে। চাৰিশ বছৰ আগৰেপৰা এই সত্ৰত দৌল উৎসৱ পালন হৈ আছিল। দেশ বিভাজনৰ পূৰ্বে যথেষ্ট উলহ-মালহেৰে এই উৎসৱ পালন কৰা হৈছিল। এই উপলক্ষে এমাহলৈকে মেলা চলিছিল। জানিব পৰা মতে, দৌল মেলা শেষ হোৱাত দোকানসমূহ বৰ্তমানৰ বাংলাদেশৰ ছিলঘাটৰ অষ্টমী মেলালৈ গৈছিল। দেশ বিভাজনৰ পাছত পৰিসৰ কমি অহাত মেলা কিছু ম্লান পৰে। বৃহস্পতিবাৰে ইয়াত গন্ধ উৎসৱ পালন কৰা হয়। পুৱা স্থানীয় যুৱক-যুৱতীসকলে সত্ৰৰ চৌহদৰ লগতে চাৰিহাটী পৰিষ্কাৰ কৰি সজাই তোলে। বিয়লি নাম প্ৰসংগ কৰি গোঁসাইক কীৰ্ত্তন ঘৰৰ চাৰিওফালে প্ৰদক্ষিণ কৰাই কীৰ্ত্তন ঘৰত স্থাপন কৰে। দৌল ঘৰৰ চাৰিওফালে চাৰিটা বৃহৎ আকাৰৰ বাঁহ থিয় কৰাই চন্দ্ৰতাপ স্থাপন কৰে। পিছদিনা ভৰদৌল উপলক্ষে পুৱাৰ গীত, আইসকলৰ-বাপুসকলৰ-গায়ন-বায়নৰ নাম-প্ৰসংগ কৰি গোঁসাইক দৌল ঘৰৰ চাৰিওফালে প্ৰদক্ষিণ কৰাই দৌলত বহায়। ওৰে দিনটো নাম প্ৰসংগ আৰু সন্ধিয়া থিয়নাম অনুষ্ঠিত হয়। আজি দৌল সুঁৱেৰী পুৱাৰে পৰা ওৰেটো দিন নাম-প্ৰসংগ চলে। দুপৰীয়া গোঁসাইক বাহিৰ কৰা হয়। সকলোৱে গোঁসাইক ফাকুৱা দি সেৱা জনায়। পাঁচ বজাৰপৰা দোলা নৃত্য আৰম্ভ হয়। অসম-পশ্চিমবংগৰ বিভিন্ন স্থানৰপৰা হাজাৰ হাজাৰ লোকৰ সোঁত বৈ লোকাৰণ্য হৈ পৰে সত্ৰশাল। নিশা মেলাৰ সামৰণিৰ পিছত কলীয়া গোঁসাইক গায়ন-বায়নে দোলাত উঠাই সত্ৰৰ চাৰিহাটী লৈ যাত্ৰা কৰে। গোঁসাই ফুৰোৱা প্ৰায় তিনিদিন চলে। চাৰিহাটীৰ প্ৰতিটো ঘৰে ঘৰে গোঁসাইক লৈ ফুৰোৱা হয়।

# প্ৰাককলন মতে নলা নিৰ্মাণ নকৰাৰ ফল ভুগিছে মাজুলীৰ ফুলনিবাসীয়ে

**ই-সংবাদ, মধ্য মাজুলী, ১৫ মাৰ্চঃ** মধ্য মাজুলীৰ সদাব্যস্ত ফুলনি চাৰিআলিৰপৰা শিলিখাগুৰি, ভকতিদুৱাৰ হৈ নতুন বজাৰ, হালধিবাৰী পৰ্যন্ত প্ৰধান ঘাইপথটোৰ ফুলনি চাৰিআলিৰ মাজমজিয়াত এজাক সামান্য বৰষুণতে একাঠুপৰ্যন্ত পানী হৈ পৰাত যাতায়াতৰ নামত সৰ্বসাধাৰণ ৰাইজে যমৰ যাতনা ভুগিবলগীয়া হৈ আহিছে। নিতৌ কেইবাখনো মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, মধ্য ইংৰাজী, প্ৰাথমিক বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীয়ে পকী পথ হোৱা স্বত্বেও পকী পথৰ ওপৰত বৈ পৰা বোকা-পানীৰ বাবে বিদ্যালয়লৈ যাওঁতে দুৰ্ভোগ ভুগিব লগা হৈ আহিছে। ভকতিদুৱাৰৰ দিশে ফুলনি চাৰিআলিৰপৰা অহা পথটোৰ কালভাৰ্টটোৰ মুখৰ অংশ বন্ধ হৈ পৰাত কাৰ্লভাটটোৰ দুই মুখ বহি যোৱাত একাঠুপৰ্যন্ত পানী হোৱা অংশত চাইকেল লৈ বিদ্যালয়লৈ অহা কেইবাজনো ছাত্ৰ-ছাত্ৰী দুৰ্ঘটনাৰ সন্মুখীন হ'বলগা হৈছে। ইতিমধ্যে উক্ত পানীৰ গাঁতত কেইবাখনো টমটমসহ যাত্ৰী বাগৰি পৰি দুৰ্ঘটনাৰ সন্মুখীন হৈ আহিছে বুলি স্থানীয় ব্যৱসায়ীয়ে জানিবলৈ দিছে। কিন্তু এইবোৰ সকলো দেখিও চকু মুদা কুলিৰ ভাৱত সংশ্লিষ্ট বিভাগৰ বিষয়া তথা কৰ্মচাৰী। আনহাতে, চাৰিআলিটোৰ পানী নিষ্কাষণৰ বাবে পথৰ কাষত ড্ৰেইন নিৰ্মাণ কৰা



হৈছিল যদিও সেয়া এতিয়া বগাহাতীত পৰিণত হ'ল। উক্ত নলা প্ৰাককলন মতে নিৰ্মাণ নকৰাৰ ফলত বৰ্তমান পথৰ পানী যোৱাটো দূৰৈৰ কথা, নলা ফুটিলে পথলৈ পানী বাগৰি অহাৰহে সম্ভাৱনা অধিক বুলি সচেতন মহলে মন্তব্য কৰিছে। ইফালে ৫০ খন বিচনাযুক্ত চিৰাম চাপৰিস্থিত আয়ুৰ্বেদিক চিকিৎসালয়লৈ নিতৌ শতাধিক ৰোগীয়ে জৰুৰীকালীন সময়তো উক্ত পুখুৰী সদৃশ গাঁতত পৰি জ্বলাকলা খাব লগা হৈছে। বিদ্যালয়, মহাবিদ্যালয়, চিকিৎসালয়লৈ হাৰাশাস্তি ভুগি অহা-যোৱা কৰা উক্ত পথটোৰ পৰা পানী নিষ্কাষণৰ উপযুক্ত ব্যৱস্থা সময়মতে নকৰিলে অনাগত সময়ত নগৰ, মহানগৰত পানী হোৱাৰ দৰে ফুলনি চাৰিআলিও সাৰি নাযাব বুলি বিজ্ঞসকলে মন্তব্য কৰিছে। ইফালে, উক্ত সমস্যাবোৰৰ বাবে একাংশ স্থানীয় লোকো জগৰীয়া বুলি সচেতন মহলে মন্তব্য কৰি কয় যে একাংশ লোকে অতীজৰেপৰা পানী অহা-যোৱা কৰা নলাসমূহ পৰিকল্পিতভাৱে বন্ধ কৰি দিয়াৰ ফলতেই মাজুলীৰ প্ৰধান আৰু অন্যতম ব্যৱসায়ীক স্থান যেনে গড়মূৰ, কমলাবাৰী, জেংৰাইমুখ, নতুন বজাৰ, বনগাঁও, ৰাৱনাপাৰ আদি স্থানত সামান্য এজাক বৰষুণতেই পানী হ'বলৈ ধৰিছে। ইফালে, কমলাবাৰী চাৰিআলিত নিৰ্মাণ কৰা কোটিটকীয়া নলাও এতিয়া বগাহাতীত পৰিণত হোৱাৰ দিশে অগ্ৰসৰ হৈছে বুলি সচেতন লোকে মত ব্যক্ত কৰিছে। কিয়নো পকীনলাটো নিৰ্মাণৰ বিসংগতিৰ ফলতেই এতিয়া চহৰখনত দোঙা-দোঙে বৰষুণৰ পানী জমা হোৱাৰ ফলত ব্যৱসায়ী আৰু সাধাৰণ লোক সমস্যাৰ সন্মুখীন হৈছে। নতুনকৈ নিৰ্মাণ কৰা পকী নলাটোত যিখিনি পানী পৰে সেইখিনি পানী যাবলৈও কোনোধৰণৰ ব্যৱস্থা নথকাত এতিয়া নলাটোতে পানীখিনি ঘূৰিফুৰাৰ বাহিৰে বিকল্প নাই। ভৱিষ্যতে নলা ভৰ্তি হৈ কমলাবাৰীত যে কৃত্ৰিম বানপানী নহ'ব সেয়াও নুই কৰিব নোৱাৰি বুলি এতিয়া চৰ্চা আৰম্ভ হৈছে।

---

# দৌল উৎসৱ উপলক্ষে উদুলি-মুদুলি জামুগুৰিৰ গৰখীয়া থান

**ই-সংবাদ, বেবেজীয়া, ১৫ মাৰ্চঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ জামুগুৰিত অৱস্থিত প্ৰায় চাৰে তিনিশ বছৰ পুৰণি ইতিহাসপ্ৰসিদ্ধ সাৰ্বজনীন গৰখীয়া থানত বিগত বৰ্ষবোৰৰ দৰেই এইবাৰো উদযাপন হৈছে দৌল উৎসৱ। বৃহস্পতিবাৰৰ পৰা ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে দৌল উৎসৱটি উদযাপন কৰা হৈছে। সেয়ে বিভিন্ন প্ৰান্তৰপৰা অহা ভক্তৰ সমাগমেৰে থান প্ৰাংগণ উদুলি-মুদুলি হৈ পৰাৰ লগতে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। দৌল উৎসৱৰ বিভিন্ন কাৰ্যসূচীৰ ভিতৰত শুকুৰবাৰে নিশা মহিলা শিল্পীৰ দ্বাৰা প্ৰদৰ্শিত অভিশপ্তা তুলসী নামৰ অংকীয়া ভাওনাখনিয়ে দৰ্শকক বেছ আপ্লুত কৰিবলৈ সক্ষম হয়। বিশিষ্ট নাট্যকৰ্মী মুনিন্দ্ৰ নাথ আৰু ইন্দ্ৰ নাথৰ সুদক্ষ পৰিচালনাত প্ৰদৰ্শিত ভাওনাখনে শেষ মুহূৰ্তলৈকে পেণ্ডেলত আৱদ্ধ কৰি ৰাখিলে সহস্ৰাধিক দৰ্শকক। কৃতী শিক্ষকৰ বঁটাপ্ৰাপ্ত প্ৰদীপ বৰাই উদ্বোধন কৰা ভাওনাখনিত শিল্পীসকলে প্ৰদৰ্শন কৰা সাৱলীল অভিনয়ে সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। ইয়াৰ পূৰ্বে পুৱা গন্ধৰ্ব বাদনৰ অন্তত থান পৰিচালনা সমিতিৰ সম্পাদক পোৱাল চন্দ্ৰ নাথে দৌল মন্দিৰত দৌলধ্বজা সংস্থাপন কৰাৰ লগতে থানঘৰীয়া টংকেশ্বৰ নাথৰ দ্বাৰা মণিকূট আৰু দৌল মন্দিৰত বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতে বৃহত্তৰ জামুগুৰি অঞ্চলৰ ৩১ টা নামঘৰৰপৰা ধৰ্মধ্বজা আৰু জল কলচি থানলৈ অনাৰ পিছতে উৎসৱৰ ৩২ ভাগ ধৰ্মধ্বজা উত্তোলন কৰা হয়। এক সুন্দৰ মনোমোহা পৰিৱেশত মূল ধৰ্মধ্বজা উদযাপন সমিতিৰ সভাপতি পুষ্পেন্দ্ৰ হাজৰিকাই আৰু বাকী ৩১ ভাগ ধৰ্মধ্বজা অঞ্চলৰ ৩১ গৰাকী গণ্যমান্য ব্যক্তিৰ দ্বাৰা উত্তোলন কৰা হয়। এই অনুষ্ঠানত থান পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ নাথৰ লগতে অনন্ত নাথ, গম্ভীৰ নাথ, ধেনুৰাম নাথ, খগেন চন্দ্ৰ নাথ, কামেশ্বৰ নাথ, দেবেন চন্দ্ৰ নাথ, অনিল নাথ, উদযাপন সমিতিৰ সম্পাদক বুবুল বৰদলৈ, সহকাৰী সম্পাদক উৎপল বৰদলৈ, অৱন্তী দেৱীকে ধৰি সমূহ বিষয়ববীয়া, নাট্যকৰ্মী ভুবন চন্দ্ৰ নাথ, সন্তোষ নাথ, কবি সঞ্জীৱ সাগৰ চৌধুৰী, সমাজকৰ্মী হীৰেন ডেকা আদি ব্যক্তিসকল উপস্থিত থাকে। ইয়াৰ পিছতে আয়তীৰ উৰুলি আৰু বিয়ানামৰ অমিয়া সুৰৰ মাজেৰে আনুষংগিক ৰীতি-নীতিৰে কাৰ্য পৰিচালনা কৰে টংকেশ্বৰ নাথ, পীতাম্বৰ নাথ, শতীন্দ্ৰ নাথ, ফুলকন নাথ, মাধৱ নাথ, চেনাৰাম নাথ, লক্ষী কুমাৰ নাথ আৰু বিচিত্ৰ নাথে। দুপৰীয়া পাঠাচাৰ্য ধনেশ্বৰ নাথৰ দ্বাৰা কীৰ্তন পাঠৰ লগতে নাম-কীৰ্তন আৰু আমন্ত্ৰিত নামতি দলৰ দ্বাৰা দিহানাম পৰিৱেশনেৰে ভক্তিৰ নিজৰা বোৱাই থান চৌহদ মুখৰিত কৰি তোলা হয়। বিয়লি সম্বৰ্ধনা, সাহায্য আৰু শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ইফালে, শনিবাৰে তৃতীয় দিনা পুৱাৰ ভাগত থান পৰিচালনা সমিতিৰ সম্পাদক পোৱাল চন্দ্ৰ নাথৰ পৰিচালনাত স্বচ্ছ অভিযানৰ পিছতেই পবিত্ৰ হোলী খেলা আৰু সমদল যাত্ৰাৰে অঞ্চলৰ পৰিৱেশ উজলাই তোলা হয়। সমাজকৰ্মী গম্ভীৰ নাথ, ৰমেন চন্দ্ৰ নাথ, খগেন চন্দ্ৰ নাথ, ধেনুৰাম নাথ আৰু গোলাপ নাথৰ পৰিচালনাত এই সমদল যাত্ৰা পৰিভ্ৰমণ কৰোৱা হয়। দুপৰীয়া কীৰ্তন পাঠ আৰু খোল-প্ৰসংগৰ পিছতে বিয়লি আমন্ত্ৰিত নামতি দলৰ দ্বাৰা আকৰ্ষণীয় দিহানাম পৰিৱেশনৰ লগতে সন্ধিয়াৰেপৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰথমখন বৰ্ধিত কাৰ্যনিৰ্বাহক অনুষ্ঠিত

**ই-সংবাদ, তিনিচুকীয়া, ১৫ মাৰ্চঃ** তিনিচুকীয়া জিলা সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথমখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি মাকুমস্থিত তিনিচুকীয়া জিলা সাহিত্য সভাৰ কাৰ্যালয় যুগল কিশোৰ কেষাণ ভৱনত অনুষ্ঠিত হৈ যায়। জিলা সভাপতি লম্বেশ্বৰ চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ আঁত ধৰে জিলা সম্পাদক অৰূপ কুমাৰ চাংমাইয়ে। সভাত অহা ২১ মাৰ্চত তিনিচুকীয়া জিলালৈ আহিবলগীয়া অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ ভ্ৰমণসূচীৰ সম্পৰ্কত বিতং আলোচনা কৰা হয়। উল্লেখ্য যে, অহা ২১ মাৰ্চৰ পুৱা ১০ বজাত জিলা কাৰ্যালয়ত অসম সাহিত্য সভাৰ সভাপতিৰ প্ৰথমখন সভা অনুষ্ঠিত হ'ব। উক্ত সভাত জিলাখনৰ ১২ খন শাখাৰ সভাপতি/ সম্পাদককে প্ৰমুখ্য কৰি বিষয়ববীয়াসকল উপস্থিত থাকিব। দ্বিতীয়খন সভা দিনৰ ১১.৩০ বজাত ডুমডুমাৰ ৰূপাই শতদল শাখা সাহিত্য সভাৰ ভৱনত অনুষ্ঠিত হ'ব। উক্ত সভাত উপস্থিত থাকিব ৭ খন শাখাৰ সভাপতি/ সম্পাদককে প্ৰমুখ্য কৰি বিষয়ববীয়াসকল। দুপৰীয়া ১-৩০ বজাত সভাপতি ড০ গোস্বামীয়ে কাকপথাৰ গ্ৰন্থমেলাৰ মুকলি সভাত অংশগ্ৰহণ কৰিব। বিয়লি ৩-৩০ বজাত অৰুণাচলৰ নামচাইত বুঢ়ীদিহিং আৰু পেঙেৰী শাখাৰ সহযোগত আয়োজিত "সেঁতুবন্ধ " কাৰ্য্যসূচীত অংশ ল'ব সভাপতি ড° গোস্বামীয়ে। আজিৰ সভাত জিলা সমিতিৰ ২০২৫-২৭ বৰ্ষৰ বাবে বিভিন্ন কাৰ্যসূচীৰ সন্দৰ্ভত আলোচনা কৰাৰ লগতে সাংগঠনিক, বিত্তীয় আৰু উপ-সমিতিসমূহৰ বিভিন্ন কাৰ্য্যসূচীৰ সম্পৰ্কতো বিতংভাৱে আলোচনা কৰা হয়। আজিৰ সভাত বহুকেইগৰাকী প্ৰাক্তন সভাপতি, উপ-সভাপতি আৰু সম্পাদকো উপস্থিত থাকে। সভাত শতাধিক লোক উপস্থিত থাকে।

# কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়ৰ উপাধ্যক্ষ অনিল কুমাৰ বসুমতাৰীৰ মৃত্যু

**ই-সংবাদ, কোকৰাঝাৰ, ১৫ মাৰ্চঃ** কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা সদৰ চহৰৰ টেঙাপাৰা নিৱাসী অনিল কুমাৰ বসুমতাৰী কালি নিশা উচ্চ ৰক্তচাপজনিত কাৰণত মৃত্যুমুখত পৰা ঘটনাই জিলাখনৰ শৈক্ষিক মহলত শোকৰ ছাঁ পেলাইছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫০ বছৰ। প্ৰাপ্ত বাতৰি অনুসৰি কালি নিশা হঠাতে অনিল কুমাৰ বসুমতাৰীয়ে স্বাস্থ্যজনিত জটিলতাত ভুগে। পৰিয়ালৰ লোকে স্থানীয় চিকিৎসালয়লৈ লৈ আহে যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। বসুমতাৰীয়ে উচ্চৰক্তচাপজনিত কাৰণত মৃত্যুমুখত পৰা বুলি চিকিৎসকে সদৰি কৰিছে। ইপিনে শিক্ষাবিদ অনিল কুমাৰ বসুমতাৰীৰ মৃত্যুৰ বাতৰি লাভ কৰা লগে লগেই তেওঁৰ বাসগৃহত আজি অজস্ৰ গুণমুগ্ধই ভিৰ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা আৰু মৃতকলৈ অন্তিম শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছে। কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰীয়ে কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়ৰ উপাধ্যক্ষ অনিল কুমাৰ বসুমতাৰীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা প্ৰকাশ কৰি মৃতকৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছে।



# কলগাছিয়াৰ ডিমাপুৰত কালভাৰ্ট নিৰ্মাণক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, কলগাছিয়া, ১৫ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ডিমাপুৰ গাঁৱৰ পূব ডিমাপুৰৰ পৰা পশ্চিম ডিমাপুৰ সংযোগী পথটোত বিগত প্ৰায় পাঁচ বছৰ ধৰি এটা ভঙা কালভাৰ্টে ৰাইজক যমৰ যাতনা দি আহিছে। বাৰিষাৰ সময়ত পথটোৰে সম্পূৰ্ণৰূপে যাতায়াত বন্ধ হৈ পৰে। ফলত প্ৰায় চাৰি কিলোমিটাৰ ঘূৰি স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলৰ লগতে স্থানীয় ৰাইজে যাতায়াত কৰিব লগা হয়। কৃষকৰ উৎপাদিত সামগ্ৰী ধান, মৰাপাট আদি বজাৰলৈ নিব নোৱাৰে। লগতে গাঁওখনলৈ এম্বুলেন্স, অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আদিও যাব নোৱাৰে। সেয়ে ৰাইজে শীঘ্ৰে উক্ত পথটোত এটা কালভাৰ্ট নিৰ্মাণ কৰিবলৈ দাবী জনাইছে। উল্লেখ্য যে, পথটোত কিছুদিন পূৰ্বে এটা কালভাৰ্ট নিৰ্মাণ কৰা হৈছিল যদিও বাৰিষাত ভাঙি সম্প্ৰতি যাতায়াত বন্ধ হৈ পৰিছে। ইফালে, কলগাছিয়া উন্নয়ন খণ্ডৰ কলগাছিয়া গাঁও পঞ্চায়তৰ পৰা উক্ত ঠাইত এটা কালভাৰ্ট নিৰ্মাণৰ বাবে পঞ্চদশ বিত্তীয় বৰ্ষৰ তিনি লাখ পঞ্চাশ হাজাৰ টকা আবণ্টন দি কাম আৰম্ভ কৰিছিল যদিও কামৰ দায়িত্বত থকা পঞ্চায়ত সদস্য আৰু দুই-এজন ব্যক্তিয়ে ৰহস্যজনকভাৱে নিৰ্মাণ কাৰ্য বন্ধ ৰাখি ৰ'ড, চিমেণ্ট আদি সমগ্ৰীসমূহ লৈ যায়।

# কেশৰ বাহেতী সূৰ্যোদয় শিশু গৃহত স্বচ্ছতা পযেকৰ সামৰণী অনুষ্ঠান সম্পন্ন

**ই সংবাদ , তিনিচুকীয়া, ১৫ মাৰ্চ :** ২০১৭ চনৰ ১৮ ফেব্ৰুৱাৰীত তিনিচুকীয়া জিলাৰ উদ্যোগ নগৰী মাকুমৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান "সূৰ্য্যোদয়" উমাল সান্নিধ্যত আত্মপ্ৰকাশ কৰা তথা মাকুমৰ সমীপৰ গংগাবাৰীস্থ অনাথ শিশুৰ আশ্ৰয়স্থল "কেশৰ বাহেতী সূৰ্যোদয় শিশু গৃহ" ত আজি "স্বচ্ছতা পযেক"ৰ সামৰণী অনুষ্ঠান অনুষ্ঠিত হ'য় । কেন্দ্ৰীয় চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি যোৱা ১ মাৰ্চৰ পৰা আয়োজন কৰা স্বচ্ছতা পযেকৰ আটাইকেইটা দিনতে শিশু গৃহটিৰ শিশুসকলক ব্যক্তিগত পৰিষ্কাৰ-পৰিচ্ছন্নতা, গৃহ পৰিষ্কাৰকৰণ, শৌচ-প্ৰস্ৰাৱাগাৰ পৰিষ্কাৰকৰণ আৰু সামাজিক চাফ-চিকুণতাৰ বিষয়ে বিভিন্ন জ্ঞান প্ৰদান কৰাৰ লগতে সকলো কাম হাতে-কামে কৰি স্বচ্ছতা সম্পৰ্কীয় সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰা হ'য়। আজি সামৰণিৰ দিনা শিশু গৃহটিত থকা শিশুসকলৰ মাজত স্বচ্ছতা সম্পৰ্কে দুটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'য়। প্ৰতিযোগিতাৰ অন্তত আয়োজিত স্বচ্ছতা সম্পৰ্কে সজাগতা আৰু বঁটা বিতৰণী সভাত তিনিচুকীয়া জিলাৰ জিলা শিশু সুৰক্ষা গোটৰ কাউন্সিলৰ পৰিস্মৃতা শৰ্মা, হাপজান প্ৰাথমিক শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি দিতুল চেতিয়া, ১ নং ছোটহাপজান প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰামেশ্বৰ মাহাত্ব, ১ নং ছোটহাপজান অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী মণিষা বৰা আৰু লংছোৱাল অঞ্চলৰ আশা কৰ্মী সব্যা বৰ্মনে অংশগ্ৰহণ কৰি শিশুসকলক স্বচ্ছতা সম্পৰ্কে বিভিন্ন দিহা-পৰামৰ্শমূলক বক্তব্য প্ৰদান কৰে। শিশু গৃহটিৰ কেছ ৱৰ্কাৰ জীনামণি ফুকনে আঁত ধৰা অনুষ্ঠানটোত গৃহটোৰ তত্বাৱধায়িকা তৃষ্ণা বৰা, মানসিক পৰামৰ্শদাতা ত্ৰিদিশা মহন্ত আৰু শৈক্ষিক পৰামৰ্শদাতা দীক্ষিতা বৰুৱা উপস্থিত থাকে । আনহাতে মাকুম বেতজানস্থিত ল'ৰাৰ শিশু গৃহটিৰ হাউচ ফাডাৰ চৈয়দ হিফজু ৰহমানে উক্ত শিশু গৃহৰ শিশুসকলৰ সৈতে অনুষ্ঠানটোত অংশগ্ৰহণ কৰে । অনুষ্ঠানৰ শেষত চিত্ৰাংকন প্ৰতিযোগিতাৰ দুয়োটা শাখাতে প্ৰথম তিনিটা স্থান লাভ কৰা শিশুসকলক বঁটা প্ৰদান কৰে আৰু শিশু গৃহৰ ছাত্ৰীসকলে এটি দলীয় নৃত্য পৰিৱেশন কৰে।

# ১২৮ বছৰীয়া হ'ল তিনিচুকীয়া আঃপ্ৰাঃ বিদ্যালয়

ই-সংবাদ , তিনিচুকীয়া, ১৫ মাৰ্চ: বাণিজ্যিক চহৰ তিনিচুকীয়াৰ তুলসীৰাম পথস্থিত ঐতিহ্যমণ্ডিত তিনিচুকীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ে অহা ২০ মাৰ্চত ১২৮ বছৰত ভৰি দিব । ১৮৯৭ চনত স্থাপিত তিনিচুকীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ে অসংখ্য ঘাত-প্ৰতিঘাতেদি অনেক ইতিহাস বুকুত সাঁচি ৰূপালী জয়ন্তী বৰ্ষ, সোণালী জয়ন্তী বৰ্ষ, শতবৰ্ষ আদি অতি সন্তৰ্পনে অতিক্ৰম কৰি ২০ মাৰ্চত ১২৮ বছৰত ভৰি দিব । আদি পাঠ লোৱা এই পঢ়াশালিখনিৰ স্মৃতি ৰোমন্থন কৰিবৰ বাবে ২০ মাৰ্চ তথা বিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসৰ দিনা সকলোৰে একগোট হোৱাৰ মানসেৰে এখনি সভা তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন সমাৰোহৰ এটি অনুষ্ঠপীয়া কাৰ্য্যসূচীৰ আয়োজন কৰিছে ।

# ডিব্ৰুগড়ত কেন্দ্ৰীয় ডিব্ৰুগড় ঈদগাহ সমিতিৰ উদ্যোগত ইফটাৰ পাৰ্টিত বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনা

**ই-সংবাদ, ডিব্ৰুগড়, ১৪ মাৰ্চঃ** পবিত্ৰ ৰমজান মাহ উপলক্ষে প্ৰতিবছৰৰ দৰে এই বছৰো ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰত থকা কেন্দ্ৰীয় ডিব্ৰুগড় ঈদগাহ কমিটীৰ উদ্যোগত বিশ্ব শান্তি আৰু ভাতৃত্ববোধৰ উদ্দেশ্যৰে কালি ৰমজানৰ ইফটাৰ পাৰ্টি অনুষ্ঠিত কৰা হয়। এই উদ্দেশ্যে ডিব্ৰুগড়ত থকা ৩০ টা মছজিদ জামাতৰ ৰোজাদাৰসকল উপস্থিত হৈ ইফটাৰ পাৰ্টিত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ডিব্ৰুগড় ঈদগাহৰ সম্পাদক আলহজ চৌকত আলীয়ে সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰাৰ পিছত স্থানীয় নালিয়াপুল মছজিদৰ পেছ ঈমাম চৈয়দ মোবাৰক হুছেইনে ৰোজা বা উপবাসৰ গুৰুত্ব সম্পৰ্কত বক্তব্য দাঙি ধৰি কয় যে আমি ১১ মাহেই উদৰ পূৰাই খাওঁ কিন্তু এটা মাহ আমি কষ্ট কৰিব নোৱাৰোঁ। কিছুমান মুছলিম মানুহে পবিত্ৰ কোৰান হাদিছৰ মতে ৰোজাৰ ইয়াৰ নীতি নিয়ম পালন নকৰোঁ বা ৰোজা কি কি কাৰণত ভংগ হ'ব পাৰে বা পালন কৰাৰ সময়ত কেনেধৰণৰ সংযমী হ'ব লাগে, বিশেষকৈ পুৰুষসকলে ৰোজাব্ৰত পালন কৰাৰ সময়ত যে খং-ৰাগ নকৰি সংযম হৈ শান্তি পূৰ্ণভাৱে সকলোৰে লগত সৎ ব্যৱহাৰ কৰি এই মাহটো পালন কৰিব লাগে। এই অনুষ্ঠানত ডিব্ৰুগড় জাকাত এণ্ড ইমদাদ ফাউণ্ডেচন, ডিব্ৰুগড় চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজ, ডিব্ৰুগড় ঈদগাহ, ডিব্ৰুগড় মাজাৰ সমিতিকে আদি কৰি কেবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানৰ সদস্যৰ লগতে কেবাগৰাকীও বিশিষ্ট আলিম উলামা আদি উপস্থিত থাকে। ৰোজা ভংগ কৰাৰ পূৰ্বে বিশ্ব শান্তিৰ কাৰণে,



দেশৰ-দহৰ কাৰণে দুহাত তুলি সৰ্বশক্তিমানৰ ওচৰত দোৱা প্ৰাৰ্থনা কৰে সুবক্তা জোনাব চৈয়দ মোবাৰক হুছেইনে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় ঈদগাহ কমিটীৰ সম্পাদক চৌকত আলীয়ে সকলকে ধন্যবাদ জ্ঞাপন কৰে আৰু আগন্তুক ঈদুল ফিতৰ আৰু ঈদুজ্জোহাৰ নামাজ এইখন ঈদগাহ ময়দানতে পঢ়িবলৈ সকলোকে অনুৰোধ জনায়।

# দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ উদ্যোগত আলোচনা চক্ৰ আৰু সম্বৰ্ধনা সভা

**ই-সংবাদ, মিৰ্জা, ১৫ মাৰ্চঃ** বৃহত্তৰ দক্ষিণ কামৰূপৰ ১৯৯৫ চনত স্থাপিত হোৱা দক্ষিণ কামৰূপ প্ৰেছ ক্লাব সাংবাদিক, শিল্পী, সাহিত্যিকৰ অন্যতম অনুষ্ঠান। দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ উদ্যোগত কাইলৈ দিনজোৰা কাৰ্যসূচীৰে উপৰহালী ভাওৰা গোপাল গোঁসাইঘৰ উপৰহালী ৰাইজ গয়ৰহৰ প্ৰাংগণত দক্ষিণ কামৰূপত পৰ্যটন উদ্যোগৰ সম্ভাৱনা, বিকাশ আৰু ৰাইজৰ কৰণীয় শীৰ্ষক এখনি আলোচনা চক্ৰ আৰু সম্বৰ্ধনা সভা আয়োজন কৰা হৈছে। দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ সভাপতি অশ্বিনী কুমাৰ তালুকদাৰ, সম্পাদক বিশ্বজিৎ কলিতা, কাৰ্যকৰী সভাপতি যাদৱ কিংকৰ শৰ্মা, সহঃ সম্পাদকদ্বয় নীৰেন মালী, ফটিক ঠাকুৰীয়াৰ উপস্থিতিত উক্ত সভাখন অনুষ্ঠিত কৰা হ'ব। সভাৰ কাৰ্যক্ৰমণিকা ক্ৰমে পুৱা ১০.৩০ বজাত বন্তি প্ৰজ্বালন আৰু স্মৃতি তৰ্পণ, ১০.৪৫ বজাত সাংস্কৃতিক কাৰ্যসূচীমুকলি, ১১ বজাত আলোচনা চক্ৰ আৰু সম্বৰ্ধনা সভা উদ্বোধন। বিশেষ সাংস্কৃতিক কাৰ্যসূচী মুকলি কৰিব বিশিষ্ট কণ্ঠশিল্পী কুমাৰ ভৰেশে। অনুষ্ঠানত দখলা অগ্ৰগামী ছিষ্টাৰ্ছ মিউজিক গ্ৰুপৰ সদস্য/সদস্যাসকলক সম্বৰ্ধনা জনোৱা হ'ব। উক্ত অনুষ্ঠানত ৰাইজক সক্ৰিয় অংশগ্ৰহণেৰে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

# মথুৰাপুৰত ভয়ংকৰ পথ দুৰ্ঘটনাত কিশোৰ নিহত

**ই-সংবাদ, মথুৰাপুৰ, ১৫ মাৰ্চঃ** হোলীৰ আনন্দৰ মাজতে শুকুৰবাৰে দিনৰ প্ৰায় ৩ বজাত মথুৰাপুৰ তিনিআলিৰ ধোদৰ আলিত শোকাৰহ পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত এজন কিশোৰ নিহতহয়। জানিব পৰা মতে, AP-31 TG-1224 নম্বৰৰ এখন মালবাহী ট্ৰাকৰ খুন্দাত চাইকেল আৰোহী এজন কিশোৰ গুৰুতৰভাৱে আহত হয়। সংকটজনক অৱস্থাত আঘাতপ্ৰাপ্ত কিশোৰজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও কিশোৰজনৰ মৃত্যু ঘটে। মৃত কিশোৰটি চৰাইদেউ জিলাৰ মাইবেলা বাগান লাইনৰ বাসিন্দা ৰামেশ্বৰ উৰিয়াৰ পুত্ৰ শিৱা উৰিয়া বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নল'লে ডিঙিত! বাওঁহাতেৰে শ্বাহে ল'লে

গৌৰৱান্বিত হোৱাৰ সময় আছিল সেই বিশেষ দিনটো। সামাজিক মাধ্যমত শুভেচ্ছা জনাই তত্ হেৰুৱাইছিল শাসকীয় দলৰ নেতাই। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ বাবে ধন্যবাদ আৰু প্ৰশংসাৰে উপচাই পেলাইছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক। কিন্তু সেইগৰাকী মুখ্যমন্ত্ৰীৰ উপস্থিতিতেই নৰেন্দ্ৰ মোদী মন্ত্ৰীৰ অতি ঘনিষ্ঠ বুলি পৰিচিত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অসমীয়াৰ প্ৰাণৰো আপোন গামোচাক অপমান কৰাৰ অভিযোগ উত্থাপিত হৈছে। দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমী উদ্বোধন কৰিবলৈ শুকুৰবাৰে সন্ধিয়া যোৰহাটৰ ৰৌৰিয়া বিমান বন্দৰত উপস্থিত হৈছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। অমিত শ্বাহক আদৰণি জনাবলৈ গুৱাহাটীৰ পৰা ঢপলিয়াই গৈছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। উপস্থিত আছিল কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱাল, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াকে আৰম্ভ কৰি বহু কেইগৰাকী বিজেপিৰ নেতা। আদৰণি জনাবলৈ যোৱা প্ৰায় প্ৰতিগৰাকীৰ হাততে আছিল অসমীয়াৰ স্বাভিমান গামোচা। অমিত শ্বাহে বিমানৰ পৰা অৱতৰণ কৰাৰ পাছতেই পোনতে মুখ্যমন্ত্ৰীয়ে আদৰণি জনাবলৈ অমিত শ্বাহৰ ডিঙিত গামোচাখন পিন্ধাবলৈ আগবাঢ়ে। কিন্তু এই অভিবাদনৰ প্ৰতি চূড়ান্ত অৱমাননা কৰি অতি দৃষ্টিকটুভাৱে গামোচাখন ডিঙিত পিন্ধাৰ সলনি হাতত লৈ আগবাঢ়ে অমিত শ্বাহ। কেৱল মুখ্যমন্ত্ৰীয়েই নহয়, উপস্থিত যিকেইজনে অমিত শ্বাহক অভিবাদন জনাবলৈ গামোচা আগবঢ়াই দিছিল, প্ৰতিজন নেতাৰে গামোচা ডিঙিত লোৱাৰ সলনি হাতেৰে সংগ্ৰহ কৰি আগবাঢ়ে অমিত শ্বাহ। ৰাজ্যিক বিজেপিৰ সভাপতি দিলাপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, কামাখ্যা প্ৰসাদ তাছা, হিতেন্দ্ৰনাথ গোস্বামী, তপন গগৈ, ৰূপজ্যোতি কুৰ্মী, শান্তনু পুজাৰী প্ৰভৃতি নেতাই আগবঢ়োৱা গামোচাও একেই দৃষ্টিকটুভাৱে গ্ৰহণ কৰে অমিত শ্বাহে। এই ঘটনাৰ পাছতেই বিৰোধী ৰাজনৈতিক দলৰ পৰা আৰম্ভ কৰি সচেতন ব্যক্তিসকলেও ব্যক্ত কৰিছে প্ৰতিক্ৰিয়া। সকলোৰে অমিত শ্বাহৰ এই আচৰণৰ গৰিহণা দিয়াৰ লগতে ইয়াৰ অমীয়া জাতিৰ প্ৰতি অপমান বুলি মন্তব্য কৰিছে। যিসময়ত প্ৰধানমন্ত্ৰীয়ে গলত গামোচা পৰিধান কৰি ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰি আহিছে, সেই সময়ত অমিত শ্বাহে গামোচাৰ প্ৰতি কৰা এনে আচৰণক অপমান বুলিয়েই গণ্য কৰিছে একাংশ লোকে। সামাজিক মাধ্যমতো ইয়ে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# পশ্চিম দৰঙত ট্ৰেক্টৰৰ দৌৰাত্ম্য

**ই-সংবাদ, দুনী, ১৫ মাৰ্চঃ** দৰঙৰ পশ্চিমাঞ্চলত ট্ৰেক্টৰৰ দৌৰাত্ম্যত জনসাধৰণে ত্ৰাহি মধুসুদন সুঁৱৰিব লগা হৈছে। বুঢ়া আৰু পাথৰিঘাট আৰক্ষী চকীৰ নাকৰ আগতে সমগ্ৰ গ্ৰাম্য এলেকাত দৈনিক ট্ৰেক্টৰেৰে মাটি কটাৰ ফলত পথ, উপ-পথ ধূলিময় হৈ পৰিছে। সমান্তৰালভাৱে ধূলিৰ প্ৰকোপে সৃষ্টি কৰিছে প্ৰদূষণৰ। যাৰ ফলত নানান ৰোগৰ সন্মুখীন হৈছে জনসাধৰণ। বিশেষকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল ভীষণ হাৰাশাস্তিৰ সন্মুখীন হৈছে। ইয়াৰ ফলত জ্বৰ-কাঁহৰ লগতে শ্বাস-প্ৰশ্বাসজনিত ৰোগত ভুগিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। ইপিনে, মাটি কাটি থকা ট্ৰেক্টৰৰ নাই উপযুক্ত কাগজ-পত্ৰ। নাই চালকৰ অনুজ্ঞাপত্ৰও। মালিকসকলে সৰু সৰু ল'ৰা হাতত ট্ৰেক্টৰবোৰ এৰি দিয়াত দুৰ্ঘটনাৰ সম্ভাৱনাই গা কৰি উঠাত সচেতন মহল উদ্বিগ্ন হৈ পৰিছে। উল্লেখ্য যে যোৱা দুদিনত হোৱা


AI Generated Image

বৰষুণৰ ফলত পথসমূহত ট্ৰেক্টৰৰ পৰা পৰি যোৱা মাটিয়ে পথত বোকাময় পৰিৱেশৰ সৃষ্টি কৰাত কেইৰাটাও সৰু-বৰ দুৰ্ঘটনা সংঘটিত হৈ কেবাজনো লোক ঘূণীয়া হ'বলীয়া হৈছে। তেনেদৰে গাঁৱে-ভূঞে, ইটা ভাটাসমূহত ট্ৰেক্টৰৰ দৌৰাত্ম্যই ৰাইজক জলা-কলা খুৱাই আছে। জধে-মধে মাটি কাটি গড়কাপ্তানী পথ কিম্বা গ্ৰাম্য পথবোৰো ছিন্ন ভিন্ন কৰি পেলাইছে। সচেতন মহলে কাগজ-পত্ৰ বিহীন ট্ৰেক্টৰবোৰ জব্দ কৰাৰ লগতে অনুজ্ঞাপত্ৰহীন চালকক শাস্তি প্ৰদানৰ দাবী তুলিছে।

# চতিয়াত দৌল উৎসৱত উখল মাখল পৰিৱেশ

ই-সংবাদ, চতিয়া, ১৫ মাৰ্চঃ অসমৰ প্ৰথমখন মুকলি বিহু চতিয়াৰ মাধুৰী আঁহতৰ তলৰ মুকলি বিহু। শতবৰ্ষ গৰকা মাধুৰী আঁহতৰ তলৰ মুকলি বিহু মেলা উদযাপন সমিতিৰ উদ্যোগত আজি দৌল উৎসৱ ফাকুৱা উপলক্ষে চতিয়াৰ জয়দেউ থানৰ পৰা ঐতিহাসিক মাধুৰী আঁহতৰ তললৈ আবিৰৰ ৰং আৰু হোলী গীত গাই শোভাযাত্ৰা উলিওৱা হয়। অঞ্চলটোৰ আবাল-বৃদ্ধ-বনিতাৰ পৰা ডেকা-গাভৰু সকলো আবিৰৰ ৰঙত বিলীন হৈ পৰে। আজিৰ এই শোভাযাত্ৰাত চতিয়াৰ মাৰোৱাৰী সমাজকে আদি কৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰে।

# হোলী গীতেৰে মুখৰিত ৰঙিয়াৰ কেন্দুগুৰি পোৰাঢাপ ক্ষেত্ৰ

**ই-সংবাদ, ৰঙিয়া, ১৫ মাৰ্চঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে ৰঙিয়াতো আজি উদযাপন কৰা হয় ৰঙৰ উৎসৱ হোলী।ৰঙিয়াৰ অন্যতম পুৰণি ধৰ্মীয় অনুষ্ঠান ইতিহাস প্ৰসিদ্ধ কেন্দুগুৰি পোৰাঢাপ ক্ষেত্ৰত তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হয় ৬৬ সংখ্যক দৌলযাত্ৰা মহোৎসৱ। তদুপলক্ষে আজি সামৰণিৰ দিনটোত আকৰ্ষণীয় কাৰ্যসূচী ৰূপে ৰূপায়ণ কৰা হয় ভাগৱত তথা সাংস্কৃতিক শোভাযাত্ৰা। সমগ্ৰ অঞ্চলজুৰি উলিওৱা শোভাযাত্ৰা কালত শ্ৰী কৃষ্ণ বন্দনাৰে মুখৰিত হৈ পৰে সমগ্ৰ অঞ্চল।পৰম্পৰাগত হোলী গীত পৰিৱেশনৰে ফাকুৱা আবিৰৰ ৰং সানি ভক্তসকল ৰঙীন হৈ পৰে। আনহাতে, কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়া বন্তি প্ৰজ্বলনৰ লগতে নিশাৰ ভাগত সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। পল আকাশ, মিছ মমী আৰু বাঁহীৰাজে পৰিৱেশন কৰা সাংস্কৃতিক অনুষ্ঠানে সমবেত ৰাইজক আপ্লুত কৰে।

# বাঘমাৰা চৰ ছাত্ৰ সংগঠনৰ নতুন সমিতিৰ শপত গ্ৰহণ অনুষ্ঠান আৰু সমূহীয়া ইফটাৰৰ আয়োজন

**ই-সংবাদ, শিমলীতোলা, ১৫ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰৰ অৰাজনৈতিক সংগঠন বাঘমাৰা চৰ ছাত্ৰ সংগঠনৰ পুৰণা কমিটীৰ কাৰ্যকাল উকলি যোৱাত ২০২৫-২৬ ইং বৰ্ষৰ বাবে সাধাৰণ সভাৰ জৰিয়তে নতুন কমিটী গঠন কৰা হয়। কালি নৱ গঠিত কমিটীৰ বিষয়ববীয়া ক্ৰমে সাহানুৰ ৰহমান সভাপতি, ইনামুল হক কাৰ্যকৰী সভাপতি, ইমান আলী ফকিৰ, আব্বাছ আলী আৰু জাহাংগীৰ হুছাইন উপ-সভাপতি, ৰফিকুল ইছলাম সাধাৰণ সম্পাদক, নুৰজামাল হুছাইন, সাহাবুল ইছলাম আৰু হাচেন আলী সহঃ সাধাৰণ সম্পাদক সহ মুঠ ৩১ জন বিষয়ববীয়াই আনুষ্ঠানিকভাৱে শপত লয়। শপত বাক্য পাঠ কৰোৱায় ছাত্ৰ সংগঠনৰ প্ৰাক্তন সভাপতি তথা বাঘমাৰা চৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহঃ শিক্ষক তৈয়ব আলী শ্বেখে। সভাত বিভিন্ন সমাজ উন্নয়নমূলক কাম-কাজৰ বিষয়ে আলোচনা কৰা হয় আৰু আগন্তুক দিনত কেনেদৰে সমাজৰ হকে নতুন কমিটীয়ে কাৰ্যপন্থা হাতত লৈ কাম কৰিব সেই বিষয়েও বিতংকৈ আলোচনা কৰা হয়। শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে বাঘমাৰা চৰ সমবায় সমিতিৰ সভাপতি এম মুছুৰুদ্দিন আহমেদ, বাঘমাৰা চৰ বজাৰ পৰিচালনা কমিটীৰ সভাপতি আবু মুছা, সম্পাদক ছোলেমান আলী সৰকাৰ, সংগঠনৰ প্ৰাক্তন সভাপতি হুছনি আদিল শ্বাহ, জাকিৰ হুছেইন সৰকাৰ, সংগঠনৰ প্ৰাক্তন সম্পাদক আঃ আজিজ, ৰফিকুল ইছলাম, হাফিজুৰ ইছলাম, আব্দুৰ ৰহমান, ৰুমানুল হকৰ লগতে ভালে সংখ্যক গণ্য মান্য ব্যক্তি।

# জয়সাগৰত এজেৱাইচিপিৰ নেতাক দলবদ্ধ আক্ৰমণ

**ই-সংবাদ, শিৱসাগৰ, ১৫ মাৰ্চঃ** হৌলীৰ আনন্দ উছাহৰ মাজতে কালি সন্ধিয়া শিৱসাগৰৰ জয়সাগৰত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ১০-১২ জনীয়া যুৱকৰ দলে অসম জাতীয়তাবাদী যুৱছাত্ৰ পৰিষদৰ নগৰ সমিতিৰ সভাপতি দেৱাশীষ দত্ত বৰুৱাক গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰে। গুণ্ডা প্ৰকৃতিৰ দলটোৱে এটি সামান্য ঘটনাৰ আলম লৈয়ে প্ৰচণ্ড মাৰপিটত লিপ্ত হয়। আগভেটি ধৰি মাৰপিট কৰা এই কাণ্ডত আকাশ জ্যোতি ৰাজকোঁৱৰ আৰু দ্বীপজ্যোতি ৰাজকোঁৱৰৰ নামৰ দুই যুৱক জড়িত থকা বুলিও এজাহাৰত উল্লেখ কৰিছে দেৱাশীষ দত্ত বৰুৱাই। অভিযোগ অনুসৰি ভটীয়াপাৰ পৰা জোনাকী নগৰ অভিমুখে দেৱাশীষ দত্ত বৰুৱা নিজৰ বাহনেৰে পৰিয়ালসহ গৈ থাকোঁতেই যুৱকৰ দলটোৰ এখন গাড়ীত সামান্য ঘঁহনি খায়। তাৰ পিছতে দলটোৱে দেৱাশীষ দত্ত বৰুৱাৰ গাড়ী বাটত আগভেটি ধৰি মাৰপিতত লিপ্ত হয়। দলবদ্ধ আক্ৰমণৰ ফলত ছাত্ৰ নেতা গৰাকীয়ে শৰীৰ ভিন্ন অংগত আঘাতপ্ৰাপ্ত হোৱাৰ উপৰিও সোণৰ চেইন, নগদ ধন কাঢ়ি লৈ যোৱা বুলি অভিযোগ উত্থাপন কৰিছে। আনকি দেৱাশীষ দত্ত বৰুৱাই চলাই যোৱা গাড়ীখনত থকা মহিলা যাত্ৰীকো অভব্য আচৰণ কৰে বুলি অভিযোগ তুলিছে। ঘটনা সন্দৰ্ভত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নেতা গৰাকীয়ে জয়সাগৰ আৰক্ষীৰ চকীত এজাহাৰ দাখিল কৰে। এই ঘটনাটোক লৈ অঞ্চলটোত বৰ্তমানো চেপা উত্তেজনাই বিৰাজ কৰা পৰিলক্ষিত হৈছে।

# অস্তিত্বৰ সংকটত থকা হাউলীৰ ঘিলাঝাৰী সত্ৰক উজ্জীৱিত কৰাৰ আহ্বান

**ই-সংবাদ, বৰপেটাৰোড, ১৫ মাৰ্চঃ** যোৱা ১৪ মাৰ্চত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পাটবাউসী সত্ৰ পৰিদৰ্শন কৰা সময়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পদধূলা পৰা প্ৰতিটো অঞ্চল তথা সত্ৰক বৰ্ণাঢ্য ৰূপত প্ৰতিষ্ঠিত কৰাৰ বাবে অসম চৰকাৰে এক সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি কৰা ঘোষণাই অতি সম্প্ৰতি অস্তিত্বৰ সংকটত ককবকাই থকা হাউলীৰ প্ৰাচীন ঘিলাঝাৰী সত্ৰখন পুনৰ উজ্জীৱিত কৰাৰ ক্ষেত্ৰত কঢ়িয়াই অনা প্ৰত্যয় আৰু আশাৰ বতৰাই ভক্তপ্ৰাণ ৰাইজক উৎসাহিত কৰি তুলিছে। এই সন্দৰ্ভত অসম সত্ৰ মহাসভাৰ উত্তৰ-পশ্চিম মণ্ডলৰ সাংস্কৃতিক সম্পাদক তথা বৰপেটা জিলা সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে প্ৰকাশ কৰা এটা বিবৃতিত মুখ্যমন্ত্ৰীৰ এনে ঐতিহাসিক আৰু সুদূৰপ্ৰসাৰী সিদ্ধান্তক আদৰণি জনাই কয় যে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু কোচ ৰজা নৰনাৰায়ণৰ প্ৰথম মিলনস্থলী হাউলীৰ ঐতিহ্যমণ্ডিত ঘিলাঝাৰী সত্ৰ আজি গভীৰ সংকটত। সত্ৰখনে যেনেধৰণে জাতীয় জীৱনক সমৃদ্ধ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগিছিল, তেনেধৰণে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰাৰ বাবে সত্ৰখনৰ অস্তিত্বক লৈ ভাবুকি নামি আহিছে। বিভিন্ন কাৰণত ৰাইজৰ সৱল প্ৰচেষ্টাৰ ফলতো সত্ৰখনে পূৰ্ণাংগ ৰূপ পোৱা নাই। ২০২১-২২ চনত সত্ৰখনে 'অসম দৰ্শন আঁচনি'ৰ যোগেদি ১০ লাখ টকাৰ অনুদান লাভ কৰিছিল যদিও বৰপেটা জিলা প্ৰশাসনৰ উপযুক্ত তৎপৰতাৰ অভাৱত এই অনুদান পূৰ্ণাংগ ৰূপত ব্যৱহাৰ হোৱা নাই। অসম সত্ৰ মহাসভাৰ বৰপেটা জিলা সমিতিৰ প্ৰচাৰ সম্পাদকে প্ৰসংগক্ৰমে উল্লেখ কৰে যে, এই সত্ৰখন অৱস্থিত অঞ্চলটোতেই গুৰুজনাই চাৰিমাহ কাল থাকি ধৰ্ম প্ৰচাৰ কৰিছিল। শনিৰ দশাত পৰা কোচ ৰজা নৰনাৰায়ণে যেতিয়া ওখ মাটি বিচাৰি ফুৰিছিল তেতিয়া ৰজাই এই ঘিলাঝাৰীতেই ওখ মাটিৰ সন্ধান লাভ কৰি ৰাজধানী স্থাপন কৰিছিল। ঠিক সেইসময়তে পাটবাউসীত থকা শংকৰদেৱে ৰজা নৰনাৰায়ণৰ গুণ-গৰিমাৰ কথা শুনি এই ঘিলাঝাৰীতেই ৰজাক সাক্ষাৎ কৰিছিল। গুৰুচৰিতৰ মতে, গুৰুজনাই ৰজা নৰনাৰায়ণক সাক্ষাতৰ সময়ত ভেটি নিৰ্মাণৰ বাবে কলা মাহ, দুচৰু প্ৰদান কৰিছিল। গুৰুজনা আৰু ৰজা নৰনাৰায়ণৰ চিনস্বৰূপে ৰজাৰ ঘৰচীয়া সত্ৰ হিচাপে এই ঘিলা সত্ৰ স্থাপন হয়। কালক্ৰমত কোনো বসতিনোহোৱা বাবে সত্ৰখন নোহোৱা হৈ পৰে। পিছত শংকৰদেৱৰ নাতি চতুৰ্ভূজ ঠাকুৰে জাৰণিত পৰিণত হোৱা এই সত্ৰখন উদ্ধাৰ কৰে। সত্ৰখন পুনৰ প্ৰতিষ্ঠাৰ সময়ত ৰাজত্ব কৰা বীৰ চিলাৰায়ৰ নাতি পৰীক্ষিত নাৰায়ণে চতুৰ্ভুৰ্জ ঠাকুৰৰ ওচৰত শৰণ লৈ সত্ৰখনৰ বাবে ১৮শ বিঘা মাটি দান কৰিছিল। ১৮২২ খ্ৰীষ্টাব্দত মান সৈন্যই এই সত্ৰৰ একান্ত সেৱক ৰজা চণ্ডীবৰুৱাৰ ৰাজধানী বৰনগৰ আক্ৰমণ কৰি ধ্বংস কৰা আৰু এই যুদ্ধতেই ৰজা চণ্ডীবৰুৱাৰ মৃত্যু হোৱাৰ ফলত সত্ৰখনৰ চাকিও নুমুৱাৰ উপক্ৰম হয়। মানৰ আক্ৰমণৰ পিছত অঞ্চলটোৰ শাসনভাৰ ইংৰাজৰ হাতলৈ যোৱাত ৰজা পৰীক্ষিতে দান দিয়া মাটিৰ তথ্য হেৰাই যোৱাত সমগ্ৰ মাটি চৰকাৰৰ হাতলৈ যায়। বৰ্তমানে সত্ৰখন এক বিঘা এক লেছা মাটিত অৱস্থিত হৈ আছে। অসম সত্ৰ মহাসভা বৰপেটা জিলা সমিতিয়ে মুখ্যমন্ত্ৰীক চৰকাৰে গুৰুজনাৰ স্মৃতি বিজড়িত সকলোবোৰ অঞ্চল তথা সত্ৰক পুনৰ উজ্জীৱিত কৰাৰ বাবে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি প্ৰাচীন ঘিলাঝাৰী সত্ৰখনকো জাতীয় জীৱনৰ এক অনবৈদ্য অংগ হিচাপে সৰ্বাত্মক ৰূপত গঢ়ি তুলিবলৈ আহ্বান জনাইছে।

# চেঙাত এম বি বি এছ্ পাঠ্যক্ৰমত চৰাঞ্চলৰ শিক্ষাৰ্থীৰ আসন সংৰক্ষণ প্ৰত্যাহাৰৰ তীব্ৰ বিৰোধিতা

**ই-সংবাদ, শিমলীতোলা, ১৫ মাৰ্চঃ** অসম চৰকাৰে শেহতীয়াকৈ এমবিবিএছ পাঠ্যক্ৰমত চৰাঞ্চলৰ শিক্ষাৰ্থীৰ আসন সংৰক্ষণ প্ৰত্যাহাৰ কৰা বিষয়টোলৈ বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বৃহৎ চৰাঞ্চলৰ বিভিন্ন দল-সংগঠন, ছাত্ৰ-ছাত্ৰীৰ লগতে সচেতন সমাজে সৰ্বত্ৰে ধিক্কাৰ জনাইছে। গোটেই জীৱন নদীৰ লগত মৰণ পণ যুঁজ দি জীয়াই থকা এই অঞ্চলবোৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পিছপৰা। ব্ৰহ্মপুত্ৰৰ পানী পঞ্চামৃত বুলি ধৰি বালিচৰক সোণ বুলি ভাবি জীৱন জীয়াই ৰখা যুঁজত জীৱন অতিবাহিত কৰি আহিছে চৰাঞ্চলৰ মানুহখিনিয়ে। ২০০১ চনৰ লোকপিয়ল মতে অসমৰ ১৪খন জিলাত ২৩টা মহকুমাৰ ২২৯খন গাঁও পঞ্চায়তৰ ২২৬১খন গাঁও চৰাঞ্চলত অৱস্থিত। চৰাঞ্চলে অসমৰ সৰ্বমুঠ ভৌগোলিক আয়তনৰ ৩৬০৮ বৰ্গ কিলোমিটাৰ অৰ্থাৎ মূল ভূ-খণ্ডৰ ৪.৬% সামৰি লৈছে। সেই সময়ত অসমত শিক্ষাৰ হাৰ আছিল ৬৪.৩%। অন্যহাতে, চৰাঞ্চলত স্বাক্ষৰ লোকৰ হাৰ আছিল ১৫.৪৫% । ২০০২-২০০৩ চনত হয়গৈ ১৯.৩১%। এই সময়ছোৱাতো শিক্ষাৰ হাৰ বঙাইগাঁও, কামৰূপ, ধুবুৰী আৰু তিনিচুকীয়া জিলাৰ চৰাঞ্চলত কমিহে আহিছে। এই চৰাঞ্চলসমূহ শিক্ষা, স্বাস্থ্য, যাতায়াত, যোগাযোগ আদি সকলো ক্ষেত্ৰতে পিছপৰা তথা মূল সুঁতিৰ ভূ-খণ্ডৰ পৰা প্ৰায় বিচ্ছিন্ন। অসমৰ এক বৃহৎ জনগোষ্ঠীয়ে বসবাস কৰা চৰাঞ্চলৰ উন্নয়ন অবিহনে অসমৰ সৰ্বাংগীন বিকাশ সম্ভৱ নহয় বুলি জানিও কিয় এনে হঠকাৰী সিদ্ধান্ত ল'লে বুলি সচেতন ৰাইজে প্ৰশ্ন উত্থাপন কৰে। অসমৰ মুখ্যমন্ত্ৰীয়ে মাদ্ৰাছা বন্ধ কৰাৰ সময়ত ধৰ্মীয় সংখ্যালঘু শিক্ষাৰ্থীক চিকিৎসক, অভিযন্তা হোৱাটো বিচাৰে বুলি কৈ এতিয়া ওলোটা খৰ মাৰি চৰাঞ্চলৰ শিক্ষাৰ্থীৰ বাবে এম বি বিএছ পাঠ্যক্ৰমৰ সংৰক্ষণ ব্যৱস্থা প্ৰত্যাহাৰ কৰাক লৈ চৰাঞ্চলৰ সচেতন ব্যক্তিসকলে তীব্ৰ নিন্দা জনাই বিষয়টো পুনৰ বিবেচনাৰ বাবে অসমৰ মুখ্যমন্ত্ৰীক দাবী জনায়। এনে ক্ষেত্ৰত বিজেপি চৰকাৰৰ 'সৰকা সাথ সৰকা বিকাশ' মাথোঁ শ্ল'গান, কাৰ্যতঃ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিকভাৱে সকলো ক্ষেত্ৰতে পিছপৰা ধৰ্মীয় সংখ্যালঘু মানুহখিনিক একেলগে আগবঢ়াই লৈ যাব নিবিচৰাটো দুৰ্ভাগ্যজনক বুলি সমালোচনা কৰে। দেশৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত এখন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে যি সংকল্প লৈছে সেয়া চৰাঞ্চলৰ বৃহৎ জনগোষ্ঠীক বাদ দি সম্ভৱ নহয় বুলি দাবী কৰাৰ লগতে চৰকাৰৰ এই হঠকাৰী সিদ্ধান্তক তীব্ৰ বিৰোধিতা কৰি সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ দক্ষিণ বৰপেটাৰ চেঙা সমষ্টিৰ বৃহৎ চৰাঞ্চলৰ বিভিন্ন দল-সংগঠন, ছাত্ৰ-ছাত্ৰীৰ লগতে সচেতন ৰাইজে দাবী জনাইছে।

# অভয়াপুৰীত চোৰে লুটিলে সোণৰ আ-অলংকাৰ

**ই-সংবাদ, অভয়াপুৰী, ১৫ মাৰ্চঃ** গৃহস্থ ঘৰত নথকাৰ সুযোগত বঙাইগাঁও জিলাৰ অভয়াপুৰীত চোৰে সোণৰ আ-অলংকাৰ লুটি নিয়া ঘটনাই শংকিত কৰি তুলিছে অভয়াপুৰীবাসীক। জানিব পৰামতে, অভয়াপুৰী থানা তথা অভয়াপুৰীৰ প্ৰধান পথৰ কাষতে লোক এঘৰত সংঘটিত হৈছে উক্ত চুৰি কাণ্ড। জানিব পৰা মতে, অভয়াপুৰীৰ শিক্ষয়িত্ৰী ডেইজী কলিতাসহ সপৰিয়ালে তীৰ্থ ভ্ৰমণৰ উদ্দেশ্যে পশ্চিমবংগৰ নৱদ্বীপলৈ যোৱা ৮ মাৰ্চতে ঘৰৰ পৰা যায়। কালি ঘৰলৈ উভতি অহাৰ পাছতে চোৰে লুটপাট চলোৱাৰ তথ্য পোহৰলৈ আহে। চোৰে ঘৰৰ গ্ৰীল ভাঙি সকলো কোঠা লণ্ড-ভণ্ড কৰাৰ লগতে লোকাৰ ভাঙি সোণৰ আ-অলংকাৰ লুটি নিয়ে। চুৰি হোৱা আ-অলংকাৰ মূল্য প্ৰায় ৮ লাখ টকাৰ মূল্যৰ হ'ব বুলি পৰিয়ালৰ লোকে জনাইছ। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

# ভজোত পুনৰ খহিছে দিচাং নৈৰ দলং

## বিপজ্জনক যাতায়াত জনসাধাৰণৰ, সুচল কৰাৰ দাবী চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ



**ই-সংবাদ, সোণাৰি, ১৫ মাৰ্চঃ** ৰাজ্যত চৰকাৰে বিকাশৰ ঢাক-ঢোল বজাই বিভিন্ন সময়ত বিভিন্ন প্ৰচাৰ চলাই আহিছে যদিও চৰাইদেউ জিলাৰ সোণাৰি-মাহমৰা সমষ্টি সংযোগী এখন গুৰুত্বপূৰ্ণ দলং চাৰি বছৰে নিৰ্মাণ সম্পূৰ্ণ কৰিব নোৱাৰা কাৰ্যই উন্নয়নৰ ফোঁপোলা স্বৰূপটোকে উদঙাই দেখুৱাইছে। লোকনিৰ্মাণ বিভাগৰ গুৰুত্বহীনতাৰ বাবেই এতিয়া চাৰি বছৰ ধৰি নিৰ্মীয়মান অৱস্থাত থকা দলংখনৰ আধা অংশও সম্পূৰ্ণ হৈ নুঠাত এতিয়া বিভাগটোৰ কৰ্মদক্ষতাৰ ওপৰত প্ৰশ্ন উত্থাপন হৈছে সচেতন মহলত। চৰাইদেউ জিলাৰ অতি ব্যস্ত সোণাৰি-মাহমৰা সংযোগী পথৰ দিচাং নৈৰ ওপৰত থকা ভজো দলঙৰ বিধ্বস্ত অৱস্থাই শংকিত কৰি তুলিছে জনসাধাৰণক। উল্লেখ্য যে যাঠীৰ দশকতে নিৰ্মাণ কৰা দলংখন জৰাজীৰ্ণ হৈ পৰাত চাৰি বছৰ পূৰ্বে পুনৰ নতুন দলং নিৰ্মাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি বৰ্তমানৰ মুখ্যমন্ত্ৰী তথা সেই সময়ৰ বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আধাৰশিলা স্থাপন কৰিছিল যদিও দলংখন আজিকোপতি সম্পূৰ্ণ হৈ নুঠিল। এশ কোটি টকা বাজেটেৰে নিৰ্মীয়মান দলংখনৰ খুঁটাসমূহ পুৰণা দলঙৰ নিচেই কাষতে স্থাপন কৰাৰ ফলত দলংখনৰ দুয়োটা মূৰ খহিবলৈ ধৰাত অধিক বিধ্বস্ত অৱস্থা সৃষ্টি হৈছে। যাৰফলত জৰাজীৰ্ণ দলংখনেৰে বিপদসংকুলভাৱে যাতায়াত কৰিবলগীয়া হৈছে জনসাধাৰণে। মন কৰিবলগীয়া যে দলংখনৰ দুয়োটা মূৰ খহিবলৈ ধৰাত বিগত দুটা বছৰে গধুৰ যান-বাহন চলাচল কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল যদিও শেহতীয়াকৈ কেইটামান দিনত হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত দলঙৰ ভজো দিশৰ পাৰটো পুনৰ খহি পৰাত সৃষ্টি হৈছে অভাৱনীয় পৰিস্থিতি। সোণাৰিৰপৰা মাহমৰা সমষ্টিৰ বিভিন্ন ঠাইৰ লগতে মৰাণ নাইবা ডিব্ৰুগড়লৈ দৈনিক সহস্ৰাধিক লোকৰ যাতায়াত হয় এই দলংখনেৰে। সোণাৰিৰ বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে মাহমৰাৰপৰা ভজো ৰে'ল ষ্টেচনৰ ওপৰিও চিকিৎসা সম্পৰ্কীয় কাৰণত সোণাৰি নাইবা ডিব্ৰুগড়লৈ আহ-যাহ কৰা অন্যতম গুৰুত্বপূৰ্ণ পথটোৰ ওপৰত থকা দলংখনেই হ'ল দিচাং নদীৰ ওপৰত থকা ভজো দলং। কিন্তু অতি পৰিতাপৰ কথা যে এই দলংখনৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে এতিয়া জ্বলাকলা খাইছে জনসাধাৰণে। যাৰফলত জৰাজীৰ্ণ দলংখন মেৰামতি কৰাৰ লগতে নিৰ্মীয়মান দলংখনৰ কাম ক্ষিপ্ৰ কৰি তোলাৰ দাবীত সদৌ চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ লগতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ চৰাইদেউ জিলা সমিতিয়ে কেইবাবাৰো আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা লগতে টাইপা, আটছাকে ধৰি বিভিন্ন দল-সংগঠনে চৰাইদেউ জিলা প্ৰশাসনক দাবী জনায় অহাৰ লগতে সংবাদ মাধ্যমতো বাৰম্বাৰ প্ৰচাৰ কৰা হৈছে যদিও গা-লৰা নাই বিভাগীয় কৰ্তৃপক্ষৰ। আনহাতে, বিগত সময়ত দলংখনৰ খহনীয়া পৰিদৰ্শন কৰি কেবিনেট মন্ত্ৰী তথা মাহমৰা বিধানসভা সমষ্টিৰ বিধায়ক যোগেন মহনে শীঘ্ৰেই সমস্যা সমাধানৰ আশ্বাস দিছিল যদিও সেয়া ফুটুকাৰ ফেনতহে পৰিণত হ'ল। ইপিনে, দিচাং নদীৰ পানী বাঢ়ি অহাৰ লগে লগে নতুন দলংখনৰ কাম পুনৰ বন্ধ হৈ পৰা লগতে পুৰণা দলঙৰ অৱস্থা যে অতি ভয়াৱহ হ'ব সেই কথাৰো আশংকা কৰিছে ৰাইজে। ইয়াৰ পৰিপ্ৰেক্ষিতত নিৰ্মীয়মাণ দলংখন সম্পূৰ্ণ নোহোৱাপৰ্যন্ত পুৰণা দলঙখন শীঘ্ৰেই মেৰামতি কৰি যাতায়াত সুচল কৰি তুলিবলৈ দাবী উত্থাপন কৰিছে সদৌ চৰাইদেউ জিলা ছাত্ৰ সন্থাই।

---

## বকোত এম্বুলেঞ্চ দুৰ্ঘটনাগ্ৰস্ত, থিতাতে নিহত চালক

**ই-সংবাদ, বকো, ১৫ মাৰ্চঃ** দক্ষিণ কামৰূপৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত জোঙাখুলীত শনিবাৰে আবেলি এক ভয়াৱহ দুৰ্ঘটনা সংঘটিত হয়। প্ৰাপ্ত খবৰ অনুসৰি, নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিৰ দ-খাৱৈত লুটিখাই পৰে মাৰুতি ইক' এম্বুলেঞ্চখন। উল্লেখ্য যে দুৰ্ঘটনা সংঘটিত হোৱা সময়ত এম্বুলেঞ্চখনত কোনো ৰোগী নাছিল। দুৰ্ঘটনাত থিতাতে নিহত হয় এম্বুলেঞ্চখনৰ চালক লোহিত ৰাভা। নিহত লোহিত ৰাভাৰ ঘৰ বকোৰ পাঠশালাকোঠত বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাগ্ৰস্ত মাৰুতি ইক' এম্বুলেঞ্চখনৰ নম্বৰ AS25 FC 3406। ঘটনাস্থলীত বকো আৰক্ষী উপস্থিত হৈ মৃতদেহ মৰোণোত্তৰ পৰীক্ষাৰ বাবে বকো আৰক্ষী থানালৈ লৈ আহে।

## ফাকুৱাৰ আনন্দৰ মাজতে মথুৰাপুৰত শোকাৱহ পথ দুৰ্ঘটনা

### নিহত এজন, শিশু-মহিলাসহ আহত ৩

**ই-সংবাদ, সোণাৰি, ১৫ মাৰ্চঃ** ফাকুৱাৰ আনন্দৰ মাজতে আজি সন্ধিয়া চৰাইদেউৰ মথুৰাপুৰত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাত এজন বাইক আৰোহী থিতাতে নিহত হোৱাৰ লগতে শিশু-মহিলাসহ গুৰুতৰভাৱে আহত হয় তিনিজন লোক। নিহত লোকজনৰ নাম জয়ন্ত কুৰ্মী (২৩) বুলি জানিব পৰা গৈছে। গুৰুতৰভাৱে আহত লোককেইজনক চৰাইদেউ জিলা চিকিৎসালয়ত সংকটজনক অৱস্থাত চিকিৎসাৰ বাবে ভৰ্তি কৰোৱা হৈছে। প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়া অনুসৰি AS 04 AH 1873 নম্বৰৰ তীব্ৰবেগী বাহনখনে সন্মুখৰপৰা অহা এখন বাইকত নিয়ন্ত্ৰণ হেৰুৱাই খুন্দিওৱাৰ ফলত সংঘটিত হয় এই শোকাৱহ দুৰ্ঘটনাটো। দুৰ্ঘটনাত থিতাতে নিহত হয় বাইক আৰোহীজন। আনহাতে, এই দুৰ্ঘটনাত পতিত বাহনখনে এগৰাকী মহিলাৰ লগতে এটি শিশুকো মহতিয়াই পথৰ দাঁতিত বাগৰি পৰাৰ ফলত বাহনখনৰ চালকজনো গুৰুতৰভাৱে আহত হয়। আহত লোককেইজনৰ নাম বাতৰি লিখা পৰলৈকে জানিব পৰা হোৱা নাই। ইফালে, দুৰ্ঘটনাত পতিত বাহনখন চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ বুলি জানিব পৰা গৈছে।

# বকোৰ কলেজ অব্ এডুকেশ্বনৰ সামাজিক সেৱা অভিযান শীৰ্ষক সজাগতা কাৰ্য্যসূচী সম্পন্ন

**ই-সংবাদ, বকো, ১৫ মাৰ্চঃ** দক্ষিণ কামৰূপ জিলাৰ এক অগ্ৰণী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় হৈছে কলেজ অব্ এডুকেশ্বন, বকো।বকোৰ কলেজ অব্ এডুকেশ্বনৰ সমাজ বিজ্ঞান বিভাগৰ উদ্যোগত আৰু IQACৰ সহযোগত যোৱা ১১ মাৰ্চত সামাজিক সেৱা অভিযান শীৰ্ষক এটি সজাগতামূলক কাৰ্য্যসূচী অনুষ্ঠিত হৈ যায়। কলেজ অব্ এডুকেশ্বনৰ সমাজ বিজ্ঞান বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা এই সজাগতামূলক কাৰ্যসূচীত বকো চহৰখনৰ বহুকেইটা স্থানত অপ্ৰয়োজনীয় বস্তু বা জাবৰ-জোঁথৰ ৰাখিবৰ বাবে একোটাকৈ ডাষ্টবিন স্থাপন কৰা হয়। এই সজাগতামূলক কাৰ্যসূচীৰে হাহিম তিনিআলি চ'ক আৰু ডন'বস্কু স্কুল তিনিআলি চ'কত এটাকৈ, বৃহস্পতিবৰীয়া সাপ্তাহিক বজাৰৰ চৌহদ, ফলমূল বজাৰ চৌহদ আৰু শণিবৰীয়া সাপ্তাহিক বজাৰ চৌহদত দুটাকৈ ডাষ্টবিন স্থাপন কৰা হয়। এই কাৰ্যসূচীত মুখ্য ব্যক্তি হিচাপে উপস্থিত থাকে কলেজ অব্ এডুকেশ্বন, বকোৰ অধ্যক্ষ যামিনী বৈশ্য। লগতে এই কাৰ্যসূচীত সহযোগিতা আগবঢ়াই মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপিকা ইন্দ্ৰানী কলিতা, স্মিতা বড়ো, অধ্যাপক ক্ৰমে সুশান্ত সৰকাৰ, সত্যৰঞ্জন সৰকাৰ, ৰাজীৱ সৰকাৰ আৰু সমীৰ দাসে। সজাগতামূলক কাৰ্য্যসূচীটোত কলেজ অব্ এডুকেশ্বন, বকোৰ বি এড প্ৰথম বৰ্ষৰ প্ৰশিক্ষণৰত প্ৰশিক্ষাৰ্থীসকলে বকোৰ বিভিন্ন স্থানত সংস্থাপন কৰা ডাষ্টবিনসমূহ বনোৱাৰপৰা সংস্থাপন কৰালৈকে সকলো ক্ষেত্ৰতে বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়ায় আৰু এই কাৰ্যসূচীৰ জৰিয়তে সকলো ৰাইজকে পৰিৱেশ নিকাকৰণ, স্বচ্ছতাপূৰ্ণ পৰিৱেশৰ বাবে বাট দেখুৱাই দিয়াৰ লগতে ডাষ্টবিনৰ সঠিক ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনোৱা হয় বুলি কলেজ অব্ এডুকেশ্বন, বকোৰ অধ্যক্ষ যামিনী বৈশ্যই সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

## শিল্পী সাহায্যৰ বাবে আবেদনৰ আহ্বান

**ই-সংবাদ, দুলীয়াজান, ১৫ মাৰ্চঃ** দুলীয়াজান ৰঙালী বিহু সম্মিলনৰ বিহুতলী শিক্ষা আৰু শিল্পী ন্যাস পুঁজিয়ে শিল্পী সাহায্যৰ বাবে আবেদন আহ্বান কৰিছে। ন্যাস সমিতিয়ে এইবছৰৰ বাবে শিল্পী সাহায্যৰ বাবে শিৱসাগৰ, চৰাইদেও, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ অন্তৰ্গত ৪৫ বছৰৰ উৰ্ধৰ লোকসংস্কৃতিৰ সাধক তথা প্ৰচাৰ-প্ৰসাৰত ব্ৰতী আৰ্থিকভাৱে দুৰ্বল শিল্পীক সম্পূৰ্ণ তথ্য, প্ৰমাণ-পত্ৰসহ অহা ২০ এপ্ৰিলৰ ভিতৰত মাধৱ বুঢ়াগোহাঁই, সভাপতি, বিনোদ চেতিয়া, সম্পাদক, বিহুতলী ন্যাস পুঁজি, দুলীয়াজান ঠিকনাত অথবা ৯৪৩৫০০৫৫০৪, ৯৯৫৭৮৫০৫০৪ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ এক বিবৃতিৰ জৰিয়তে অনুৰোধ জনাইছে সংশ্লিষ্ট অঞ্চলৰ যোগ্য শিল্পীসকলক।

## খাৰুপেটীয়াৰ খেতিপথাৰত ড্ৰোণ স্প্ৰে'ৰ যোগেদি কৃষিকৰ্ম আৰম্ভ

**ই-সংবাদ, খাৰুপেটীয়া, ১৫ মাৰ্চঃ** সময়ৰ পৰিৱৰ্তনৰ লগে লগে খেতিপথাৰত আৰম্ভ হৈছে উন্নতমানৰ কৃষি ব্যৱস্থা। খেতিপথাৰত শ্ৰমিকৰ অভাৱ, সময়ৰ অভাৱৰ, খৰচ হ্ৰাসৰ লগতে কৃষকৰ সহায়ক হোৱাকৈ এইবাৰ খাৰুপেটীয়াৰ পথাৰত প্ৰৱেশ ঘটিল ড্ৰোণৰ। কৃষিপ্ৰধান অঞ্চল দৰং জিলাৰ খাৰুপেটীয়াৰ বিহুদিয়া অঞ্চলত পোনপ্ৰথমবাৰৰ বাবে কালি ড্ৰোণৰ সহায়ত খেতিপথাৰত স্প্ৰে' কৰা হয়। AGR pioneer seeds নামৰ এটা প্ৰতিষ্ঠানৰ দ্বাৰা গাঁওখনৰ খেতিপথাৰত প্ৰদৰ্শনীমূলকভাৱে এনেদৰে ড্ৰোণৰ সহায়ত মাকৈৰ খেতিত স্প্ৰে' কৰা হয়। জানিব পৰা মতে, এনে স্প্ৰে' মেচিনৰ দ্বাৰা মাত্ৰ ৫ মিনিটত তিনি বিঘা মাটিত কীটনাশক দ্ৰব্য বা ভেঁকুৰনাশক দ্ৰব্য ইত্যাদি স্প্ৰে' কৰিব পাৰি। এনে পদ্ধতিৰে কৃষকৰ খৰচ যথেষ্ট কম হয়। পূৰ্বে কৃষকে খেতিপথাৰত



প্ৰৱেশ কৰি হাতেৰে দৰৱ স্প্ৰে' কৰাত স্বাস্থ্যজনিত সমস্যাই দেখা দিছিল যদিও এই ব্যৱস্থাত যথেষ্ট লাভান্বিত হব কৃষক। এনেধৰণৰ স্মাৰ্ট এগ্ৰিকালচাৰ কনচেপ্টত কৃষকসকলে যথেষ্ট উপকৃত হ'ব বুলি বহুতে আশাবাদী।

# দ্বিতীয় বৈকুণ্ঠত পৰিণত শিৱসাগৰৰ শুকানপুখুৰী

**ই-সংবাদ, শিৱসাগৰ, ১৫ মাৰ্চঃ** দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত হৈছে শিৱসাগৰৰ বেতবাৰীৰ শুকানপুখুৰী। ১৩ মাৰ্চৰপৰা হৈ থকা বৰষুণ, বতাহ-ধুমুহা নেওচি শ শ ভকত-বৈষ্ণৱে শুকান পুখুৰীত অব্যাহত ৰাখিছে পালনাম। সদৌ অসম কৃষ্ণসূৰ্য নাম সমাজ আৰু গৱেষণা কেন্দ্ৰৰ উদ্যোগত চাৰিদিনীয়াকৈ অনুষ্ঠিত কৰা মহাপালনামৰ আজি তৃতীয় দিনাও কেইবাসহস্ৰ ভকত-বৈষ্ণৱ, আয়তীয়ে হৰিনাম গাই মুখৰিত কৰি তোলে। কাহিলী পুৱাতে শৰাই অৰ্পণ কৰে বিশিষ্ট নামাচাৰ্য কৃষ্ণ শইকীয়াই। আজি বিশেষ দৃষ্টি আকৰ্ষণ কৰে দুপৰীয়া কেইবাশ আইমাতৃয়ে পৰিৱেশন কৰা দিহানামে। ইপিনে, কালি দিনৰ ১১.৩০ বজাত বিশাল ধৰ্মীয় আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। প্ৰতিকূল বতৰ নেওচি সহস্ৰাধিক ভকত-বৈষ্ণৱ, ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোঁহাইয়ে। শোভাযাত্ৰা মুকলি কৰি বিধায়কগৰাকীয়ে শোভাযাত্ৰাত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে অংশগ্ৰহণ কৰা দৃশ্যয়ে সম্প্ৰীতিৰ এনাজৰী অধিক সুদৃঢ় কৰিব বুলি ব্যক্ত কৰে। তদুপৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যি আদৰ্শ দেখুৱাই গৈছে সেই বাটেৰে বাট বুলিবলৈ এনেধৰণৰ কাৰ্যসূচীয়ে প্ৰেৰণা যোগাব বুলি আশা প্ৰকাশ কৰে। দুটা হাতীক সন্মুখত লৈ উলিওৱা শোভাযাত্ৰাত মহাপুৰুষজনাৰ সৃষ্ট গায়ন-বায়ন, প্ৰতিকী ভাওনা, নামঘৰ, আসন, বিশালকায় প্ৰতিকী ভাগৱত প্ৰদৰ্শন কৰাৰ উপৰিও অসমীয়া সমাজ সংস্কৃতিৰ বিভিন্ন দিশ প্ৰতিফলিত কৰা হয়। পৰম্পৰাগত সাজ পৰিধান কৰি আয়তীসকলে শোভাযাত্ৰাত নাম-প্ৰসংগ কৰা দৃশ্যই অনন্য মাত্ৰা প্ৰদান কৰে। উল্লেখ্য যে শোভাযাত্ৰাৰ পূৰ্বে আজি পুৱাই শৰাই অৰ্পণ কৰে মন বৰুৱাই। প্ৰাতঃপ্ৰসংগ কৰে বিশিষ্ট নামাচাৰ্য মাণিক গগৈয়ে। কুমুদ গগৈয়ে কীৰ্তন পাঠ কৰাৰ পিছতে ধৰ্মধ্বজা উত্তোলন কৰে আয়োজক সমিতিৰ সভাপতি ভৱেন সন্দিকৈয়ে। ইয়াৰ পিছতে এশখন পতাকা উত্তোলন কৰে অসমৰ বিভিন্ন নামঘৰ আৰু সত্ৰসমূহৰ প্ৰতিনিধি, বিশিষ্ট ব্যক্তিসকলে। বিয়লি লিগিৰীপুখুৰীস্থিত প্ৰথম আৰক্ষী বাহিনীৰ অৰূপ বৰগোঁহাইৰ দলে দিহানাম পৰিৱেশন কৰে। সন্ধিয়া পুনৰ যশস্বী নামাচাৰ্য হিৰেণ বাৰুৱতীৰ নেতৃত্বত পালনাম প্ৰসংগ কৰা হয়। কাইলৈ সামৰণি পৰিব এই দ্বি-বাৰ্ষিক মহাপালনাম। সামৰণিৰ দিনা নলবাৰীৰ মিলিজুলি ভোলানাথ নামৰ দলে নাগাৰা নাম পৰিৱেশন কৰাৰ লগতে ভাওনা পৰিৱেশন কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## বেলতলাত হোলীত যুৱতীৰ মহা তাণ্ডৱ

সিজনৰ গাত আবিৰ সানি আনন্দত মতলীয়া হ'ল। ভাতৃত্ববোধ আৰু প্ৰেমৰ বান্ধোনেৰে ইজনে সিজনক জনালে শুভকামনা। এনে পৰম্পৰা ভাৰতীয় সভ্যতাৰ শতিকা পুৰণি, এক চিনাকি ছবি। কিন্তু লাহে লাহে এই ছবিখন সলনি হৈছে। এতিয়া ফাকুৱা মানে প্ৰেম ভালপোৱাৰ চেনেহেৰে দুগালত আবিৰ সানি আনন্দ কৰাৰ দিন দুৰ্লভ হৈ পৰিল। এতিয়া ফাকুৱা মানেই যেন হৈ পৰিছে এজাক মাতাল মানুহৰ উদ্ভণ্ডালি। গুৰু-গোঁসাই নমনাকৈ নিচাৰ ৰাগীত হকে-বিহকে কৰিব পৰাৰ লাইচেন্স থকা এটা দিনলৈ পৰিণত হৈছে হোলী। তেনে এক দৃশ্যপটেই পৰিস্ফুট হৈ পৰিল গুৱাহাটা মহানগৰীতো। হোলীৰ দিনটোত গুৱাহাটীৰ প্ৰান্তে প্ৰান্তে সংঘটিত কেইবাটাও ঘটনা হৈ ৰ'ল ইয়াৰ জ্বলন্ত সাক্ষী। বেলতলাত এগৰাকী সুৰামত্ত যুৱতীৰ তাণ্ডৱত ত্ৰাসি মধুসুদন সোঁৱৰিলে স্থানীয় ব্যৱসায়ী আৰু লোকসকলে। যুৱতীগৰাকীয়ে এফালৰ পৰা লণ্ড-ভণ্ড কৰি গ'ল সকলো। মুঠতে সন্মুখত যিহকেই পাই, তাকেই মহতিয়াই গ'ল। কেৱল বেলতলাই নহয়, হোলী গুছি ৰণথলীলৈ পৰিণত হ'ল গণেশগুৰি আৰু কাহিলীপাৰাৰ ৰাজপথ। প্ৰচণ্ড মাৰপিটত আঘাতপ্ৰাপ্ত হ'ল কেইবাগৰাকীও। আনফালে কমাৰ্চ পইণ্টতো এগৰাকী কণ্ঠশিল্পীক আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন হৈছে। এনেদৰে বিভিন্ন ঘটনাৰে হোলীৰ আনন্দ তল পৰা দেখা গৈছে। কিন্তু এইবোৰ সঁচাই একো একোটা বিক্ষিপ্ত ঘটনা হয়নে তাকলৈও প্ৰশ্ন উঠিছে। বেলতলাত তাণ্ডৱ সৃষ্টি কৰা যুৱতাগৰাকীয়ে পৰৱৰ্তী সময়ত উল্লেখ কৰে যে তেওঁ মদল নিচাতেই এনে নগুৰ-নাকটিৰ সৃষ্টি কৰিছিল। তেওঁ লগতে এই কথাও উল্লেখ কৰিছে যে তেওঁ হোলীৰ দিনাই প্ৰথম বাৰৰ বাবে মদ খাইছিল। যদি সেয়াই হয়, তেনেহ'লে এয়া নিশ্চয়কৈ চিন্তাৰ বিষয় বুলি সৰৱ চৰ্চা চলিছে। যি সময়ত ৰাজ্যত পাইকাৰী হাৰত চৰকাৰী বিদ্যালয় বন্ধ হৈছে, যিসময়ত পুথিভঁৰালৰ সংখ্যা হ্ৰাস পাইছে, সেই সময়ত ৰাজ্যৰ চুকে-কোণে বৃদ্ধি পাইছে মদৰ দোকানৰ সংখ্যা। চৰকাৰে ৰাজহ বৃদ্ধি কৰাৰ উদ্দেশ্যে জধে-মধে মদৰ দোকান খোলাৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰি এটা প্ৰজন্মক পংগু কৰি পেলাইছে বুলিও সৰ্বত্তে চৰ্চা চলিছে। অভিযোগ উঠিছে যে হোলীৰ দিনটোত মদৰ ৰাগীত মাতাল হৈ য'তে ত'তে তাণ্ডৱ সৃষ্টি কৰা এইসকল যুৱক-যুৱতীক এনে পৰ্যায়লৈ লৈ যোৱাৰ আঁৰত আছে চৰকাৰৰ অপৰিপক্ক আৰু জনস্বাৰ্থ বিৰোধী আৱকাৰী নীতি। এই নীতিৰ ব্যাপক সংশোধনেৰে চৰকাৰে এটা প্ৰজন্মক বিপথগামিতাৰ পৰা উদ্ধাৰ কৰিবলৈ আহ্বান জনাইছে সচেতন লোকসকলে।

# চকলাঘাটৰ শিক্ষক, প্ৰবীণ অভিনেতা দিলীপ কুমাৰ মেধিৰ আকস্মিক বিয়োগ

**ই-সংবাদ, বেবেজীয়া, ১৫ মাৰ্চঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাট চাউলখোৱা গাঁৱৰ নিবাসী সমাজকৰ্মী, প্ৰবীণ অভিনেতা তথা চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক দিলীপ কুমাৰ মেধিৰ শুকুৰবাৰে নিশা নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। বিগত কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা মেধিৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫৮ বছৰ। ১৯৯৮ চনৰ অক্টোবৰ মাহৰপৰা মৃত্যুপৰ্যন্ত চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক হিচাপে কৰ্মৰত দিলীপ কুমাৰ মেধিয়ে শিক্ষকতা কৰাৰ উপৰিও বিদ্যালয়ৰ এন চি চি বিভাগৰ সহযোগী বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি বিদ্যালয়ৰ এসময়ৰ বহু শিক্ষাৰ্থীক মাধ্যমিক পৰ্যায়ত প্ৰশিক্ষণ প্ৰদানেৰে চৰকাৰী সেৱাত মকৰলৰ সুবিধা প্ৰদান কৰিবলৈ সক্ষম হৈছিল। অঞ্চলটোৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত দিলীপ কুমাৰ মেধিয়ে অসমীয়া ভাওনা, মঞ্চ নাটকত অভিনয় কৰি দৰ্শকৰ ভুয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। নিশা শোৱাপাটীতে মেধিৰ আকস্মিক বিয়োগৰ খৱৰ বিয়পি পৰাৰ লগে লগে বৃহত্তৰ অঞ্চলটোত দৌল উৎসৱৰ আনন্দ বহুখিনি ম্লান হৈ পৰে। ইফালে, শনিবাৰে পুৱা তেওঁৰ নশ্বৰ দেহত হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতি, চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়, চকলাঘাট শাখা সাহিত্য সভা, পুব হাতীচোং ৰাস উৎসৱ উদযাপন সমিতি, চকলাঘাট আঞ্চলিক ক্ৰীড়া সন্থা, জাজৰি প্ৰেছ ক্লাব, পুব হাতীচোং অখণ্ড ভাগৱত পাঠ পৰিচালনা সমিতিকে আদি কৰি বিভিন্ন অনুষ্ঠানে শেষশ্ৰদ্ধা জ্ঞাপন কৰে। সৎ, অমায়িক আৰু পৰোপকাৰী স্বভাৱৰ মেধিৰ অকাল মৃত্যুত বৃহত্তৰ চকলাঘাট অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ শয্যাগত মাতৃ, পত্নী, এজন পুত্ৰ, এগৰাকী কন্যাকে ধৰি বহু আত্মীয়-স্বজনক এৰি যায়।

# চমুৱাগাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনাত থিতাতে নিহত বাইক আৰোহী

**ই-সংবাদ, বেবেজীয়া, ১৫ মাৰ্চঃ** দৌল উৎসৱৰ আনন্দ-উল্লাসৰ মাজতে নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন চমুৱাগাঁও চাৰিআলিত শুকুৰবাৰে বিয়লি সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন বাইক আৰোহী থিতাতে নিহত হয়। নিহত যুৱকজন মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত মোলানকটা গাঁৱৰ মইনুদ্দিন হাজৰিকাৰ ১৯ বছৰীয়া পুত্ৰ ইনজামুল হক বুলি জানিব পৰা গৈছে। দলংঘাট-জাজৰি-বেবেজীয়া সংযোগী গড়কাপ্তানি পথেৰে জাজৰিৰ দিশৰ পৰা নগাঁও চহৰ অভিমুখে এখন মটৰ চাইকেলৰে তীব্ৰ বেগত আহি থকা অৱস্থাত যুৱকজনে চমুৱাগাঁও চাৰিআলিত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিতে থকা এডাল গছত খুন্দা মাৰি পথৰ ওপৰতে বাগৰি পৰাত ঘটনাস্থলীতে যুৱকজনে কৰুণ মৃত্যুক আকোঁৱালি লয়। পিছত জাজৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# সোণাৰিত একেদিনাই ৯ টা জটিল ৰোগৰ বিনামূলীয়া অস্ত্ৰোপচাৰ সম্পন্ন

**ই-সংবাদ, সোণাৰি, ১৫ মাৰ্চঃ** ভাৰতৰ অস্ত্ৰোপচাৰ চিকিৎসক সংস্থাৰ ডিব্ৰুগড় শাখা অসম ৰাজ্যিক অধ্যায়ৰ উদ্যোগত আৰু সোণাৰিৰ পি বি চিকিৎসালয় আৰু ৰোগ নিৰ্ণয় গৱেষণা কেন্দ্ৰৰ সহযোগত আজি সোণাৰিত বিনামূলীয়া অস্ত্ৰোপ্ৰচাৰ শিবিৰ সম্পন্ন হয়। সংস্থাটোৰ সভাপতি ডাঃ ধীৰেন্দ্ৰনাথ চৌধুৰীৰ নেতৃত্বত সোণাৰিৰ পি বি চিকিৎসালয়ত অনুষ্ঠিত শিবিৰটোত ৯ জন ৰোগীক সফলতাৰে অস্ত্ৰোপচাৰ সম্পন্ন কৰা হয়। ইয়াৰ ভিতৰত পাঁচটা অস্ত্ৰোপচাৰ অতি জটিল আছিল যদিও অভিজ্ঞ চিকিৎসকসকলে সুকলমে সফলভাৱে সম্পন্ন কৰে অস্ত্ৰোপচাৰকেইটা। ডিব্ৰুগড়, যোৰহাট, তেজপুৰ আৰু গুৱাহাটীৰপৰা অহা এই বিশেষজ্ঞ চিকিৎসকৰ দলটোৱে ইতিমধ্যে ৰাজ্যৰ আন ঠাইতো বিনামূলীয়া অস্ত্ৰোপচাৰ সম্পন্ন কৰিছে। আনহাতে, ডিব্ৰুগড় বা আন ঠাইলৈ নোযোৱাকৈ সোণাৰিৰ পি বি চিকিৎসালয়তে বিনামূলীয়া অস্ত্ৰোপচাৰ লাভ কৰি সন্তোষ প্ৰকাশ কৰিছে ৰোগীৰ আত্মীয়সকলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# প্ৰাক্তন খেলুৱৈ, বিশিষ্ট শিক্ষাবিদ ভৃগুপতি বৰ্মনৰ বিয়োগ

**ই-সংবাদ, চামতা, ১৫ মাৰ্চঃ** নলবাৰী জিলাৰ পানীগাঁৱৰ মুলাৰকুছিৰ বিশিষ্ট শিক্ষাবিদ তথা ক্ৰীড়াবিদ ভৃগুপতি বৰ্মন (৭৭)ৰ যোৱা নিশা ২ বাজি ১৫ মিনিটত নিজ গৃহত মৃত্যু হয়। নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত মিলন হাইস্কুল, পানীগাঁৱত এগৰাকী ইংৰাজী বিষয়ৰ শিক্ষক হিচাপে সুদীৰ্ঘকাল শিক্ষকতা কৰি ২০১১ চনত অৱসৰ গ্ৰহণ কৰে। ইয়াৰ সমান্তৰালকৈ তেওঁ ক্ৰীড়া ক্ষেত্ৰখনৰ সৈতেও ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। এগৰাকী আগশাৰীৰ সুদক্ষ ফুটবল, ভলীবল আৰু কাবাদীৰ ৰেফাৰী হিচাপেও ক্ৰীড়াপ্ৰেমী তথা সৰ্বস্তৰৰ লোকৰ মাজত জনপ্ৰিয় আছিল। চাকৰিৰ পৰা অৱসৰ গ্ৰহণৰ পিছত বিষ্ণুজ্যোতি জাতীয় বিদ্যালয়, পানীগাঁৱৰ কেইবাবছৰ ধৰি সম্পাদক আৰু সভাপতিৰ পদ অলংকৃত কৰাৰ উপৰি নলবাৰী জাতীয় বিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্বত আছিল। ইয়াৰ উপৰি অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত বৰ্মনে মৃত্যুৰ সময়ত দুই পুত্ৰ-বোৱাৰী এগৰাকী জী-জোঁৱাই, নাতি-নাতিনীৰ লগতে অনেক গুণমুগ্ধক সংসাৰত এৰি থৈ যায়। দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ থকা বৰ্মনৰ মৃত্যুৰ খবৰ অঞ্চলটোত বিয়পি পৰাৰ লগে লগে মিলন হাইস্কুল, পানীগাঁও, মিলনজ্যোতি সংঘ, প্ৰতিবেদক লাইভ, মিলন চ'ক বজাৰ সমিতি, পানীগাঁও আঞ্চলিক কলা-ক্ৰীড়া কেন্দ্ৰ, মুলাৰকুছি ৰাজহুৱা মন্দিৰ সমিতিকে ধৰি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে। স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। আনহাতে, চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ পতাকাৰে মৃতকক শেষ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। আজি পুৱা অজস্ৰ লোকৰ উপস্থিতিত ৰাজহুৱা শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।



ডব্লিউপিএলৰ ফাইনেলত এমআইৰ উইকেট দখলৰ পিছত উল্লাস ডিচিৰ মাৰিজেনৰ




বাস্তৱ নিৰস! মোবাইল স্ক্ৰিণত চকু থৈ ভাৰ্চুৱেল পৃথিৱীত ৰসৰ সন্ধান এটা প্ৰজন্মৰ, ফটোঃ অমল ভৌমিক

## আকৌ আন্তঃৰাষ্ট্ৰীয় টি-২০ৰ পথাৰলৈ উভতিব বিৰাট কোহলি!

# অলিম্পিক ক্ৰিকেটত ফাইনেল খেলাৰ মন কোহলিৰ, কিন্তু আছে চৰ্ত

**নতুন দিল্লী, ১৫ মাৰ্চঃ** আন্তঃৰাষ্ট্ৰীয় টি-২০ৰ পৰা অৱসৰ গ্ৰহণ কৰা বিৰাট কোহলি পুনৰ উভতিব পাৰে ক্ৰিকেটৰ পথাৰলৈ!২০২৮ চনৰ অলিম্পিকৰ ফাইনেলত ভাৰতে প্ৰৱেশ কৰিলে খেলপথাৰলৈ ঘূৰি আহিব পাৰে কোহলি। এই ইংগিত প্ৰদান কৰিছে খোদ ক্ৰিকেটাৰগৰাকীয়ে। তেওঁ ধেমালীয়া সুৰত এই কথা ক'লেও এই মন্তব্যই তেওঁৰ সম্ভাব্য প্ৰত্যাৱৰ্তনৰ বিষয়ে পুনৰ জল্পনা-কল্পনাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, ১২৮ বছৰৰ পাছত পুনৰ অলিম্পিকলৈ ঘূৰি আহিছে ক্ৰিকেট। ২০২৮ চনৰ লছ এঞ্জেলছ অলিম্পিকত এই খেলবিধক টি-২০ ফৰ্মেটত অন্তৰ্ভুক্ত কৰা হৈছে। ১৯০০ চনত পেৰিছ অলিম্পিকৰ পিছত ক্ৰিকেটক অলিম্পিকত অন্তৰ্ভুক্ত কৰা হৈছে। আমোদজনক কথাটো হ'ল অলিম্পিক কৰ্তৃপক্ষৰ মতে ক্ৰিকেট অন্তৰ্ভুক্ত হোৱাৰ অন্যতম ডাঙৰ কাৰণ হ'ল কোহলিৰ বিশ্বজনীন জনপ্ৰিয়তা। এটা অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সময়ত বিৰাটক সোধা হৈছিল যে তেওঁ অলিম্পিক খেলিবলৈ আগ্ৰহী নেকি? তেওঁ হাঁহি হাঁহি উত্তৰ দিলে, "গোটেই অলিম্পিক খেলিবলৈ? নাই, নাই! কিন্তু ভাৰতে যদি সোণৰ বাবে যুঁজ দিয়ে, তেন্তে হয়তো মই অৱসৰৰ পৰা ওলাই আহি এখন মেচ খেলি স্বৰ্ণ পদক লৈ ঘৰলৈ উভতি যাম!" যোৱা বছৰ টি-২০ বিশ্বকাপ জয় কৰাৰ পাছত কোহলিয়ে আন্তঃৰাষ্ট্ৰীয় টি-২০ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। বৰ্তমান তেওঁ টেষ্ট আৰু এদিনীয়া ফৰ্মেটত খেলি আছে, আৰু আই পি এলতো সক্ৰিয়। আনহাতে, বিৰাট আৰু ৰোহিতৰ অৱসৰৰ পাছত ভাৰতৰ টি-২০ দলটো যথেষ্ট ভাল ফৰ্মত আছে। গতিকে এতিয়াই তেওঁ ঘূৰি অহাৰ সম্ভাৱনা নাই। কিন্তু ২০২৮ চনত ভাৰতৰ অলিম্পিকৰ ফাইনেল যদি বাস্তৱত পৰিণত হয়, তেন্তে সঁচাকৈয়ে কোহলি ঘূৰি আহিবনে? এতিয়াৰ বাবে সেই প্ৰশ্নৰ উত্তৰ ভৱিষ্যতৰ হাতত নিহিত হৈ আছে।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি